

কমল
গগৈ

গুৱাহাটী বুক ষ্টল • গুৱাহাটী-৩



AHIR
BHAIRAB

A Social Novel Written by Kamal Go
and Published by Bangshidhar Sarma
M/s. Gauhati Book Stall, Gauhati-3.
Price Rupees Four only.



।। প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ।।
।। প্ৰথম প্ৰকাশ : মাৰ্চ ১৯৭১ চন ।।
।। বেটুপাতৰ ছবি আৰু অঙ্গসজ্জা : ত্ৰৈলোক্য দত্ত ।।

।। ছপা : শ্ৰীৰাধানাথ সাঁতৰা ● সাৰদা প্ৰিন্টিং ৱৰ্কছ ● ঘোষ লেন ● কলিকতা-৬ ।।
।। মূল্য : চাৰি টকা মাথোন ।।

উ ছ র্গা

● ● ●

যিবোৰ মানুহৰ জীৱনৰ কোনো দাম নাই, যিবোৰ মানুহে শোষণ, উৎপীড়ন, লাঞ্ছনা মূৰ পাতি লৈ জীৱন শেষ কৰিব লগা হয়, সেই উপেক্ষিত লোকলৈ,— তেওঁলোক থিয় দিব, জাগ্ৰত হব আৰু প্ৰাপ্য আদায় কৰিব বুলি আশা ৰাখি—

● ● ●

॥ স্বীকৃতি ॥

উপন্যাস প্ৰকাশ কৰাৰ এয়া প্ৰথম প্ৰয়াস। এই উদ্যম বাস্তৱত ৰূপায়িত কৰিলে দুজন শুভানুধ্যায়ীয়ে। তেওঁলোক হ'ল—অনুপ্ৰাণিত চিত্ৰশিল্পী শ্ৰীত্ৰৈলোক্য দত্ত আৰু আশাবাদী প্ৰকাশক শ্ৰীবংশীধৰ শৰ্মা। এই দুজনৰ পৰামৰ্শ আৰু সাহায্যই মনলৈ যি আত্মপ্ৰত্যয়ৰ ভাব আনি দিলে, তাৰ বাবে তেওঁলোকক সদায় স্নেহ আৰু শ্ৰদ্ধাৰে মনত পেলাব লাগিব।

হেজাৰ জনে লিখাৰ প্ৰেৰণা দিয়ে।

পৃথিবীত জীয়াই থকাৰ অদম্য বাসনা লৈ, আলিবাটৰ ধুলিৰ ধূসৰিত হৈ পথচাৰীৰ বদান্যতা কামনা কৰা গলিত অঙ্গৰ কুষ্ঠৰোগী জনৰ পৰা আৰম্ভ কৰি ত্ৰিতল অট্টালিকাৰ শীত-তাপ-নিয়ন্ত্ৰিত নিভৃত কক্ষত, কবিতাৰ পুথি বাদ দি ওমৰ খৈয়ামৰ কল্পনাক বাস্তৱ ৰূপ দিয়া জনলৈকে এই 'সুন্দৰ ভুবন'ৰ হেজাৰজনে লিখাৰ সমল যোগায়।

শ্ৰেণী আৰু শোষণৰ প্ৰাধান্য থকা সমাজ এখনত এইবোৰ মানুহ থকাটো অতি স্বাভাৱিক। এনে এখন সমাজত 'ভাগ্য'ৰ বিবৰ্ত্তনো ঘটিব পাৰে দ্ৰুত গতিৰে, ধনী দুখীয়া হব পাৰে, দুখীয়া ধনী হব পাৰে।

কিন্তু ধন, আভিজাত্য আৰু বিলাসেই জীৱনৰ মূল কথা হব নোৱাৰে। মানৱীয় সত্বাটোৱে সেই সত্যও এদিন উপলব্ধি কৰে। অৱশ্যে তাকে কৰোঁতে বহুত ক্ষেত্ৰত অবাঞ্ছিতভাবে পলম হৈ যায়। আজিৰ নতুন পুৰুষে হয়তো এই সত্য উপলব্ধি কৰিবলৈ লৈছে আৰু মোহান্ধ দলকো উপলব্ধি কৰাবলৈ চেষ্টা কৰিছে। সেয়ে এটি সান্ত্বনা।

নাম দিলোঁ—অহীৰ ভৈৰৱ। অহীৰ ভৈৰৱ পুৱাৰ ৰাগ; নিশাৰ জড়তা আৰু বেদনা আঁতৰাই পুৱাৰ পোহৰৰ সজীৱতা আৰু ৰং-ৰূপ আদৰি অনাৰ ৰাগ। সেই অৰ্থত 'অহীৰ ভৈৰৱ'ৰ অৰিহণা বিচাৰ কৰাৰ দায়িত্ব পঢ়ুৱৈ সকলৰ।

শ্ৰীকমল গগৈ

বাস্তৱৰ লগত সামঞ্জস্য থাকিলেও 'অহীৰ ভৈৰৱ'ৰ কাহিনী আৰু চৰিত্ৰ আটাইবোৰেই কাল্পনিক।

॥ এক ॥

তৃতীয়াৰ জোনটো বুঢ়া কৃষ্ণচূড়া গছজোপাৰ সিকালে লুকাই পৰিছিল। ওচৰৰ মিকিৰ গাওঁখনৰ কুকুৰ কেইটাৰ মাতো বন্ধ হৈ গৈছিল। নিশাৰ পতঙ্গদলৰ সমলয় সুৰ এটা মাত্ৰ অনবৰত বাজি আছিল। তাৰ বাহিৰে গোটেই পৃথিবীখনেই যেন নিজম পৰিছিল।

বহল বাৰীখনৰ এটা মূৰে ইটাৰ দেৱালৰ গাতে লাগি থকা সৰু ঘৰটোত এটা কেৰাচিন তেলৰ চাকি জ্বলি আছিল। দুৱাৰখন আধা মেলা হৈয়ে আছিল। কাঠৰ দুৱাৰখনৰ জীৰ্ণতা দেখি সহজে অনুমান কৰিব পাৰি যে ঘৰটো বহুত পুৰণি। সেই কাৰণেই দুৱাৰখন বন্ধ নোহোৱা হৈ পৰিছে। ভিতৰত নাৰিকলৰ ৰচিৰ 'চাৰপাই' এখনত কেইখনমান কাপোৰ পৰি আছিল। এটা চুকত তিনিটা খুৰাৰ পুৰণি 'টিপয়' এখনৰ ওপৰত এটা মামৰে ধৰা টিনৰ ছুটকেচ আছিল। সেই ছুটকেচটোৰ ওপৰতে সৰু চাকিটো জ্বলিছিল।

ওচৰৰ প্ৰকাণ্ড ঘৰটোৰ ফালে চাই এটা বুঢ়া মানুহ ঘৰটোৰ বাহিৰত ওলাই আছিল। মানুহটোৰ মূৰত চুলি প্ৰায় নাছিলেই। চাৰিওফালে যি কেইডাল আছিল, সেই কেইডালো বগা হৈ পৰিছিল। মানুহটোৱে ভোৰভোৰাই আপোন মনে কিবা কৈছিল। ...হে লাহে আহি সৰু ঘৰটোৰ ভিতৰ সোমাল। চাৰপাইখনৰ

তলত থকা হাৰিকেন লেম্পটো উলিয়াই ছুটকেচৰ ওপৰৰ চাকিটো সহায়েৰে জ্বলাই ল'লে। ঘৰটোৰ আন এটা চুকৰ পৰা যাঠি এপাতো উলিয়াই আনিলে। লেম্পটো আৰু যাঠীপাত মজুত কৰি লৈ বুঢ়া মানুহটোৱে চাৰপাইখনত পৰি থকা কাপোৰ কেইখনৰ মাজৰ পৰা এটা চোলা বিচাৰি উলিয়ালে। চোলাটো খাকী কাপোৰৰ আছিল কিন্তু তাৰ মালিকৰ দৰেই যথেষ্ট পুৰণি। তাৰ ওপৰত বহুতো টাপলি পৰিছে আৰু সেইবোৰে তাৰ প্ৰকৃত ৰং কি আছিল তাক চিনিব নোৱাৰা কৰিছে। সেই চোলাটোৰ এটা জেপ খেপিয়াই মানুহটোৱে এটা বিড়ি উলিয়াই চাকিটোত জ্বলাই ল'লে আৰু এটা হোপা মাৰি, চাকিটো নুমুৱাই পেলালে। বিড়িটো জ্বলাই লৈ সি চাৰপাইখনত অলপ পৰ বহিল। কেই-মিনিটমানৰ পাচত বিড়িটো আঙুলিয়ে ধৰালৈকে জ্বলি গ'ল। বিৰক্তিৰে সেইটো মজিয়াত দলি মাৰি দি সি থিয় হ'ল আৰু লেম্পটোৰে সৈতে যাঠীডাল লৈ ঘৰটোৰ বাহিৰ হ'ল। দুৱাৰখ জপাবৰ চেষ্টা কৰিলে সি। এটা দীঘলীয়া কেৰ্কেৰণি শব্দ হ'ল। কিন্তু দুৱাৰখন আকৌ এটা নিৰ্দিষ্ট দূৰত্ব লৈ গৈ আধা মেলা হৈয়ে ৰ'ল। তালৈ ভ্ৰূক্ষেপ নকৰি মানুহটো আগবাঢ়ি গ'ল।

বাহিৰখন তেতিয়া ভালকৈয়ে আন্ধাৰ হৈছিল। বাটটোৰ দুই কাষৰ ওখ ওখ তামোল আৰু নাৰিকল গছবোৰ, কৰবী ফুলৰ বুঢ় গছবোৰ, কৃষ্ণচূড়া ফুলগছ কেইজোপাই দিনতে বাৰীখন আন্ধাৰ কৰি ৰাখে। বুঢ়া মানুহটোৱে চিঞৰিলে, "খবৰদাৰ"। যথেষ্ট কষ্টেৰে বুঢ়াৰ ডিঙিৰ পৰা ওলোৱা সেই শব্দটো গছ-গছনিবোৰত ঠেকা খাই জনজনাই উঠিছিল। কৰবী ফুলৰ গছ কেইডালত ওলমি থকা বাদুলিবোৰ ঢপঢপাই উৰি গৈছিল। ওখ তামোল গছ কেইডালত বাহ সজা টোকোৰা চৰাইবোৰৰ পোৱালি কেইটায়ো চিঁচিঁয়াই উঠিছিল। মানুহটো ডাঙৰ ঘৰটোৰ ওচৰ চাপি গ'ল।

প্ৰকাণ্ড ঘৰটো এটা দৈত্যৰ দৰে যেন শুই আছে।

(
চালখন টিনপাতৰ হলেও বেৰবোৰ ইটাৰ। চিমেণ্টৰে প্লাষ্টাৰ কৰা। সেইবোৰত এসময়ত কি ৰং আছিল এতিয়া নিৰ্ণয় কৰা কঠিন। শেলাই লাগি আচল ৰংটো নোহোৱা কৰি পেলাইছে। পৰ্টিক'ৰ ঘূৰণীয়া খুটা কেইটাৰ চিমেণ্ট প্লাষ্টাৰো মাজে মাজে উঠি গৈছে। কিন্তু তলখন বেছ পৰিষ্কাৰ। চেগুন কাঠৰ প্ৰশস্ত দুৱাৰখনৰ ৰং কিন্তু একেবাৰে নিঃশেষ হোৱা নাই। দুৱাৰখনৰ দুইফালে থকা বনৰীয়া ম'হৰ শিং দুযোৰো প্ৰায় ঠিকেই আছে। ঘৰটোৰ দুৱাৰখন বন্ধ আছিল। মানুহটো খটখটি কেইটাইদি উঠি একেবাৰে দুৱাৰ-খনৰ কাষ পালেগৈ। তাৰ পাচত দুৱাৰখনলৈ পিঠি দি সমুখৰ ফালে লেম্পটো দাঙি ধৰি কিবা চাবৰ চেষ্টা কৰিলে। এইবাৰ সি বেছি জোৰেৰে চিঞৰিলে, "খবৰ—দাৰ, হুছি-য়া-ৰ"। সেই চিঞৰত বুঢ়াৰ অলপীয়াকৈ এটা কাহ আহিল। লেম্পটো থৈ সি অলপ পৰ কাহি ল'লে আৰু তাৰ পাচত পৰ্টিক'ৰ পৰা তললৈ নামি গ'ল। এইবাৰ সি ঘৰৰ পাচফালে যাবলৈ ধৰিলে। পৰ্টিক'ত বগাই থকা 'বগান ভিলিয়া' জোপাৰ লতা এডাল তাৰ যাঠীপাতত লাগি ধৰিছিল, সি সযতনে লতাডাল এৰুৱাই থৈ ঘৰৰ কাষে কাষে আগবাঢ়িল।

...ঘৰটোৰ পিচফালৰ এটা কোঠাত পোহৰ আছিল। উইণ্ডস্ক্রিনৰ সুফাকেদি সেই পোহৰখিনি শাৰীপাতি ৰোৱা পাইন গছ কেইজোপাৰ ...কান ডাল কেইটাত পৰি চিকমিকাই উঠিছিল। ঘৰটোৰ চাৰিও-...লে ইটাৰে বন্ধোৱা এটা ফুটপাথ আছিল। সেই বাটেদি ঘূৰি ল...হৰা দিয়া যি কোনো মানুহৰ কাৰণে একো টান কাম নহয়। ...সমুখৰ ফালটো বাদ দি ফুটপাথৰ কাষৰ পৰা লন আৰম্ভ হৈছে। লন'ৰ ঘাঁহবোৰ এতিয়া বাৰে বৰণীয়া আৰু ওখ চাপৰ হৈ পৰিছে। ...হুত দিন ধৰি লন মৰাবৰ ব্যৱহাৰ নোহোৱাৰ বাবেই বোধহয় তেনে ...ৰি উৎ...

...টো কি পেটাৰ্ণৰ তাক নিৰ্ণয় কৰা সহজ নহয়।

দেখাত অসমত সজা বঙলাৰ দৰে হলেও একেটা ঘৰতে চিমনি দি ৰান্ধনি কোঠা তৈয়াৰ কৰা হৈছে। পিচফালৰ প্ৰশস্ত বাৰাণ্ডাখন লোৰ নেটেৰে আগুৰা। আচল কোঠাৰ বন্ধ দুৱাৰখনত এটা শকত তলা ওলমি আছিল। নেটৰে বেৰা বাৰাণ্ডাখনৰো দুৱাৰ আছিল। সেইখন দুৱাৰতো তলা লগোৱা আছিল। বুঢ়া মানুহটো সেই বাৰাণ্ডাৰ দুৱাৰখনৰ কাষত থিয় দি তলাটো এবাৰ টানি চালে। তাৰ পাচত কঁকালত বান্ধি থোৱা এজোকা চাবি পৰীক্ষা কৰিলে। এটা চাবি টানি ধৰি সি তলাটোৰ ফালে আকৌ এবাৰ চালে। এক মিনিটমান সময় নীৰৱে থিয় দি থাকি সি চিৰিত থোৱা লেম্পটো আৰু যাঠীডাল আকৌ হাতত তুলি ললে আৰু সাৱধানে চিৰি চাৰিটা নামি ফুটপাথ পালেগৈ। তাৰপৰা সি লেম্পটো দাঙি ধৰিলে। লেম্পৰ ক্ষীণ পোহৰত দেখা গ'ল বাৰাণ্ডাত এখন পুৰণি অথচ দামী ডাঙৰ মেজ পৰি আছে। মেজখন বোধহয় মেহগনি কাঠৰ। তাৰ আশে পাশে কেইবাখনো হেণ্ডল লগোৱা চকী অসংলগ্নভাৱে পাৰি থোৱা আছে। একাষত এখন বৃহৎ আৰামী চকীও আছিল। চকীখনৰ বেতৰ গাঁথনিবোৰ বোধহয় ছিগি গৈছিল। মানুহটোৱে এই বস্তুবিলাকলৈ সতৰ্ক দৃষ্টি নিক্ষেপ কৰিলে। তাৰ পাচত সেইবোৰলৈ পিঠি দি চিঞৰিলে, "হুঁশি- য়াৰ"। কিছু দূৰত থকা কুকুৰা ঘৰটোত কিবা এটাই খচখচা উঠিল। ঘৰটোত এতিয়া কুকুৰা নাই—মস্ত এন্দুৰ কিছুমানে তাত বাহ লৈছে।

মানুহটো ফুটপাথেদি আগবাঢ়ি গ'ল। সেইপিনে গৈ থাকিলে তাৰ সৰু ঘৰটো পোৱা যায়। মানুহটোৰ খোজবিলাক আগতকৈ ধীৰ গতিৰ হৈ পৰিছিল। বাৰ্দ্ধক্যই হয়তো তাক দুৰ্বল আৰু স্থবিৰ কৰি তুলিছিল। হঠাৎ সি ৰৈ গ'ল। ঘৰটোৰ ফালে উভতি চাই সি মাতিলে "জী হুজুৰ আতা হেয়।" তাৰ পাচত বেগাই খোজ পিচফালৰ বাৰাণ্ডাখনৰ কাষ পালেগৈ। কিন্তু চিৰিত ভৰি

থমকি ৰ'ল আৰু ওপৰলৈ উঠিবলৈ চেষ্টা নকৰাকৈয়ে উভতি গ'ল। এইবাৰ মানুহটো যেন আৰু অৱশ হৈ পৰিছিল। অস্থিৰ পদক্ষেপেৰে সি তাৰ কোঠাটোৰ ভিতৰ সোমাই গ'ল। মানুহটো ভয়ত কঁপিছিল। সাধাৰণতে বন্ধ নোহোৱা দুৱাৰখন সি টানকৈ হেঁচি ধৰি ভিতৰৰ পৰা হুকডাল লগাই দিলে। যাঠীডাল ওচৰতে থৈ সি চাৰপাইখনত বহি পৰিল। মূৰত বান্ধি লোৱা গামোচাখনৰে তাৰ মুখখন মচি ল'লে। চুলি নোহোৱা তালুখনো মচি পেলালে। তাতো ঘাম ওলাইছিল। কেইবা মিনিটো সেইদৰে বহি থকাৰ পাচত চাৰপাইখনৰ তলত থকা এটা কাঠৰ বাকচ সি টানি আনিলে। লেম্পটোৰ ফিতা বঢ়াই দি সি বাকচটোৰ সৰু তলাটো কঁকালত থকা চাবিজোকাৰ পৰা এটা সৰু চাবি বিচাৰি উলিয়াই খুলি পেলালে। কাঠৰ বাকচটোৰ ভিতৰতো এটা প্লাষ্টিকৰ বেগ আছিল। সি বেগটোৰ চেইনডালো টানি খুলিলে। তাৰ ভিতৰত এখন ডাঙৰ বহী আছিল। বহীখন সি লুটিয়াই চালে। ঠিক আছে। তাৰ আখৰবোৰ বেয়া হোৱা নাই। প্লাষ্টিকৰ বেগটোৰ ভিতৰত সি বহীখন সযতনে সুমুৱাই বাকচৰ তলা বন্ধ কৰি কাঠৰ বাকচটো বিছনাৰ তললৈ ঠেলি দিলে। লগে লগে আকৌ সি উচাপ্ খাই ...ৰ দৰে থিয় হ'ল। দুৱাৰখনৰ ফালে ঘূৰি চালে।

দুৱাৰৰ হুকটো লগাই আছিল।

বাহিৰত বোধহয় বতাহ দিছিল। গছৰ পাতবোৰত বতাহ লাগি সৰসৰ শব্দ হৈছিল। বতাহ আৰু জোৰেৰে চলিছিল। কিন্তু ডাঙৰ ঘৰটোৰ দুৱাৰ খিৰিকীবোৰতো বন্ধ কৰা আছে! ইমান দুম্‌দাম শব্দ হৈছে কিয়? সি বিছনাখনত কুচিমুচি শুই পৰিল। সেই মাতটো যেন আকৌ তাৰ কাণত পৰিল—"ভোলা এইফালে আহ—ইধাৰ আও।"

॥ দুই ॥

'ভোলা, এইফালে আহ—ইধাৰ আও।'

বহল কোঠালিটোৰ এমূৰৰ পৰা আনটো মূৰলৈ অস্থিৰভাৱে হুইল চেয়াৰখন চলাই মানুহজনে চিঞৰি মাতে। গলগলীয়া অথচ স্পষ্ট মাত। ভালেখিনি দূৰৰ পৰাই সি শুনিবলৈ পায় আৰু তাৰ পৰাই উত্তৰ দিয়ে—জী হুজুৰ, আতা হেয়।

ঘৰটোৰ সোঁমাজৰ হলটোৰ দক্ষিণ ফালে এই কোঠালিটো। আচবাব-পত্ৰ বেছি নাই। এখন ধুনীয়া লিখাপঢ়া কৰা মেজ। তাৰ ওচৰত এখন চকী। আন কেইখনমান চকী বেৰৰ কাষে কাষে পতা আছে। কোঠাটোৰ এটা মূৰে থকা দুৱাৰেদি ৰান্ধনি কোঠালৈ যাব পাৰি। আনটো মূৰৰ দুৱাৰখন শোৱনি কোঠাৰ লগত সং... কোঠাটোৰ আন দুখন দুৱাৰেদি হলটোৰ পৰা তাত সোমাব পৰা যায়।

কোঠালিটোৰ উল্লেখযোগ্য বস্তু হ'ল—বেৰৰ কাষে কাষে লগা 'ৰেক' কেইটা আৰু তাৰ কিতাপবোৰ। বহুত কিতাপ। তাৰে কিছুমান কাৰ্পেটখনত প্ৰায়েই সিচৰতি হৈ পৰি থাকে। সেইবোৰ আকৌ ৰেকত সুমুৱাই থোৱা কামটো ভোলাৰ। লিখা মেজখনৰ ওপৰত এটা ডাঙৰ টেবল লেম্প। মানুহজনে হুইল চেয়াৰখনত বহিয়েই প্ৰায়েই কিবা লিখে। কিছুপৰ লিখাৰ পাচত কেতিয়াবা ম...

মেজত থৈ শুই পৰে। কেতিয়াবা প্ৰবলভাৱে উত্তেজিত হৈ হুইল চেয়াৰখন ঘূৰাই লৈ ফুৰে। তাৰ পাচত বিচাৰে পানী। ভোলাৰ হাতৰ পৰা পানী গিলাচ লৈ ঢক ঢক হৈ গিলি পেলায়। ক্ষন্তেক নীৰৱে থাকি আকৌ লিখিবলৈ লয়। কেতিয়াবা লিখিবলৈ এৰি খোলা খিৰিকীখনেদি বাহিৰৰ ফালে চাই ৰয়। সেইদৰে চাই থাকোঁতে তেওঁৰ চকুৰেদি পানী বাগৰি যায়। চকুপানীবোৰ টপ-টপকৈ মেজত পৰে। তেওঁ মচি নেপেলায়। সিঁচৰতি হৈ থকা কিতাপবোৰ ৰেকত থাক লগাই থওঁতে ভোলাই তেওঁলৈ লক্ষ্য কৰে। তাৰ চকু দুটাও সেমেকি উঠে। এই অকলশৰীয়া মানুহজনৰ প্ৰতি সহানুভূতিত নে তাৰ নিজৰ অৱস্থাৰ কথা ভাবি তাৰ চকুপানী ওলায় সি নিজেই কব নোৱাৰে। শকত-আৱত ধুনীয়া মানুহজন এতিয়া ক্ষীণ, দুৰ্বল হৈ পৰিছে। তেওঁৰ বাওঁফালৰ ভৰিটো অচল হৈ পৰিছিল। তাত সাৰস্থুৰ একো নাই। ডাক্তৰে বহুত চিকিৎসা কৰাৰ পাচত ভৰিটো ভাল কৰাৰ আশা এৰি দিছে। সেই কাৰণেই হুইল চেয়াৰখন লব লগা হৈছে। ডাক্তৰে কৈছিল তেওঁ নাৰ্ছিং হ'ম লৈ যোৱা ভাল। তেওঁক শুশ্ৰূষাৰ আৱশ্যক হৈছে, হঠাৎ চিকিৎসাৰো দৰকাৰ হব পাৰে। কিন্তু তেওঁ ঘৰ এৰি ...লৈ অসন্মত হ'ল। অকলশৰীয়াকৈ থকাটোকে তেওঁ পছন্দ ...ল।

এদিন তেওঁ সুধিছিল, "ভোলা, তোৰ কোনো আপোন মানুহ ...ই নেকি? তই এতিয়া বুঢ়া হৈছ। মোৰ লগত থাকিলে তোক ...ফালে চাব? আমাৰ দুইটাৰ কোনোবা এটা আগতে মৰিব ...াগিব। মই যদি মৰি যাওঁ, তই কি কৰিবি?"

"হুজুৰ, সব ভগৱানৰ কথা।"

"ভগৱানৰ কথা? ভোলা, তই খুব ভগৱানক মান নহয়?"

"জী, হুজুৰ।"

"... তোৰ ভগৱানে তোক কি উপকাৰ কৰিলে কচোন।

তহঁতৰ দৰে মানুহবোৰ ভগৱানৰ কথা কৈ কৈ মৰিবলৈকে জনম লৈছিলি নেকি ?"

"হুজুৰ, ইমান কথা মোৰ মূৰত কোনো দিন নোসোমায়। সংসাৰখন ভগৱানে চলাইছে—এই কথাই জানো।"

তেওঁ ভোলাৰ মূৰৰ পৰা ভৰিলৈকে বহুত পৰ একেৰাহে চাই থাকি হাঁহিছিল। খুব জোৰেৰে হাঁহিছিল। তাৰ পাচত কিবা লিখিবলৈ আৰম্ভ কৰিছিল।

কেতিয়াবা কৈছিল, "ভোলা, মোক তই বহুত দূৰলৈ লৈ যাব পাৰিবিনে ? মোৰ ইয়াত অলপো ভাল লগা নাই। এটা কয়দীৰ দৰে কিমান দিন থাকিম ? মই বৰ দুৰ্বল হৈ পৰিছোঁ, জান।"

"তোৰ মূৰটো কেতিয়াবা বেয়া লাগেনে ? চকুৰে ধূঁৱলিকুঁৱলী দেখনে ? মূৰৰ পিচফালডোখৰ এৰাই যোৱা যেন লাগেনে ? মোৰ চছমাযোৰ বোধহয় বেয়া হৈছে।......

"কিন্তু—এতিয়া চছমা বদলাই লাভ কি ? চকুৰে চোৱাৰ দৰকাৰ নোহোৱা হৈছে। এতিয়া যিমান আন্ধাৰ হয় সিমানেই ভাল। তই যিমান দিন থাক, সিমান দিন আন্ধাৰ হলেও চলি-যাব। ভোলা, এতিয়া কিমান ৰাতি হৈছে ?"

ভোলাই কি উত্তৰ দিব ভাবি নাপাইছিল। কাৰণ ... আগতে মাত্ৰ পুৱা দহ বজাৰ মালগাড়ীখন পাৰ হৈ গৈছিল।

ৰেল লাইনৰ পৰা এমাইলমান দূৰত হলেও ৰেলগাড়ীৰে পাৰ হৈ যোৱাৰ শব্দ ভালকৈ শুনা যায়। ভোলাই এই গাড়ীবোৰ সময় ভালদৰে জানে। সি ঘড়ী চোৱাৰ প্ৰয়োজন বোধ নকৰে। দুপৰীয়া এখন মেইল গাড়ী যায়—তাৰ অলপ পাচতে চাহাবক খান দিব লাগে। ৰাতি ৯ বজাত যোৱা পেচেঞ্জাৰ গাড়ীখনৰ লগে লগেই ৰাতিৰ আহাৰ দিব লাগে। কেতিয়াবা গাড়ীবোৰৰ ভুল হয়, ভোলাই সময়ৰ ভুল নকৰে। কিতাপৰ 'চেল্‌ফ' কেইটাৰ ...

ৱাল ক্লকটোলৈ চালে বুজিব পৰা যাব যে ঠিক সময়তে ভোলাই তাৰ মালিকৰ পৰিচৰ্য্যা আৰু আহাৰৰ ব্যৱস্থা কৰি গৈছে।

আৰু সেই ঘড়ীটো। সেই ঘড়ীটোৱেও সময়ৰ ভুল কৰা নাই। ভোলা আৰু তাৰ চাহাব যিদিনা পোন প্ৰথমে এই ঘৰটোলৈ আহিছিল সেইদিনাই সি ঘড়ীটো দেখিছিল। তেতিয়াৰ পৰা সি একে ঠাইতে আছে। একেদৰে টক্ টক্ কৰি গৈছে। ভোলাই মাত্ৰ প্ৰতি এমাহৰ মূৰে মূৰে তাত চাবি ঘূৰাব লাগে। সি অৱশ্যে এই কামটো নিয়মমতে কৰি গৈছে। চাহাবে কৈছিল, সেইটো বিলাতী ঘড়ী, ছুইজাৰলেণ্ডত তৈয়াৰী। ঘৰৰ আগৰ মালিক বাগিচাৰ চাহাবজনে কিনিছিল।

"ভোলা, আজি টোপনি ধৰা নাই অ'। কিযে হৈছে কব নোৱাৰোঁ।"

বেৰৰ ঘড়ীটোত নিশা বাৰ বজাৰ লগে লগে এটা করুণ সুৰ বাজি উঠিছিল। ঘড়ীটোৰ এইটো এটা বিশেষত্ব। বাৰ বজাৰ সংকেত দিওঁতে যি কেইটা শব্দ হয়, সেই কেইটা লগ লাগি এনে এটা করুণ ধ্বনি হয় যেন কোনোবাই বিননিহে তুলিছে।

"আজিকালি মোৰ মাজে মাজে ভয় লাগে। এনে ভয় আগতে ... না দিনে লগা নাছিল। কিয় বাৰু এনে হৈছে ? মই বৰ বুঢ়া ... ছোঁ নেকি ভোলা ?"

ভোলাই উত্তৰ দিছিল "হুজুৰ, আপোনাৰ কি আৰু বেছি বয়স ...ল ? বৰ বেছি হৈছে যদি ষাঠি বছৰ হৈছে। আমাৰ 'দেছ'ত ষাঠি বছৰীয়া মানুহে হাল বায়, কোদাল চলায়। তিনি চাৰি ক্ৰোশ ৰাস্তা হাঁটে। আপোনাৰ ভৰিৰ কাৰণেতো গণ্ডগোল হৈ গ'ল।"

"নহয়, মোৰ মনটো বুঢ়া হৈ গৈছে ভোলা, এতিয়া তাক ডেকা ... কোনো উপায় নাই। মন ডেকা হৈ থাকিলে বয়সে একো ...

"কেতিয়াবা বৰ অসহায় অনুভৱ কৰোঁ ভোলা।" তেওঁ সেই ঘড়ীটোৰ ফালে চাই কৈছিল।

ভালেখিনি পৰ নীৰৱে থকাৰ পাচত তেওঁ কৈছিল, "এই ঘৰটোৰ দাম তই কিমান বুলি ভাবিছ? খুব সস্তা। পানীৰ দাম। এক একৰ মাটি! এটা বঙলা ঘৰ আৰু তাত থকা আটাইবোৰ বস্তুৰ দাম মাত্ৰ দহ হেজাৰ টকা। সস্তা নহয়?"

"মেকনীল চাহাবে দহ হেজাৰ টকাতে বিক্ৰী কৰিলে। মেকনীল এটা ডাঙৰ কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট আছিল—২৫ খন চাহ বাগিচাৰ কোম্পানী। কোম্পানীৰ বঙলাৰ বাহিৰেও এই বঙলাটো তেওঁ নিজে সজাইছিল। বাগিচাৰ হুলস্থূলৰ পৰা বহুত দূৰৈত। ওচৰৰ ৰেল ষ্টেচনটোলৈও তিনি মাইলমান দূৰ। দক্ষিণলৈ দুমাইলমানৰ পৰা পাহাৰ আৰম্ভ হৈছে। পাহাৰৰ নামনিত আগতে কেইঘৰমান মিকিৰ মানুহ আছিল। এতিয়া গাওঁখনৰ মানুহৰ সংখ্যা বাঢ়িছে। গাওঁখনৰ কাষেদি নেছনেল হাইওৱে হ'ল। ওঠৰ বছৰৰ আগতে অৰণ্যে এই ঘৰটো আজিৰ দৰে সুচল নাছিল। তথাপি দহ হেজাৰ টকা বৰ সস্তা হৈছিল।"

"কণ্ট্ৰেক্টৰ বুলি মেকনীলৰ লগত মোৰ ব্যৱসায়ী সম্পৰ্ক গঢ়ি উঠিছিল। তেওঁ হঠাৎ বৃটেইনলৈ যাবলৈ ওলাল আৰু ঘৰটো মোৰ কিনি লবলৈ ক'লে। ঘৰটো আৰু মাটিডোখৰ মই দেখিছিলোঁ, ... কাৰণে দামৰ বাবে একো আপত্তি নকৰিলোঁ। ভাবিছিলোঁ ... ভিতৰৰ বয়বস্তুবোৰ তেওঁ লৈ যাব নাইবা তেওঁৰ কোম্পানীৰ চাহাব বোৰক দি যাব। কিন্তু তেওঁ তাৰ পৰা একো বস্তু নিনিলে। ভোলা, তইতো মুৰ্গী ঘৰটোত কিমান মুৰ্গী আছে লেখ কৰিছিলি। তোৰ মনত আছেনে কিমান চৰাই আছিল?"

কাৰ্পেটখনত লেপেটা কাঢ়ি বহি থকা ভোলাই উত্তৰ দিছিল, "ঠিক মনত নাই হুজুৰ, ৪০।৪৫ টা হব।"

"আৰু দেখ ফুলনিখন আৰু সৰু পুখুৰীটো কি চমৎকাৰ ...

তই আজিকালি এইবোৰ চাফা কৰি ৰাখিছনে?" তেওঁ ভোলাক প্ৰশ্ন কৰিছিল।

ভোলাই অপৰাধীৰ সুৰত উত্তৰ দিছিল, "কিছু কিছু ৰাখিছোঁ। সব কাম কৰিবলৈ আজিকালি সময় নহয়। কমজোৰভী হৈছোঁ।"

"নাই, নাই নালাগে। তই মোতকৈও বুঢ়া হৈছ, তোৰ সময় নাই। একো চাফ কৰিব নালাগে। ইয়াত হাবি জঙ্ঘল হবলৈ দে। ভূমিকম্পত এদিন এই ঘৰটোও ভাগি পৰিব। মাটিৰ লগত মিলি যাব। মই মৰিম, তয়ো মৰিবি। আমাৰ হাড়বিলাকৰ ওপৰত হুবৰি বন গজিব। তেতিয়া সকলো সমান হৈ যাব। ইয়াত যে এদিন মানুহ আছিল কোনেও কব নোৱাৰিব। ইয়াত যে এদিন ঘৰ-দুৱাৰ আছিল তাৰ কথা সকলোৱে পাহৰি যাব।"

"লেকিন, ছোটা বাবু?"

"ছোটা বাবু? কোন ছোটা বাবু? হুঁ, ছোটা বাবু? ভোলা, ইডিয়ট, তোম বাহাৰ যাও, অভী য়হাঁসে নিকাল যাও,—বাহিৰ হৈ যা, ওলাই যা।" তেওঁ উত্তেজিত হৈ হুইল চেয়াৰখন কোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ কেইবাবাৰো ঘুৰাই লৈ ফুৰিছিল। আৰু এটা সময়ত অৱশ হৈ পৰিছিল। তেতিয়া তেওঁ সৰুকৈ মাতিছিল,— "ভোলা, পানী।"

... ভোলাই এগিলাচ পানী তেওঁৰ মুখৰ আগত ধৰিছিল। তেওঁ সময়... কমান খাই মূৰটো লৰাই গিলাচটো আঁতৰাই নিয়াৰ হৈ তাৰ দিছিল। ভোলাই মেজৰ ওপৰৰ পৰা এখন বাতৰি কাগজ হৈ তেওঁৰ মূৰটো বিচি দিছিল। মানুহজনে হুইল চেয়াৰখনতে লগ... জি শুই পৰিছিল।

কি...

ত... শকত-আৱত মানুহজন লাহে লাহে খীণাই গৈছিল। খোৱা-বখ... ত দিনে দিনে মন নোহোৱা হৈ গৈছিল। ব্ৰেকফাষ্টত তিনিটা পৰি উৎপ...নী, আধা সেৰ গাখীৰ খোৱা মানুহজনে আধা পোৱা

গাখীৰ খাব নোৱাৰা হৈছিল। জোৰকৈ এটা কণী খাইছিল। পুৰি ভাজি বা মাখন রুটিৰ প্লেট ঠেলি আঁতৰাই দিছিল।

ভোলাই সুধিছিল, "কিবা খাৰাপ হৈছে হুজুৰ?"

"নাই ভোলা, খাবৰ মন নাযায়। ডিঙিৰ সিফাললৈ একো বস্তুৱে যাব নোখোজে।"

"হুজুৰ, ডাক্তৰ চাহাবক খবৰ দিম নেকি?"

"ওহোঁ, কোনো দৰকাৰ নাই, ভোলা। ডাক্তৰে মৰা মানুহ বচাব নোৱাৰে। তেনে ডাক্তৰ এতিয়ালৈকে পৃথিৱীত ওলোৱা নাই।"

"কিন্তু, ডাক্তৰ খোদ আজি কালিৰ ভিতৰতে আহিব। সিদিনা তেওঁ কৈ গৈছিল।"

"তই আজিয়েই তেওঁক লগ ধৰি কৈ দিবি, তেওঁ আহিব নালাগে। কবি, মই ভালে আছোঁ। আগতকৈ বহুত ভাল পাইছোঁ।"

ভোলাই মূৰ দুপিয়াই শলাগে—জী হুজুৰ।

হুইল চেয়াৰখনৰ চকা কেইটা ঘূৰাই দিয়াৰ শক্তিও যেন তেওঁ হেৰুৱাই পেলাইছিল। শেষত সকলো কামতে ভোলাৰ ওপৰতে তেওঁ নিৰ্ভৰ কৰিব লগা হৈছিল।

সেইদিনা মানুহজনক বাহিৰৰ বাৰাণ্ডাত থকা আৰামী[illegible] খনত ভোলাই বহুৱাই দিছিল। আহিন মাহৰ কোমল [illegible] নেটৰ বেৰখন পাৰহৈ তেওঁৰ গাত পৰিছিল। বতৰটো বেছ ফৰ[illegible] আছিল। ভোলাই চেৰী ফুল এজোপাৰ তলখন মুকলি কৰিছি[illegible] তাৰ কোৰখন বাৰে বাৰে এডাল লোৰ মাৰিত লগাত খটং [illegible] শব্দ হৈছিল। মানুহজনে সেই ফালে চাই উত্তেজিত হৈ ভো[illegible] মাতিছিল, "ভোলা, ইধাৰ আও। ভোলাই কোৰ মাৰিবলৈ [illegible] তেওঁৰ ওচৰলৈ দৌৰি আহিছিল। সি সুধিছিল, "হুজুৰ কুছ [illegible] ইতিমধ্যে কিছু শান্ত হৈ পৰিছিল আৰু এটা [illegible]

কৈছিল, "এইবিলাক চাফা কৰি কিয় ইমান কষ্ট কৰিব লাগে? তয়োতো বুঢ়া হৈছ ভোলা!"

কিছু সময় আকাশৰ ফালে চাই তেওঁ কৈছিল, "মেকনীল চাহাবে ইমান সস্তা দামত মোক ঘৰ মাটি কিয় বিক্ৰী কৰিছিল জান? ওহোঁ, তই নাজান, তই কেনেকৈ জানিবি? জানে ৰহধলা বাগিচাৰ ৰামনাথ চৰ্দ্দাৰে। ৰামনাথ চৰ্দ্দাৰ এতিয়া মৰি ভূত হৈ গৈছে। এতিয়া মোৰ বাহিৰে এই ঠাইৰ আন কোনেও এই কথা নাজানে।

ৰামনাথ চাৰ্দ্দাৰহঁতে মোক জানে। মই সিহঁতৰ বাগিচাত ৰেচন ছাপ্লাই কৰোঁ—মোক বৰ ধনী মানুহ বুলি মান কৰে সিহঁতে। মোৰ পৰা সিহঁতে মাজে সময়ে টকা পইচা পাইছিল।

এই ঘৰটো কিনি লোৱাৰ পাচত এদিন ষ্টেচনত ৰামনাথে মোক লগ পালে। সি হেনো মোক লগ ধৰিবলৈকে ইয়ালৈ আহিছিল। মোৰ লগত বৰ দৰকাৰী কথা আছে বুলি ক'লে।

সি জৰুৰী কথাটো মোক ক'লে আৰু তাৰ সাংসাৰিক অভিজ্ঞতাৰ পৰা এটা বিপদৰ হাত সাৰিবলৈ পৰামৰ্শও দিলে।

আমি আন্ধাৰ হোৱাৰ লগে লগে বঙলা পালোঁহি। তোক কিবা কামত ষ্টেচনৰ ওচৰৰ দোকানলৈ পঠাই দি আমি দুইটাই [illegible]লাগিলোঁ।

[illegible]মনাথে কোৱামতেই পালোঁ। ডাঙৰ হলটোৰ লগ লগা [illegible]লৰ এটা মাটিৰ তলৰ কোঠাত কিছুমান পুৰণা কম্বলেৰে [illegible]আছিল। সেইটো কোঠালিত অদৰকাৰী বস্তু ৰখা হয়। তাতে [illegible]ছিল কফিনটো। অলপ অলপ গোন্ধ ওলাইছিল। সময় খৰচ [illegible]ৱাকৈ কামটো শেষ কৰিবৰ কাৰণে চেৰী ফুলজোপাৰ তলতে [illegible] গাঁত খান্দিছিলোঁ। আন ভাল ঠাই বাছি উলিয়াবলৈ সময় [illegible]হল। দ গাঁতটোত কফিনটো পুতি পেলাওঁতে গজাল কেইটামান [illegible]ৰাকৈলৈ বৰ ইচ্ছা হ'ল। ৰামনাথে কৈছিল—এজনী বেয়া মাইকী [illegible] [illegible]কনিখনৰ কেইটামান গজাল খুলি ভিতৰৰ

শটোৰ মুখখন দেখিলোঁ।...তাৰ পাচৰ কামখিনি, অকল ৰামনাথেই কৰিব লগা হৈছিল।

সি কৈছিল, মোৰ মনটো বৰ কোমল। মই চিকাৰ-তিকাৰ কি ৰকম কৰোঁ সি সুধিছিল। ময়ো নিজক সুধি চাইছিলোঁ—মই চৰাই পছু কেনেকৈ গুলী কৰোঁ।

তেওঁ বহুতপৰ আকাশৰ ফালে চাই কৈছিল্। এইখিনি কথা কোৱাৰ পাচত তেওঁ আৰু দুৰ্বল হৈ পৰিছিল। তেওঁ কৈছিল—

ভোলা, তোৰ কাণৰ কাষত বিষ হয়নে? চকু দুটা ভিতৰলৈ আৰু সোমাই যোৱা যেন লাগেনে? ভৰি হাতৰ গাঠিবোৰ ছিগি যোৱা যেন পাৱনে?......

ৰামনাথ চৰ্দ্দাৰে ঠিক ধৰিছিল। দুদিন পাচত পুলিচ আহিছিল। মেকনীল চাহাবৰ কিবা কেচ এটাৰ তদন্ত কৰিবলৈ। গোটেই ঘৰটো পুলিচ ইন্সপেক্টৰজনে ঘূৰি পকি চালে। তাৰ পাচত মোৰ লগত বহি এক পেগ হুইস্কী খাই গুচি গ'ল।

কফিনটো এতিয়াও তাতে আছে ভোলা কিন্তু এতিয়া খান্দিবৰ দৰকাৰ নাই।"

তেওঁ ঘন ঘনকৈ উশাহ লৈছিল। ভোলাই হুইল চেয়াৰখন তেওঁৰ ওচৰলৈ আনিছিল। সি তেওঁক ভিতৰলৈ লৈ যাব খুজি[illegible] সি অনুভৱ কৰিছিল চাহাবৰ পুৰণি কথা মনত পৰিছে। পুৰ[illegible] মনত পেলাই চাহাবে চকুপানী বোৱাই দিয়া সি আজিকালি [illegible] লক্ষ্য কৰে। তাৰ খুব বেয়া লাগে। এই সময়ত চাহাবে বে[illegible] কৰা বৰ অনিষ্টকৰ। তেওঁৰ মনটো খুছী কৰি ৰাখিব পাৰিলে ভা[illegible] ডাক্তৰে তাক সেই কথাকে কৈছিল। সেই কাৰণে সি তে[illegible] ভিতৰলৈ নিব খুজিছিল আৰু তেওঁৰ ওচৰ চাপি লাহেকৈ কৈ[illegible] "হুজুৰ ভিতৰত লৈ যাম?"

মানুহজনে কিছু স্থিৰ হৈ কৈছিল--নালাগে, ভোলা [illegible] মোৰ ভাল লাগিছে। ভিতৰত বৰ অ[illegible]

নেদেখোঁ। আন্ধাৰবোৰে মোক গিলি ধৰে। মই উশাহ নোপোৱা হৈ যাওঁ।

"ভোলা, ইয়াত যে মানুহবোৰে নাচ গান কৰিছিল। সেইবিলাক তোৰ মনত আছেনে?"

ভোলাই উত্তৰ দিছিল, "কিছু কিছু—"

"মোৰো ঠিক মনত নাই। বহুত গান—বহুত মানুহ—বহুত দিন। সেইবোৰ যেন বতাহৰ বুকুত হেৰাই গৈছে।

তথাপি এটা গান আজিও মনত পৰে—'ঝুম আয়ে বদৰিয়া... ।" মীৰা বাঈকী মল্লাৰ ৰাগৰ গান। কোনে গাইছিল জান—সৰস্বতী বাঈয়ে। ওস্তাদ বিলায়ৎ হুছেইন খানৰ শিষ্যা। আগ্ৰা ঘৰাণাৰ নামকৰা গায়িকা।"

তেওঁ গুণগুণাই গাব খুজিছিল—

"ঝুম আয়ে বদৰিয়া—" কিন্তু তেওঁৰ কণ্ঠৰ পৰা ওলোৱা মাতৰ অসহযোগিতালৈ লক্ষ্য কৰি সেই প্ৰচেষ্টা এৰি পেলাইছিল। কেৱল মাত্ৰ গাইছিল "ঝুম আয়ে...... ।"

[illegible]
সময়[illegible]
হৈ তাৰ [illegible]
হৈ [illegible]
লগা[illegible]
ক[illegible]ন্দ
তাতয়[illegible]
[illegible]
[illegible]ৰাকা[illegible]
পৰি উৎপ[illegible]

॥ তিনি ॥

"ঝুম আয়ে বদৰিয়া…"

ভোলাৰ মনত পৰিছিল। ৰেলষ্টেচনত চাৰিজনীয়া দলটোক সিয়ে প্ৰথমে আদৰিছিল। তেওঁলোকৰ বয়বস্তুবোৰ সিয়ে গাড়ীত ভৰাই দিছিল। দুজন পুৰুষ, দুগৰাকী তিৰোতা। মতা দুজনৰ এজন যথেষ্ট বয়সীয়া, বোধহয় ষাঠিৰ ওচৰ চাপিছিল—আনজনৰ বয়স কিছু কম, তথাপি চল্লিছৰ কম নহয়। তিৰোতা দুগৰাকীৰ এগৰাকী বয়সীয়া—৫০ বছৰৰ ইফালে বা সিফালে। আন গৰাকী গাভৰু। খুব কম বয়সৰ নহলেও ধুনীয়া গাভৰু। গাখীৰত আলতা মিহলোৱা ৰং, তিলফুলৰ দৰে নাক, এযোৰ ধুনীয়া নীলা চকু, লাহি গ[illegible]টাৰ ধুনীয়া বাওঁহাতৰ আঙুলিত এটা হীৰা পতোৱা আঙঠি জিলি[illegible] ভোলাই জীৱনত সেই এজনী ধুনীয়া ছোৱালী দেখিছিল। [illegible]ৰ হৈ গৈছিল—সি স্বপ্ন দেখিছেনে কি? ইমান ধুনীয়া মানুহো [illegible]ৰ পাৰেনে? এটা বয়সত সি তাৰ গাঁৱত এজনী ধুনীয়া ছো[illegible] দেখিছিল। তাইৰো এযোৰ হাঁহি থকা চকু আছিল, পা[illegible]তে আছিল, ডালিমগুটিৰ দৰে সৰু সৰু দাঁত আৰু হাঁহি মাৰিলে [illegible]কা পৰি যোৱা গাল দুখনৰে এখন মৰম লগা মুখ আছিল। তাই[illegible] টকা কমাবলৈ সি অসমলৈ আহিছিল। [illegible]তাৰ হাতত যে[illegible] জমা হৈছিল তেতিয়া তাই হে[illegible]ৰ গৈছিল।

কিন্তু এইজনী গাভৰুতো মানুহ নহয়, দেৱী!

এই ঘৰটোত সি বহুত 'বৈঠকী' দেখিছে। আহল-বহল হল ঘৰটোৰ এখন বেৰৰ কাষত এতিয়াও 'গদী' আৰু 'তকিয়া' আছে। সেইবোৰত অৱশ্যে ধূলি জমিছে। গদী আৰু তকিয়াৰ ধকধকীয়া বগা ৰংটোও নোহোৱা হৈছে।

দুৰ্গাপূজাৰ এমাহমানৰ আগৰ পৰা দেৱালীৰ এমাহমান পাচলৈকে প্ৰায় প্ৰতি সপ্তাহতে বৈঠকী বহে। চুৰিদাৰ পায়জামা, আৰু বগা লক্ষ্ণৌৰী আচকণ পিন্ধা গাৱৈয়া, 'বজৈয়া' আহি সন্ধ্যা পৰত ঘৰত জমা হয়। ধ্ৰুপদ, ধামাৰ, খেয়াল, টপ্পা, ঠুংৰী গাই এইবোৰ মানুহে এটা নিশা পাৰ কৰি দিয়ে। এই আলহীবিলাকক শুশ্ৰূষা কৰিবলৈ তেতিয়া কাম কৰা মানুহো আছিল কেইবাটাও। সৰবত, পাণ, পৰাঠা, কালিয়া, কোপ্তা, কাবাব আৰু বিলাতী শৰাব বিধে বিধে তেওঁলোকক যোগান ধৰিব লগা হৈছিল। সেই বৈঠকৰ দিনবোৰ ভোলাৰ কাৰণে বৰ আনন্দৰ আছিল। সি একাষত বহি মিঠাপত্তী, ছিংগাপুৰী চুপাৰি, লক্ষ্ণৌৰী কিমাম আৰু বানাৰচী জৰ্দ্দা দি পাণ তৈয়াৰ কৰাৰ লগে লগে গান শুনিবলৈ পাইছিল।

দুটা তানপুৰা, এযোৰ তবলা, এখন হাৰমনিয়াম আৰু এটা [illegible]ছিল। [illegible]তিয়াও সৰু কোঠালি এটাত পৰি আছে। সেইবোৰ [illegible] ছোৱালী[illegible]কি চাবলৈকো এতিয়া কোনো নাই। চাহাবে নিজে সময়[illegible] বজাইছিল। ময়দাৰ লেপখিনি ভোলাই দিছিল। সেই [illegible]হে তাৰ 'মি[illegible] এই মজলিছবোৰৰ বহুত কথাই জানে। বহুত কথা তাৰ হৈ [illegible]ছে।

"বা[illegible] লগ[illegible] [illegible]বন্দৰ স[illegible]কুঁ সজনী আয়ে না বালম" ঠুংৰী দৰদভৰা কণ্ঠেৰে গোৱা কা[illegible] তাতয়া [illegible]ৰে। সেই সুৰ শুনি কেতিয়াবা তাৰ টোপনি আহি যায়। [illegible]ন্দ খলু খলু যায়' ঠুংৰী শুনি বহুত দিন তাৰ ৰামলীলা পাৰ্টিলৈ [illegible] [illegible]কা[illegible] [illegible] সি ৰামলীলা দলতো আছিল। সি পৰি উৎপ[illegible] [illegible]ৰণৰ আগত গোৱা গানটোৰ সুৰো প্ৰায় একেই

আছিল। সেই কাৰণে সি মাজে মাজে কোনেও নুশুনাকৈ 'বা—জু বন্দ খলু খলু যায়'ৰ সুৰটো আনিবলৈ চেষ্টা কৰিছিল।

কিন্তু—

সি জীৱনত সেইয়া আচল গীত শুনিছিল।

'সমঝ ন আয়ে,

ক্যা কৰুঁ, ক্যা কৰুঁ

বতায়ে সখী'—

সেই 'গদী'ত বহিছিল—তবলচী,—তবলাঁযোৰ তেওঁলোকৰ নিজা। বাঁয়াটো দেখিলে ৰূপৰ যেন লাগে। বেলৱাৰী ঝাৰ লণ্ঠনৰ পোহৰত চিকমিকাই উঠিছিল। ডেকা বুলি ঠিক কব নোৱাৰিলেও তেওঁৰ বয়স সাৰেঙ্গী বজোৱা বুঢ়াজনতকৈ বহুত কম। সাৰেঙ্গী বজোৱাজনৰ কাৰণে দহ পোন্ধৰ মিনিটৰ পাচে পাচে একোখন পাণ লাগে। বয়সীয়া তিৰোতা গৰাকীয়েই পাণ তৈয়াৰ কৰিছিল।

আৰু গাইছিল—

সৰস্বতী বাঈয়ে। আগ্ৰাৰ নামজ্বলা বাঈজী। এডাল দীঘল বেণী, কামিজ, আৰু দোপাট্টা, কপালত এটা জিলমিলাই থকা টিপ। তানপুৰাটো তেওঁ নিজেই বজাইছিল। [illegible]াহি গ[illegible]টাৰ

চাহাবে 'তকিয়া'ত হেলান দি গান শুনিছিল [illegible] বৈঠকীৰ দৰে বাহিৰৰ কোনো 'ভদ্ৰলোগ' সমঝদাৰ না[illegible] নিৰলে শুনিছিল আৰু গানৰ সুৰত উত্তেজিত হৈ 'তাৰিফ' [illegible] মাজে মাজে বহাৰ পৰা উঠি গৈ কাষৰৰ কোঠাত সোমা[illegible]য়া [illegible] কিছু সময়ৰ পাচত হাঁহিমুখীয়া হৈ ওলাই আহিছিল। [illegible], পা[illegible]

সেয়া আছিল—প্ৰথম দিন। [illegible]

তাৰ পাচত আৰু বহুত দিন পাৰ হৈ গৈছিল। এই [illegible] মানুহ পৰিয়ালৰ ভিতৰৰে হৈ পৰিছি[illegible]াৰ হাত [illegible] দিনত কাৰবাৰতো বেছি ম[illegible]যোগ দিয়া না[illegible]

কাঠৰ অভাৱত দুই তিনি দিন বন্ধ হৈ গৈছিল। তথাপি তেওঁ আগৰ দৰে নিজে ওলাই যোৱা নাছিল। তেওঁ নিজে থাকিলে ফৰেষ্ট অফিচাৰে যিমান সোনকালে কাঠ 'পাছ' কৰি দিয়ে, মেনেজাৰে 'দফে দফে' অনুৰোধ কৰিলেও আহিব নোখোজে—সেই কথা তেওঁ জানে। কিন্তু তেওঁ মিললৈ যাবলৈ মন নকৰিছিল।

সৰস্বতীক লৈ ফুলনি বাৰীৰ মাজত বহিছিল। তাইক সৰু পুখুৰীটোত থকা মাছবোৰ দেখুৱাইছিল। ওখ তামোল গছ কেইজোপাত বগাই ফুৰা কেৰ্কেটুৱাটোলৈ চাই দুয়ো হাঁহিছিল। কিতাপেৰে ভৰি থকা কোঠালিত বহি সৰস্বতীয়ে 'ইংলিচ' কিতাপৰ ছবি চাইছিল আৰু চাহাবে তাই বহা চকীত ভেজা দি তাইৰ কাণৰ ওচৰত মুখ ৰাখি ছবিৰ কথা বুজাই দিছিল। কফি দিবলৈ আহি ভোলাই লক্ষ্য কৰিছিল সেই শকত কিতাপখনৰ ছবিবোৰৰ বেছিভাগেই কাপোৰ-কানি নিপিন্ধা তিৰোতা আৰু মতা মানুহৰ ছবি। তেনে এজনী তিৰোতাৰ ছবিৰ দৰে এটা বগা মাৰ্বল পাথৰৰ মূৰ্ত্তি সমুখৰ ড্ৰয়িং 'কামৰা'তো আছে।

কেতিয়াবা চাহাবে সৰস্বতীক লৈ ফুৰিবলৈ গৈছিল। টাউনৰ পৰা ফাৰ্ষ্টক্লাছ গাড়ী অনাইছিল। চাহাবৰ জীপ গাড়ীত উঠি দলৰ [illegible]ছিল। তে[illegible] ওচৰৰ চাহ বাগানবোৰত ফুৰিছিল। গোটেই [illegible] ছো[illegible]ৱাল[illegible]ক আৰাম কৰা যেন লাগিছিল। তেওঁলোকে ঘৰত সময়[illegible] সম্ভৱ[illegible]ধহয় বেছি ভালকৈহে আছিল।

[illegible]হে তাৰ 'মিষ্টি[illegible]হাব কিবা কামত বাহিৰলৈ ওলাই গৈছিল। সৰস্বতী হৈ[illegible] "বা[illegible]া মানুহ গৰাকীয়ে ফুল বাগানত দুখন চকীত বহি কথা লগা[illegible] [illegible]অলপ দূৰত ভোলাই ফুল কেইজোপামানৰ গুৰি কা[illegible] [illegible]ঠিক ভোলালৈ তেওঁলোকে লক্ষ্য কৰা নাছিল।

[illegible]তিৰোতা গৰাকীয়ে কৈছিল—

[illegible]বাকাপ[illegible] কৰিলে মোৰ নাক কটা যাব। মই [illegible]বি উৎপ[illegible]নিহৰ নোৱাৰিম। [illegible]মি সোনকালে যাওঁ ব'ল।"

সৰস্বতীয়ে কিছুপৰ মনে মনে থাকি উত্তৰ দিছিল—

"মাহী, ময়ো সদায় ভাবোঁ, আমি উভতি যাব লাগে। এয়া এক মাহৰ বেছি দিন হ'ল। কিন্তু, মোৰ মনে নামানে মাহী। মই ইয়াৰ পৰা গ'লে মোৰ জিন্দগী বৰ্বাদ হৈ যাব।"

"তাৰ মানে ?"

"আচল কথাই কৈছোঁ। মই আৰু আগ্ৰালৈ উভতি যাব খোজা নাই। তাত গৈ বহুত মানুহক তামচা দেখুৱাবলৈ ইচ্ছা নোহোৱা হৈছে।"

"তেন্তে কি কৰিবি, ঘৰ-সংসাৰ কৰিবি ?"

"ভাবিছোঁ—তাকেই" সৰস্বতীয়ে সৰু মাতেৰে উত্তৰ দিছিল।

তিৰোতা গৰাকী উত্তেজিত হৈ পৰিছিল। তেওঁ কৈছিল—"ভুল সৰস্বতী, তোৰ মস্ত ভুল হৈছে। তই যি ঘৰত জন্ম লৈছ, সেই ঘৰৰ মানুহে কোনোদিন গৃহস্থী হৈ শান্তি পোৱা নাই। আমাৰ নাচ-গান কৰা মানুহক আনবোৰে ভাল চকুৰে নাচায়। সিহঁতে আমাৰ গান, আমাৰ ৰূপৰ প্ৰশংসা কৰে, কিন্তু আমাৰ ভিতৰৰ মানুহজনীক কোনেও চাব নোখোজে। আমাৰ মনৰ আশা, ইচ্ছা-অনিচ্ছাৰ খবৰ নলয়। তোৰ ৰূপ যিমান দিনলৈকে থাকিব, তই যিমান দিনলৈকে গাব পাৰিবি, সিমান দিনলৈ সকলোৰে মৰম পাবি [illegible]হি গ[illegible]টাৰ তোৰ ৰূপ হেৰাই যাব, 'গলা'ত সুৰ নোহোৱা হ[illegible] জিলি[illegible] আয়নাৰ ভঙা পিয়লা হৈ পৰিবি। এদিন যি মানুহে [illegible] লগাই ছৰবত পিব, সিয়ে তোক আন এদিন নৰ্দ্দমাত [illegible]হো[illegible]ৰ

"কিন্তু মাহী, মহব্বতৰতো এটা মূল্য আছে!" [illegible]য়া ছো[illegible]

"মহব্বত ? 'সব ফিজুল বাত' সৰস্বতী। স্ব[illegible], পা[illegible] পূৰাবলৈ মানুহে মহব্বতৰ নাম লয়। এজনী কাণী [illegible]ৰিে[illegible] কোনোবাই 'মহব্বত' কৰা দেখিছ ? কিন্তু ধুনীয়া [illegible] এই [illegible] মহব্বত কৰিবলৈ ডেকা বুঢ়াৰ অভাৱ নাই', [illegible]ৰ হাত[illegible]

"মই যে 'জবান' দিছোঁ" স[illegible]ৰতীয়ে গলগলী[illegible]

"কোনো কথা নাই। পুৰুষক জৱান দিয়া আৰু চকুত 'সুৰমা' লগোৱা একে কথা। চকুত 'সুৰমা' সদায় লাগি নাথাকে। পুৰুষক জবান দিলেও সি দুদিনতে নোহোৱা হয়।

"সৰস্বতী, তোৰ মাৰে মোক বৰ আশাৰে তোক সঁপি দি গৈছে। তেওঁ যি ভুল কৰিলে, তই যাতে সেই ভুল নকৰ, তাক চাবলৈ মোক দায়িত্ব দি গৈছে।...... মই জানো। এই মানুহজন বৰ ভাল। তেওঁ গান-বাজনাৰ 'কদৰ' জানে। কিন্তু হাজাৰ হলেও তেওঁ 'মৰ্দ'। তেওঁও আন মৰদ মানুহৰ দৰেই তোক, মোক আৰু আটাইবোৰ মাইকী মানুহক 'খিলৌনা' বুলি ভাবে। তই বোধহয় নাজান, তেওঁৰ এটা স্কুলত পঢ়া ল'ৰা আছে।" মানুহ গৰাকীয়ে কথাখিনি কৈ মনে মনে ৰৈছিল।

চাহাবৰ জীপ গাড়ীৰ হৰ্ণ শুনি গেট খুলি দিবলৈ ভোলা উঠি গৈছিল।

ইয়াৰ তিনি দিন পাচত আকৌ হলঘৰত গানৰ মজলিছ বহিছিল। এই মজলিছৰ বাবে যথেষ্ট আয়োজনো কৰা হৈছিল। সৰস্বতী [illegible] ধৰি তেওঁৰ গোটেই দলটোৰ মুখত আগৰ দৰে আনন্দ [illegible]ছিল। তো[illegible]ৱৰ মনৰ কোনো পৰিবৰ্তন হোৱা নাছিল। তেওঁ [illegible] ছোৱালীক [illegible]ঘনকৈ কাষৰ কোঠালিত সোমাই গ্লাছৰ পাচত গ্লাছ সময়[illegible]জত[illegible]ছিল। সেইদিনা সৰস্বতী বাঈয়ে গাইছিল—

হৈ তাৰ 'মিষ্টি[illegible]

"ঝুম আয়ে বদৰিয়া—"

হৈ [illegible]ছিল

"বা[illegible] লগ[illegible]ৰেত[illegible]তো পানী বিৰিঙি উঠিছিল! গানটো ইমান দৰদ ক[illegible]ন্দৰ স[illegible]াইছিল যে আজিও ভোলা আৰু চাহাব দুয়োৰে মনত [illegible]ঠিক

তাতয়া গো[illegible]

[illegible]তেওঁলোক গ'লগৈ। ভোলাই আকৌ তেওঁলোকক [illegible]বাকাপানী [illegible]লৈ। গাড়ীত উঠি সৰস্বতী বাঈয়ে ৰুমালেৰে পৰি উৎপ[illegible] [illegible]মি[illegible] ভোলাই মনে মনে ভাবিছিল—সৰস্বতী

আদবয়সীয়া চাহাবৰ প্ৰেমত পৰিছিল নে তেওঁৰ সম্পত্তিৰ মোহত পৰিছিল ? সৰস্বতীয়ে বোধহয় বুজিছিল যে এদিন তাইৰ গাল মুখ শুকাই যাব, তাইৰ ডিঙিৰ মাতো ভাগি পৰিব। সেইদিনা তাইক আদৰ কৰিবলৈ, তাইক প্ৰশংসা কৰিবলৈ কোনো নাথাকিব। সেই কাৰণেই হয়তো তাই অকণমান আশ্ৰয়ৰ স্থল বিচাৰিছিল। কিন্তু সি হৈ নুঠিল আৰু সেয়ে তাই চকুলো টুকিছিল।

ঘৰলৈ ঘূৰি আহি ভোলাই তাৰ চাহাবৰ মনত একো অস্বাভাৱিকতা দেখিবলৈ পোৱা নাছিল। তেওঁ আগৰ দৰেই মুৰ্গী-বিলাকক দানা দিছিল, গিনীপিগ কেইটাক ঘাঁহ খুৱাইছিল।

ভোলাই কৈছিল—"হুজুৰ, তেওঁলোকক গাড়ীত তুলি দি আহিলোঁ।"

"ভাল জাগা পাইছেনে ? বহুত দূৰ বাট। ভালদৰে বহি শুই যাবলৈ নাপালে বহুত কষ্ট পাব।"

"সৰস্বতী বাঈয়ে দুখ কৰিছিল," সি অলপ নৰম সুৰত কথাষাৰ কৈছিল।

তেওঁ হাঁহিছিল।

"সব ঔৰৎ এক ডালকে পঞ্চী, ভোলা।" অলপ বৈ [illegible]ছিল—"তই কেতিয়াবা তিৰোতাৰ চকুপানী দেখি[illegible]াহি গ[illegible]তাৰ [illegible] নাই দেখা যদি ভাল কথা। আৰু যদি কেতিয়াবা দে[illegible] ভুল নকৰিবি। মেজাজ ঠাণ্ডা কৰি কথাবোৰ ভাবি ল[illegible] কথাই গণ্ডগোল হৈ যাব।"

ভোলাই শলাগিছিল, "জী, হুজুৰ।"

চাৰপাইখনত কুচিমুচি পৰি থকা ভোলাৰ চকু[illegible] আগৰ ছবি এখন ভাহি উঠিছিল। তিনি [illegible] ভোলাৰ পুৰণি মনটোত কিয় ডেৰ [illegible] ভুমুকি মাৰিছিল, সি নিজেই কব নোৱাৰা হৈছি[illegible]

মাকৈ 'খেত' নিৰাই থাকি মহুৱা গছৰ ছাঁত জিৰণি লওঁতে তায়ো চকুত এসোপা পানী লৈ ভোলাক কৈছিল—

"তু ৱাপস ন অইব তো হম জিন্দা ন ৰহব"—

ভোলাৰ বুকুখন চিৰিং কৰি উঠিছিল। যুদ্ধৰ দিন—কোন ক'ত মৰে তাৰ কি ঠিক আছে। সি হয়তো উভতি নাহিবও পাৰে। তথাপি জোৰেৰে হাঁহি এটা মাৰি কৈছিল—

"দূৰ পগলী কঁহীকা, তোহৰ বিনা হম্ অকেলা কঁহা ৰহ সকব ?"

সঁচা কথা ; সি বাসন্তীক এৰি পৃথিবীৰ ক'তো থাকিব নোৱাৰে। তাইক সদায় কাষত ৰাখিবৰ কাৰণেই সি 'টকা কৰিব' লগা হৈছিল আৰু তাৰবাবেই 'পূবৰ দেশ'লৈ আহিব লগাত পৰিছিল।

কিন্তু মণিপুৰ ৰোডৰ পৰা সি যেতিয়া, তাৰ বাপদাদাই জনমত নেদেখা টকা কমৰত বান্ধি লৈ তাৰ সীতাপুৰ গাওঁ ওলাইছিলগৈ, তেতিয়াতো বাসন্তী নামৰ ধুনীয়া ছোৱালীজনী তাৰ কাৰণে বৈ থকা নাছিল। তাই কোলাত এটা কেচুৱা লৈ ওচৰৰ গাওঁখনৰ পৰা মাকৰ ঘৰলৈ অহা সি নিজে দেখিছিল।

বিহাৰৰ সীতাপুৰ গাৱঁৰ মায়া সি বহুত দিনৰ আগতে এৰি পেলা[illegible] আজিকালি বহুত কথা তাৰ মনত নপৰে।

॥ চাৰি ॥

"ভোলা, আজিকালি বহুত কথাই মোৰ মনত নপৰে," লাহে লাহে শুকাই-খীণাই যোৱা মানুহজনে মেজৰ ওপৰত কলমটো পেলাই দি হতাশভাৱে কৈছিল।

তেওঁৰ লিখাৰ গতি অতি ধীৰ হৈ আহিছিল। এটা সময়ত তেওঁ প্ৰতিদিনে ৩।৪ পৃষ্ঠালৈকে লিখিছিল, কিন্তু শেষলৈ আধা পৃষ্ঠাও লিখিব নোৱাৰা হ'লগৈ।

ভোলাই এদিন অতি বিনীতভাৱে অনুৰোধ জনাইছিল, "হুজুৰ, এইবিলাক কষ্ট কৰি লিখি কি লাভ? অলপ আৰাম [illegible] শৰীৰ ভাল পাব।"

তেওঁ কৈছিল, "তই ঠিকেই কৈছ ভোলা। এইবো[illegible] লাভ? এইবোৰ হয়তো কাৰো কোনো কামত নাহি[illegible] মই যে লিখিব লাগিব। এইবোৰ লিখিয়েই মই আৰ[illegible] এতিয়া আৰু মোৰ বেলেগ আৰামৰ দ[illegible]কাৰ নাই ভো[illegible] ভাল কৰাৰ সময় পাৰ হৈ গৈছে।"

ভোলাৰ মনৰ কোনোবাখিনিত বৰ আঘাত লা[illegible] ভাবিছিল হয়তো এই মানুহজন আৰু সৰহদিন [illegible] এই [illegible] তাৰ পাচত কি হ'ব? এই প্ৰকাণ্ড ঘৰবা[illegible] তাৰ হাত [illegible] ইমানবোৰ বয়বস্তু।

চাহাবে এদিন ছোটা বাবুৰ কথা কৈছিল। তাৰ বয়স ২০ বছৰমান হৈছে। সি এদিন আহিব। কিন্তু সেই ছোটা বাবু ক'ত থাকে, কি কৰে ভোলাই একো নাজানে। জানিবৰ কোনো উপায় নাছিল। চাহাবে এই অহা খবৰটোৰ বাহিৰে ভোলাক আন একো কথাকে কোৱা নাছিল। ভোলাই ছোটা বাবুৰ বিষয়ে আৰু কেইবাদিনো জানিবৰ ইচ্ছা কৰিছিল। কিন্তু সেই নাম উচ্চাৰণ কৰিলেই তাৰ চাহাবে হয় আন কথা উলিয়াইছিল, নহয় ভোলাক ধমক দিছিল। সি বুজিছিল—এই গোটেই কথাবোৰৰে কিবা ৰহস্য আছে।

ভোলাই লক্ষ্য কৰিছিল চাহাবৰ ঘৰলৈ কোনো আপোন মানুহ অহা নাছিল। যিবোৰ মানুহ আহিছিল সেইবোৰৰ লগত চাহাবৰ কাৰবাৰৰ সম্বন্ধহে আছিল। তেওঁলোকৰ বহুতেই এই ঘৰত ভোজ খাইছিল। হুলস্থুল কৰি একোটা নিশা পাৰ কৰি দিছিল। সেই-বিলাকৰ সৰহভাগেই চাহাবী পোচাক পিন্ধিছিল। তিৰোতা আৰু গাভৰুবিলাকে শাৰী পিন্ধিছিল যদিও চিগাৰেট আৰু মদ খাইছিল, চাহাবী কায়দাত মতা মানুহবোৰৰ লগত নাচিছিল। ৰেকৰ্ড প্লেয়াৰত [illegible] ৰেকৰ্ডত ইংলিচ বাজনাৰ সুৰ বাজিছিল। এনেকুৱা [illegible] তো[illegible]হীক আলপৈচান ধৰিবলৈ বাগানৰ ক্লাবৰ পৰা [illegible]ল। বিলাতী 'শৰাব'ৰ কোনবিধৰ লগত কোনবিধ সময়[illegible] সময়ত দিব লাগে ভোলাই নাজানে। সেই কাৰণে হে তাৰ 'মিষ্টি[illegible] [illegible]বোৰত ভোলাৰ কাম নাছিল। ভোলাই এইবোৰ [illegible] লগ[illegible] ছিল।

[illegible]তকৈ সি বেয়া পাইছিল—খাদী কাপোৰ পিন্ধি অহা [illegible] তাতয়া [illegible] সিহঁতৰ বহুতে সন্ধিয়া পৰত চাহাবক বিচাৰি [illegible] নাথাকিলেও ড্ৰয়িং ৰুমত বহি গৈছিল আৰু তেওঁ [illegible]ছিল। তাৰ পাচত খোৱা-বোৱাৰ আড্ডাৰ [illegible] মানে মাছ-মাংস, মদ আৰু......। কেতিয়াবা

মাংস বিচাৰি ভোলা নিশা ৮।৯ বজাত ষ্টেচনৰ ওচৰৰ কচাইৰ ঘৰলৈ যাব লগাত পৰিছিল। হঠাৎ এইবোৰ বন্দৱস্ত কৰিব লগা হোৱাত খানচামাইঁতো বৰ বিৰক্ত হৈছিল। এনেকুৱা দুই এজন মানুহে লগত কেতিয়াবা তিৰোতা মানুহো লৈ আহিছিল আৰু সেইবোৰ তিৰোতা যে তেওঁলোকৰ ঘৈণীয়েক নহয়, ভোলাহঁতে কথাকাণ্ডৰ পৰাই বুজিব পাৰিছিল। তেনে তিৰোতাবোৰক দেখি ডেকা খানচামাইঁতে 'ইয়াৰ্কি' মাৰিছিল।

চাহাবেও এইবোৰ মানুহক যে ভাল নাপাইছিল সেই কথা ভোলাই ভালদৰে বুজিছিল। তেওঁ এদিন বিৰক্ত হৈ বান্ধনি ঘৰত সোমাই কৈছিল—

"এইমখা ডকাইতৰ দল বুজিছ। ইহঁতে আনৰ ওপৰতে খাই ফুৰে। আটাইবোৰ মানুহকে ইহঁতে শোষণ কৰে। কিন্তু মস্কিল এইখিনিতে যে ইহঁতৰ মুখা খুলি দিবলৈ কোনো নোলায়। আৰু ইহঁতে সেই সুযোগকে লৈ সাধাৰণ মানুহৰ মাজত নেতা হৈছে। মোৰ দৰে কাৰবাৰী মানুহবিলাকৰ পৰা যিমান পাৰে সিমান আদায় কৰিছে। আৰু আমাৰ কাৰবাৰী মানুহবিলাকেও সিহঁতক সন্তুষ্ট ৰাখি চলিব লগা হৈছে। ইহঁতৰ কাৰণে ভাল বন্ধাবঢ়া নকৰিলেও [illegible] কোনো ৰকমে ইহঁতক বিদায় দিব পাৰিলেই ৰক্ষা পৰোঁ।" [illegible]

বাহিৰত কিন্তু এই মানুহবোৰৰ লগত ব্যৱহাৰ [illegible] কোনোদিনে তেওঁৰ মনৰ বিৰক্তিৰ ভাব প্ৰকাশ কৰা না[illegible] লগতো হাঁহিমুখেৰেই সদায় কথা পাতিছিল।

ভোলা আচৰিত হৈছিল—এই মানুহবোৰ এতিয়[illegible] চাহাবৰ অসুখৰ সময়ত তেওঁৰ খবৰ লবলৈ কোনে[illegible] কিয় ?

[illegible]

এসময়ত এই ঘৰত পাঁচোটা কাম[illegible] ঘৰৰ কাম কৰা মানুহ দুটা, চৌকিদাৰ এটা, ড্ৰাইভাৰ [illegible]

ভোলা। ভোলাই ফুলৰ বাগান তদাৰক কৰিছিল যদিও চাহাবৰ লগত তাৰ সম্পৰ্ক আছিল বেলেগ ধৰণৰ।

জীপ গাড়ীখন বিক্ৰী কৰি দিয়াৰ পাচত এই আটাইবোৰ মানুহকে চাহাবে বিদায় দিছিল। তেওঁ তাকো কৈছিল—

"ভোলা, সব মানুহ যাব। মোৰ ইয়াত কাম নোহোৱা হৈছে। তয়ো যা। ইয়াত মোৰ লগত থাকি কি কৰিবি ? তোৰ কাৰণে মই টকা-পইচা হিচাব কৰি ৰাখি দিছোঁ।"

ভোলাই কি উত্তৰ দিব ভাবি পোৱা নাছিল। উত্তৰ দিবলৈ তাৰ হয়তো একো নাছিল। কিছুমান দিনৰ আগতে সি একো কথাই ভবা নাছিল। সি ক'ত আছে, কি কৰিছে, ভবিষ্যতে কি কৰিব, সেইবিলাক কথা চিন্তা কৰাৰ কিবা আৱশ্যক আছে বুলি সি বুজা নাছিল। চাহাবৰ কথা শুনি সি ভাবিবৰ চেষ্টা কৰিছিল। কিন্তু সি যাব ক'লৈ ?

তাৰ মনৰ অৱস্থা বোধহয় চাহাবে বুজিব পাৰিছিল। সেই কাৰণে তেওঁ নিজেই কৈছিল—

"ভোলা, তইতো মোৰ লগত ১৬।১৭ বছৰ দিন থাকিলি। এতিয়া মোক এৰি [illegible] পাৰিবি জানো ? তইও গুচি গ'লে মোৰ ওচৰত কো[illegible]। সঁচাকৈয়ে তোৰো আঁতৰি যাবৰ মন গৈছে [illegible]

[illegible] তেতিয়া বিশেষ অসুখ নাছিল। মাত্ৰ বাওঁফালৰ [illegible] হৈ পৰিছিল কিন্তু তেওঁ কথাখিনি ইমান অসহায়ভাৱে [illegible]লাৰ বুকুখন যেন ভাগ গৈছিল। সি মুখেৰে একো [illegible]মাত্ৰ তাৰ চকুৱেদি পানী বাগৰি আহিছিল।

[illegible]এই আপোনভোলা আৰু অকলশৰীয়া মানুহজনক [illegible]কলে এৰি থৈ যোৱাৰ কথা কোনোদিনেই ভবা [illegible]ান মানুহজন যে কেইমাহমানৰ ভিতৰতে [illegible]ত্যুৰ মুখলৈ আগবাঢ়িব সেই কথাও সি ভাবিব পৰা

নাছিল। সি ভাবিছিল ভৰি ভাল হৈ যাব। ডাক্তৰেও সেই বুলিয়েই কৈছিল। আৰু, এটা ভৰি অচল হলেও কোনো অসুবিধা নহয়। তেনেকৈও বহুত মানুহ জীয়াই থাকে।

কিন্তু মানুহজনে যেন কিবা কথা জানিছিল। নহলে হঠাৎ সংসাৰৰ প্ৰতি ইমান বিৰক্ত হৈ পৰিব কিয় ? কামকৰা মানুহবিলাক গুচি যোৱাৰ পাচত এদিন উকীল আৰু আন কেইজনমান মানুহ আহিছিল। সেই মানুহ কেইজনক ভোলাই চিনিব পাৰিছিল যে তেওঁলোক কাৰবাৰী মানুহ। তেওঁলোকৰ লগত দীঘলীয়া আলোচনা চলিছিল।

সেইদিনা গধূলি বাৰাণ্ডাত বহি কিবাকিবি ভাবি থকাৰ পাচত তেওঁ ভোলাক ওচৰলৈ মাতি আনিছিল আৰু তাৰ ফালে নোচোৱাকৈয়ে কৈ গৈছিল—"ভোলা, কাঠৰ কল দুটা বিক্ৰী কৰি দিলোঁ। নিজে চাব নোৱাৰিলে ব্যৱসায় কৰি লাভ নাই। লাহে লাহে আটাইবোৰ লেঠা শেষ কৰি আনিছোঁ। এতিয়া, আৰু একো কথা চিন্তা কৰিব নালাগিব। কেৱল খোৱা শোৱা আৰু হুইল চেয়াৰত ঘূৰা। কিন্তু এইদৰে মানুহ কিমানদিন জীয়াই থাকিব পাৰে ?"

ভোলাই কৈছিল, "হুজুৰ, এতিয়া কাম কাজ [illegible] ৰিলেইবা। টকা পইচাৰতো কোনো অভাৱ নাই। আৰু হুকুমি [illegible] খাই থাকিব পাৰিব।"

"তই ঠিকেই কৈছ। আমাৰ দেশৰ মানুহবো [illegible] ভাবে। কাম নকৰি খাই-বৈ জীয়াই থকাটোৱেই আট [illegible] কথা বুলি ভাবে।" তেওঁ হাঁহিছিল। সেই হ [illegible] চাহাবৰ ঘৰ জনজনাই যোৱা হাঁহি নাছিল। [illegible]

মাজে মাজে ডাক্তৰ আহিছিল। কিছুমান ঔষধ [illegible] লৈ আহি কেনেকৈ খাব লাগে তেওঁক কৈছিল [illegible] দিছিল। কিন্তু ডাক্তৰৰ আগত ঔষধ খোৱা বু [illegible] চাহাবে ঔষধ নাখাইছিল। ভোলাই বহুতো অনু [illegible]

তেওঁক ঔষধ খুৱাব নোৱাৰিছিল। কেতিয়াবা হতাশ হৈ ভোলাই নিজৰ ওপৰতে খং কৰিছিল। বহুত দিন সি ভাতপানী একো নোখোৱাকৈয়ে শুই পৰিছিল।

—মানুহজন লাহে লাহে অতি বদ মেজাজী হৈ পৰিছিল। ভোলাক প্ৰায়েই ধমক দিছিল। সময় অসময় নাই যেতিয়াই তেতিয়াই চিঞৰিছিল—ভোলা, ইধাৰ আও, ভোলা, এইফালে আহ। হুইল চেয়াৰখন ঘূৰাই ঘূৰাই অৱশ হৈ পৰিছিল আৰু ফোঁপাইছিল। ভোলা ওচৰলৈ আহিলে একো কথা নকৈ মাত্ৰ তাৰ মুখৰ ফালে ৰ লাগি চাই ৰৈছিল। এই অৱস্থাটো কেতিয়াবা তাৰ অতি অসহ্য হৈ পৰিছিল। সি কি কৰিব উপায় নোপোৱাত পৰিছিল। ডাক্তৰক খবৰ দিবলৈকো চাহাবক এৰি যোৱাৰ উপায় নাছিল। সেই সময়ত সি ভাবিছিল, সি যদি এটা ডাক্তৰ নাইবা 'বৈদ' হ'লহেঁতেন। সি আৰু ভাবিছিল—এনেকুৱা সময়ত বৈদ্য কবিৰাজ নথকা গাওঁৰ মানুহে কি কৰে ? সেই মানুহবোৰে বেমাৰীক চকুৰ আগতে মৰিবলৈ এৰি দিব লগে। এয়ে ভগৱানৰ বিচাৰ। তেতিয়া তাৰ ভগৱানলৈ মনত পৰে।

ভোলা[illegible]ৰ কোঠাটোত ৰাম লক্ষ্মণ আৰু সীতাৰ এখন ছবি ৰা[illegible] লক্ষ্মণ আৰু সীতা বনবাসলৈ যোৱাৰ ছবি। [illegible]ৰা আঁতৰি গৈ সি সেই ছবিখনৰ ওচৰত মূৰ দোৱাই [illegible]ল। 'হে ৰাম' এই মানুহজনেতো মই জনাত কোনো [illegible]। তেওঁক কিয় ইমান কষ্ট দিছা। তেওঁক শান্তি [illegible]" ভোলাই ৰাতি পুওৱাৰ লগে লগে গা ধুই দুপাহ [illegible]বিত থকা ৰাম লক্ষ্মণ সীতাৰ ভৰিত লগাইছিল আৰু [illegible]ল নিজৰ মূৰত লগাই ছবিখন থোৱা কাঠছটাত থৈ [illegible] ফল নি চাহাবৰ টেবুলৰ ওপৰত থৈছিল। তথাপি [illegible] একো উন্নতি নোহোৱাত কেতিয়াবা ভগৱানৰ [illegible]ৱাস হেৰাই গৈছিল।

—দিনবোৰ পাৰ হৈ গৈছিল।

শেষত মানুহজনৰ মাতটো অতি ক্ষীণ হৈ পৰিছিল। ভোলাই তাৰ ঘৰটোত শুবলৈ এৰি হলঘৰৰ এচুকতে বিছনা কৰি লব লগা হৈছিল।

সেইদিনা তেওঁ কৈছিল—"ভোলা, মোৰ টেবুলত থকা কাগজবোৰ দেখিছ নহয়। সেইবোৰত মই কিবা লিখিছোঁ। তাত আৰু বহুত কথা লিখিব লগা আছিল। কিন্তু লিখা আৰু হৈ নুঠিল।

এটা দীঘল উশাহ লৈ তেওঁ আকৌ কৈছিল—"এই কাগজবোৰ তই ভালকৈ বান্ধি তোৰ জিম্মাত ৰাখিবি। কাগজখিনি এটা ডেকা মানুহক দিবি। সি কোনোবা এদিন আহিব, দিনৰ পোহৰত নাহে, ৰাতিৰ অন্ধকাৰত আহিব। তাক দেখি তই ভয় নাখাবি। সি দৈত্য নহয়—সি মানুহ। তাৰ চকুত জুই আছে, কিন্তু সেই জুইয়ে সকলোকে নোপোৰে। সি এই কাগজবোৰ নিশ্চয় পঢ়ি চাব। সি ইয়াৰ মূল্য বুজিব।"

ভোলাই তাৰ চাহাবৰ কথাবোৰ বুজিবলৈ টান পাইছিল। তথাপি তেওঁৰ হুকুমমতে সি কাগজখিনি এটা প্লাষ্টিকৰ বেগত সুমুৱাই লৈছিল।

কাগজখিনি বিছনাখনৰ তলৰ কাঠৰ বাকচটো[illegible]হি গ[illegible]টবন্ধ নে[illegible] নাই তাৰ আকৌ চাবৰ মন গৈছিল। কিন্তু পিচ মু[illegible] জিলি[illegible] হ'ল, এই অলপ আগত বহীখন সি উলিয়াই চাইছিল,[illegible]

বাহিৰত তেতিয়াও বতাহ আছিল। সৰসৰ শ[illegible]হো[illegible]ৰ পাতবোৰ লৰিছিল। এবাৰ সি বাহিৰলৈ ওলা[illegible]য়া ছে[illegible]ভা[illegible] ভাবিছিল। কিন্তু কিবা এটা অলসতাই তাক যেন[illegible], পা[illegible]তে [illegible]ৰিে[illegible]কৌ

সেইদিনাও এনে বতাহ মাৰিছিল—ধুমুহা[illegible] এই [illegible] হুম্‌দাম্ শব্দ হৈছিল। আৰু বিছনাত পৰি [illegible]হাত[illegible] চাহাবৰ মুখলৈ সি চাই বৈছিল। মানুহজন কৈছি[illegible]

পৰা বিছনাত পৰি আছিল। উঠিবৰ শক্তি নোহোৱা হৈছিল। পালেঙৰ ওচৰৰ সৰু মেজখনত খোৱা বস্তুবোৰ এনেয়ে পৰি আছিল।

ভোলা জীৱনত এনে এটা অসহায় অৱস্থাত কেতিয়াও পৰা নাছিল। সি চিঞৰি চিঞৰি মাতিছিল—"হুজুৰ, হুজুৰ, মই ভোলা, হম ভোলা হেয়। এবাৰ চকু মেলক, চকু মেলক। মই ভোলা, আপোনাৰ নৌকৰ ভোলা।"

তাৰ চাহাবে চকু আৰু নেমেলিলে। সি বলিয়াৰ দৰে কোঠাটোত চাৰিওফালে ঘূৰি ঘূৰি চিঞৰিছিল—"হুজুৰ, আপুনি গুচি গ'ল। আপুনি কিয় গুচি গ'ল? মোক ভোলাক এবাৰ মাত দিয়ক হুজুৰ।"

শেষত সি 'হায় ভগৱান' বুলি মাটিত বহি পৰিছিল।

পিচদিনা সি খবৰ দিয়াৰ পাচত উকীল আহিছিল। উকীলৰ লগত ডাক্তৰো আহিছিল। তেওঁলোকে কিবাকিবি কথা পাতিছিল আৰু তাৰ চাহাবৰ মৃতদেহটো চাইছিল। শেষত উকীলে তাক কৈছিল—"ভোলা তুমি চাহাবৰ ইচ্ছামতে তেওঁৰ শটো চেৰীগছ-জোপাৰ তলত পুতি থোৱা কফিনটোতে পুতি ৰাখিবা।"

"আৰু তুমি এই ঘৰতে থাকিবা। তোমাৰ খৰচৰ বাবে যি টকা-পইচা লাগে, মোৰ পৰা লবা।"

[illegible]ছিল। [illegible]তো[illegible]চি যোৱাত ভোলাই চেৰীগছৰ তলৰ কফিনটো [illegible] ছোৱাল[illegible]ক[illegible]। সেইদিনা তাৰ অকণো ভাগৰ লগা নাছিল। সময়[illegible]জতৰ শৰীৰত আকৌ ডেকাকালৰ বলখিনি দিছিল। হৈ তাৰ 'মিষ্টি[illegible] কাঠৰ। ওপৰৰ ঢাকনিখন বৰ কষ্টেৰেহে খুলিব হৈ[illegible]ছিল[illegible] "বা[illegible]াত সি দেখা পাইছিল কিছুমান হাড়-মূৰ। কিন্তু লগা[illegible]ৰেও[illegible] আছিল! তাৰ চাহাবৰ শৰীৰৰ জকাটো তাত ক[illegible]বন্দৰ স[illegible] তাতয়া [illegible]ঠিক একো অসুবিধা হোৱা নাছিল। সি বিছনাখনৰ [illegible]লে ৱৈাগিচাৰ চেৰীফুলজোপাৰ ওচৰলৈ লৈ আহোঁতে [illegible]নাকাপ[illegible] নাম সং হেয়।' তাৰ এবাৰ ভাব হৈছিল, পৰি উৎপ[illegible]নেহ কৰিব আৰু অকণমান অস্থি সি গঙ্গাত 'লগাব'।

এনে এজন ভাল মানুহক এইদৰে পুতি ৰাখি নৰকত পৰিবলৈ দিব নোৱাৰি। উকীলবাবুৰ পৰা টকা আনি শ্ৰাদ্ধ পাতিব, ব্ৰাহ্মণ আৰু দৰিদ্ৰক ভোজন কৰাব। কিন্তু পিচ মুহূৰ্ত্তত তাৰ মনলৈ আহিছিল—কিহৰ কাৰণে এইবোৰ কৰিব? ৰাম নাম যদি সত্যই হয়, ৰামচন্দ্ৰই যদি সকলোকে দয়া কৰে, তেন্তে এই আপোনভোলা, দয়ালু মানুহজন কিয় এইদৰে মৰিব লগা হ'ল? যিজন মানুহে জীয়াই থাকোঁতে ধনী-গৰীৱ সকলোকে সমানে দুই হাতেৰে খুৱাই গ'ল, সেইজন মানুহৰতো এনে অচিন ৰোগ হব নালাগিছিল। তেওঁ যিবোৰ মানুহক উপকাৰ কৰিছিল, সেইবোৰে তেওঁক কিয় পাহৰি পেলালে? যিজন মানুহে শেষ সময়ত ইমান কষ্ট পালে তেওঁ মৃত্যুৰ পাচত শান্তি নাপালেইবা!

সি কফিনটো বন্ধ কৰি মাটিত পুতি পেলাইছিল। তেতিয়া আৰু তাৰ 'ৰাম নাম সৎ' বুলি কবলৈ ইচ্ছা নোহোৱা হৈছিল। ভগৱানক যিমান দয়ালু বুলি ভাবি আহিছিল, সেইদৰে ভাবিব নোৱাৰা হৈছিল।

ভোলাই যেতিয়া পুখুৰীৰ পানীত গা ধুই উঠি আহিছিল, তেতিয়া পশ্চিম ফালে, ঘৰটোৰ সমুখৰ ডাঙৰ গেটখন থকা ফালে, মাৰ যাব খোজা বেলিটোৰ ৰঙা পোহৰবোৰ পৰিছিল। সি পিচ ফালৰ পৰা ঘৰটোলৈ চাইছিল। সমুখৰ ফাললৈ [illegible] এবাৰ চাই লৈছিল। ইমান উদাস, ইমান নিস্তব্ধ! সি [illegible] ক্লান্ত শৰীৰটো কোনোমতে টানি নি সি বিছনাখন[illegible] গৈছিল। তাৰ অসম্ভৱ ভাগৰ লাগিছিল কিন্তু টোপ[illegible] আৰু কাণত মাজে মাজে বাজি উঠিছিল—

"ভোলা, এইফালে আহ—ভোলা ইধাৰ আও [illegible]

নিৰ্জন ঘৰটোত অকলে অকলে থাকি ভোলা[illegible] কেতিয়াবা এনেহে লাগে যেন সি ক'ববালৈ দৌৰি [illegible]

কিন্তু ক্ষন্তেক পাচতে তাৰ মনটো স্থিৰ হয়। তাৰ চাহাবে তাক এটা দায়িত্ব দি গৈছে, সি সেই দায়িত্ব পালন কৰিব লাগিব। যিজন মানুহ তাৰ কাৰণে দেৱতাৰ দৰে, তেওঁৰ শেষ অনুৰোধ সি ৰক্ষা কৰিবই লাগিব। চাহাবৰ লিখাখিনি কোনোবা এজন ডেকা মানুহক দিব লাগিব। সেই ডেকাজন কোনোবা এদিন আহিব—নিশ্চয় আহিব। তেওঁ সেইবোৰ পঢ়ি চাব আৰু তাৰ মূল্য বুজিব।

তাৰ বোধহয় চিলমিলকৈ টোপনি আহিছিল। বতাহৰ সোঁ সোঁৱনি কমি গৈছিল। সি শুনিবলৈ পালে—ডাঙৰ ঘৰটোত কিবা শব্দ হৈছে। চাৰপাইখনত সি উঠি বহিল। মাটিত থৈ দিয়া হাৰিকেন লেম্পটোৰ ফিতাডাল বঢ়াই দিলে। ঘটং ঘটং শব্দটো শুনি সি অনুমান কৰিলে বাৰাণ্ডাৰ দুৱাৰত লগাই থোৱা তলাটো কোনোবাই লৰাইছে। এইবাৰ সি যাঠীডাল বিচাৰি ল'লে। কিন্তু বাহিৰলৈ ওলাই যাবনে নাযায় চিন্তা কৰিবলৈ ধৰিলে। যদি ডকাইতৰ দল হয় তেন্তে সি অকলে কি কৰিব? বহুত মানুহৰ লগত 'মুকাবলা' কৰা তাকৎ এতিয়া তাৰ নাই। তথাপি সি সাজু হৈ ৰ'ল।

[illegible] শুনি সি অনুমান কৰিছিল—এজন মানুহ তাৰ [illegible] আহিছে। অলপ পাচতে তাৰ দুৱাৰত হেঁচা পৰিল। সময়[illegible] লও জোৰদাৰ আছিল—

হে তাৰ 'মিষ্ঠি [illegible] কোন আছ? দৰ্জা খোল।"

হৈ [illegible] "বা[illegible] ইতস্ততঃ কৰিছিল। এইবাৰ কিছু ডাঙৰকৈ মাত লগা[illegible] "বন্দৰ [illegible] ঘৰত তলা লগোৱা আছে কিয়? দেউতা ক'ত?"

ক[illegible] তাতয়া [illegible] দ্বিধাই দুৱাৰ খুলিলে। দুৱাৰ খুলি সি দেখিলে—[illegible] ভৰা এজন ডেকা মানুহ। কাপোৰ কানিবোৰ [illegible] টো সৰু টৰ্চ লাইট আছিল। মিলিটেৰী বুট পৰি উৎপ[illegible] হৈ গৈছে।

ভোলাক দেখি তেওঁ দৃঢ়ভাৱে সুধিলে, “দেউতা ক'ত আছে ?”

ভোলাই একো উত্তৰ নিদি তেওঁক সাৱটি ধৰিলে। সি উচুপি ক'লে, “হুজুৰ আৰু নাই, ছোটা বাবু।”

“নাই ? ক'ত গ'ল ?” তাৰ পিচত ডেকা মানুহজন নীৰৱ হৈ পৰিছিল।

ভোলাই ডাঙৰ ঘৰটোৰ দুৱাৰবোৰ খুলি দিছিল। আৰু তেওঁৰ হাতত আনি দিছিল সেই প্লাষ্টিকৰ বেগটো। চাহাবৰ পঢ়া কোঠাত লেম্পটো তেতিয়াও জ্বলি আছিল। ভোলাই সেই লেম্পটো সদায় জ্বলাই ৰাখে।

ডেকা মানুহজনে যেতিয়া লেম্পটোৰ ওচৰলৈ চকীখন টানি নি প্লাষ্টিকৰ বেগটোৰ পৰা বহীখন উলিয়াই পঢ়িবলৈ লৈছিল, তেতিয়া ৱাল ক্লকটোত বাৰ বজাৰ করুণ ধ্বনি উঠিছিল।

॥ পাঁচ ॥

বিয়া কৰোৱাটো প্ৰয়োজন নাছিল, এটা চখহে আছিল। বিয়া কৰোৱাৰ পাচত কি হব, সেই কথা এটা বয়সত ভাবি চোৱাৰ অৱসৰ নাছিল। বাটে পথে দেখা ছোৱালীবোৰৰ কোনোবা এজনীক কেতিয়াবা হঠাৎ ভাল লাগি গৈছিল। আৰু সেইজনী ছোৱালীক কাষত লৈ নিৰল ঠাইত বহি সৰু সৰু কথা পাতি, তাইৰ হাঁহি মুখখন চাই তৃপ্তি লাভ কৰাৰ বাসনা জাগিছিল। কেতিয়াবা কোনো এজনী ছোৱালীক অতিপাত মৰম কৰিবৰ ইচ্ছা হৈছিল। এজনী ছোৱালীৰ লাহি আঙুলিকেইটা লিৰিকি বিদাৰি দুটা কথা কবৰ বৰ মন গৈছিল। তেতিয়া এটা সিদ্ধান্তলৈ আহিছিলোঁ যে বিয়া কৰাই [illegible] ছোৱালীক আপোন কৰি লব পাৰিলেই এই আশা সম্পূৰ্ণ হৈ সময় [illegible] নজত পঢ়ি থকা দিন কেইটাত কবিতা, গল্প লিখিবলৈ মন হৈ তাৰ ‘মিষ্টি [illegible] এটা লিখিছিলোঁও। সেই গল্প কবিতা সাৰ্থক কৰি হৈ [illegible] “বা[illegible] য়া কৰাৰ লাগে বুলিয়েই ভাবিছিলোঁ।

লগ[illegible] চাৰিজন সহকৰ্মীয়ে কৈছিল—‘হেৰা, বেচেলৰ হৈ ক[illegible] ঠিক বা ? মেচৰ ভাত কিমান খাবা ? সময় থাকোঁতেই তাতয়া [illegible] ল হৈঁা।’

[illegible] কাপ[illegible] হবোৰ পঢ়ি ভাল পাইছিলোঁ। মাজে সময়ে পৰি উৎপ[illegible] উদ্ধৃতি দিয়া বাবেই সমবয়সীয় সহকৰ্মী দুই এজনে

খৈয়ামৰ ভাষাৰেই মোক উপদেশ দিছিল। সেইবোৰ কথা শুনি ওমৰ খৈয়ামৰ দৰ্শনকে শুদ্ধ বুলি ধৰি লৈছিলোঁ—

Ah, make the most of what we yet may spend
Before we too into dust descend.

জীৱনটো উপভোগ কৰিবলৈ বিয়া নকৰালে নহব বুলিয়েই থাৱৰ কৰিছিলোঁ। বয়সীয়া অৰ্থাৎ বিবাহিত সহকৰ্মী কেজনে পৰামৰ্শ দিছিল—"বিয়া নিয়মীয়া বয়সত পতাই ভাল। আৰু বিয়া নকৰোৱাকৈ থাকিম বুলি বৰ কথা কোৱাৰো কোনো অৰ্থ নাই। আমি নিজেই দেখিছোঁ ডেকা বয়সত অবিবাহিত হৈ থকাৰ সংকল্প লোৱা দলটোৱে শেষকালত বিয়া পাতিবলৈ বয়সিয়াল কন্যা বিচাৰি হাবাথুৰি খায়। সংসাৰত থাকিলে এই বিবাহ ধৰ্ম পালন কৰাটো মানুহৰ কৰ্ত্তব্য।"

কলেজৰ সহপাঠীসকলৰ বিয়া নিমন্ত্ৰণী চিঠি পাই এটা সময়ত স্থিৰ কৰিছিলোঁ যে সোনকালে বিয়াখন পতাই ভাল। কিন্তু তেতিয়া বিয়াৰ গোটেই প্ৰশ্নটো সূক্ষ্মভাৱে বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন বোধ কৰা নাছিলোঁ। বিয়া নকৰোৱাৰ বাবে মোৰ কি অসুবিধা হৈছে, বিয়া কৰোৱাৰ পাচত কি বিশেষ সুবিধা হব তাক তুলনামূলকভাৱে বিচাৰ কৰি চোৱাৰ কোনো প্ৰবৃত্তি নহৈছিল। আটাইবোৰ মানুহে বিয়া কৰায়, সেই কাৰণে ময়ো কৰাব লাগে—এয়ে আছিল মূল কথা। এয়া আছিল বিয়া কৰোৱাৰ চথ।

গুৱাহাটীত ডাঙৰ 'চাৰ্কাচ' হৈছিল। ভাল চাৰ্কাচ—[illegible] সপ্তাহ ধৰি চলিছে। গাওঁ-ভূঁইৰ পৰাও মানুহ আহি[illegible]ৰ মানুহৰতো কথাই নাই। বহুত মানুহ। কেতিয়া [illegible] আসনৰ ব্যৱস্থা কৰি দৰ্শকক স্থান দিয়া হৈছিল। তে[illegible] মোৰ ঠিক কাষতে নতুনকৈ আনি দিয়া চকী এখ[illegible] ছোৱালীয়ে চাৰ্কাচ চাইছিল। ছোৱালীজনী[illegible] এই [illegible] অনুভৱ হৈছিল! খুব কাষতে বহা বাবে মুখ[illegible] অসুবিধা হৈছিল যদিও কেৰাহিকৈ চাই সেই ধাৰণা[illegible]

সেইজনীয়েই আছিল লিডিয়া। আধুনিক নাম। বৃটিছ শাসনৰ কালত অসমীয়া ছোৱালীক পাশ্চাত্য নাম দি মাক-দেউতাকে গৰ্ববোধ কৰিছিল। সেই কাৰণেই বোধহয় আৰ্মি চুবেদাৰ স্বৰ্গীয় হৰমোহন নাথৰ দ্বিতীয়া কন্যাই লিডিয়া নাম গ্ৰহণ কৰিব লগা হৈছিল।

বিয়াৰ প্ৰস্তাৱটো আমাৰ অফিচৰ এজন কৰ্ম্মচাৰীৰ যোগেদিয়েই আহিছিল। ছোৱালীৰ বৰ্ণনা দি তেওঁ কৈছিল—মুঠতে তোমাক মই এইখিনিকে কব পাৰোঁ যে ছোৱালী ৰূপৱতী আৰু গুণৱতী। ঘৰুৱা কাম-কাজত পাকৈত। ইণ্টাৰমিডিয়েট পাছ কৰা নহ'ল। পঢ়াশুনাত ভালেই আছিল। কিন্তু দেউতাক নোহোৱা ছোৱালী। মাকৰ এজমেটিক ট্ৰাবল। ককায়েক ঘৰখনৰ প্ৰতি উদাসীন। মাকে নিজৰ স্বাস্থ্যৰ কথা ভাবি ছোৱালীটিক সোনকালে সুপাত্ৰত অৰ্পণ কৰিব খোজে।—এইজন ব্যক্তিৰ পৰামৰ্শক্ৰমেই তেওঁৰ লগতে নগৰৰ পৌৰসভা এলেকা বহিৰ্ভূত অঞ্চলৰ পুৰণি ঘৰ এটাত উপস্থিত হৈছিলোঁগৈ।

আয়োজন বাহুল্যবৰ্জিত হলেও একেবাৰে অনুষ্ঠুপীয়া নাছিল। 'ছোৱালীয়ে নিজৰ হাতেৰে তৈয়াৰী কৰা' খাদ্য সামগ্ৰীয়েই আছিল অধিক। চিংৰা, কচুৰী, সন্দেশ, লালমোহন ঘৰতে তৈয়াৰী হৈছিল। সেইবোৰ, নগৰৰ আটাইতকৈ ভাল আখ্যাপ্ৰাপ্ত মিঠাই দোকানখনৰ সামগ্ৰীৰ দৰেই স্বাদযুক্ত আছিল। সাধাৰণতে পাণবজাৰত আবেলি সময়খিনি অতিবাহিত কৰোঁতে সেইখন দোকানৰ খৰিদ্দাৰ দলভুক্ত হৈ তাৰ 'মিষ্টি'খিনিৰ সোৱাদটো অন্ততঃ মোৰ অবিস্মৰণীয় ধৰণৰ হৈ[illegible]ছিল[illegible] এনে সুন্দৰ ৰন্ধনকাৰ্য্যৰ বাবে মুখেৰে প্ৰশংসা কৰাৰ লগ[illegible]ৰেও তাৰিফ কৰিছিলোঁ। একপ্ৰকাৰ ভূৰিভোজন ক[illegible]নৰ লগত বান্ধনি ঘৰৰ একাংশত থকা ডাইনিং [illegible]ৰ মুকলি বাৰাণ্ডাইদি ড্ৰয়িং ৰুমলৈ আহিছিলোঁ। [illegible] দূৰত এডাল লিচু গছ আছিল। লিচু গছডালত পৰি উৎপ[illegible] কাউৰী কেইটামানে চিঞৰ-বাখৰ কৰা শুনি অনিচ্ছা-সত্বেও সিহঁতলৈ চকু দিব লগা হৈছিল। দেখিছিলোঁ এটা কাগজৰ

পেকেটৰ কাৰণে সিহঁতৰ মাজত আনন্দ উল্লাসৰ সৃষ্টি হৈছে। কাগজৰ পেকেটটো শুদা। কিন্তু তাৰ এটা কাষত 'ডেইৰী' নামৰ ডাঙৰ ছপা আখৰ কেইটা জিলিকি থকা বাবে সেইটো পেকেটত কি আছিল বুজিবলৈ কষ্ট কৰিব লগা নহৈছিল। অৱশ্যে সেইটো কেতিয়াৰ তাক চিন্তা কৰিবলৈ তেতিয়া অৱসৰ নাছিল।

ড্ৰয়িং ৰুম পোৱাৰ ক্ষন্তেক পাচতে তামোল-পাণ আৰু মছলাৰ বটা লৈ যি গৰাকী নাৰীৰত্ন কক্ষত প্ৰবেশ কৰিছিল তেওঁক দেখি গোটেই ঘটনাটো নাটকীয় যেন অনুভৱ হৈছিল। মোৰ শুভানুধ্যায়ী সহকৰ্মীজন গলখেকাৰি মাৰি কোঠাৰ পৰা বাহিৰ হৈ যোৱাৰ পাচত যুৱতী গৰাকলৈ পোনপটীয়াকৈ চাই আকৌ চকু দুটা মোহাৰি ললোঁ। চালোঁ—ভুল হোৱা নাই।

মোৰ পোন প্ৰথম প্ৰশ্ন হ'ল—তুমি এদিন চাৰ্কাচ চাবলৈ গৈ, মতা মানুহৰ মাজত এখন ফ'ল্ডিং চেয়াৰত বহিব লগা হোৱা নাছিলনে?

প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে তেওঁও মোলৈ ভালদৰে লক্ষ্য কৰিছিল। 'হয়' বুলিয়েই তেওঁ উত্তৰ দিব লগা হৈছিল।

নাম—'লিডিয়া', দেউতাকে দিয়া নাম। সোঁৰৰণিত বেলেগ নাম আছে। পঢ়াশুনা কৰিবৰ মন আছিল কিন্তু মাকে কৈছে—বিয়াৰ পাচতো পঢ়িব পৰা যাব।

"মোৰ পছন্দ অপছন্দৰ কথাই নুঠে। মাই মোৰ ভাল হব বুলিহে বিয়াৰ বন্দৱস্ত কৰিছে। তেওঁ মোৰ অহিত চিন্তা নকৰে"—মোৰ এটা প্ৰশ্নৰ উত্তৰত লিডিয়াই কৈছিল।

বিয়াৰ 'চথ'টো অতি প্ৰৱল হৈ উঠিছিল। সাহিত্[illegible] থকা দৰে ভাবিছিলোঁ—এইজনী ছোৱালীকে যেন মই জন্ম[illegible] তে[illegible] বি[illegible] কৌ[illegible] চাি ফুৰিছোঁ।

[illegible]। এই[illegible]

তথাপি আমাৰ ঘটকজনৰ আগত কেইটাম[illegible] সে[illegible] উন্নুকিয়ালোঁ। মোৰ চাকৰিটো স্থায়ী বিধৰ নহয়, [illegible] চাকৰি তাকো স্বত্বাধিকাৰী মানুহটি অসমীয়া। তেওঁক এদিনতে এশটকা

মূলধনত এশটকা লাভ লাগে। বৰ্ত্তমান পোৱা দৰ্মহাৰ টকা কেইটাৰে এহাল মানুহ চলা টান নহয় যদিও, বেলেগ ঘৰ এটাই নাই। মেচত সস্ত্ৰীক বাস কৰা অবিধেয়। গুৱাহাটীত সুবিধামতে ভাৰা ঘৰ পোৱা অতি কঠিন। তৃতীয়তে এখন বিয়া পাতিব পৰাকৈ আৰ্থিক সঙ্গতি মোৰ নাই।

মোৰ অসুবিধাবোৰ নিটিকিল। যুক্তি দেখুওৱা হ'ল—কোনো চাকৰিয়েই স্থায়ী নহয়। কোম্পানীৰ চাকৰি গ'লেও বেলেগ কাম এটা যোগাৰ কৰা একো টান কাম নহয়। 'ইকনমিকচ'ৰ ছেকেণ্ড ক্লাচ ফাৰ্ষ্ট অনাৰ্চ পোৱা ল'ৰাৰ কাৰণে চাকৰিৰ আকাল হোৱা নাই। বৰং এইটো চাকৰিতে থাকি আনফালে চেষ্টা কৰিব লাগে। আৰু বিয়া কৰাই এটা দায়িত্ব ললেহে সেই সুমতি হব।

ঘৰ এটা যোগাৰ কৰি লোৱাটো বৰ কঠিন নহয়। কন্যাপক্ষৰ পৰাও ভাৰা ঘৰ এটা বিচাৰি উলিয়াবলৈ যত্ন চলোৱা হব।

মধ্যবিত্ত শ্ৰেণীৰ মানুহে ৰজা জমিদাৰৰ দৰে বিয়া পাতিবলৈ যোৱাটো বিলাসিতা মাত্ৰ। সামৰ্থ্য অনুযায়ী সাধাৰণভাৱে বিয়াখন পাতিলে কোনেও হাঁহিব নোৱাৰে। কইনা ঘৰে জোৰোণৰ বয়বস্তুও এসোপা বিচৰা নাই। ছোৱালীৰ বিয়াৰ বাবে দেউতাকে ভালেখিনি টকা পইচা থৈ গৈছে।

এইবিলাক কথা ভাবীশাহুৰ আৰু তেওঁৰ নহয় বুলি মোৰ প্ৰত্যয় জন্মাবলৈ বয়সীয়া সহকৰ্মীজনে মোৰ আগত উথাপন কৰিছিল।

হাজোৰ পিয়ন পুলিন কাইয়ে এদিন কথা প্ৰসঙ্গত কৈছিল, "বাবু বিয়া নামিলে আৰু একোৱে ৰাখিব নোৱাৰে।" ঠিক পুলিন [illegible]ন্দৰ [illegible] বিশ্বাসৰ দৰেই বিয়াখন হৈ গ'ল। কেনেকৈ হৈ গ'ল তাতৱা [illegible]ঠিক মনত নাই। এসপ্তাহৰ ববষুণৰ পাচত সেইদিনা বতৰ [illegible]ল হৈছিল। বিয়াবাহৰ পতা ভাৰা ঘৰটোৰ চাৰিওফালে বোকাপ[illegible]আছিল যদিও বিয়ালৈ অহা সীমাৱদ্ধ সংখ্যাৰ অভ্যাগত কেইজন বৰষুণত তিতিব লগা হোৱা নাছিল। কইনা ঘৰৰ পদূলি

পোৱাৰ কুৰি গজমান আঁতৰত ডেকা দল এটাই মটৰ গাড়ীখন আগভেটা দি "সংঘৰ" কাৰণে ১০১ টকা বিচাৰোঁতে জোনটো ফটফটীয়া হৈ ওলাইছিল। এশ এটকাৰ ঠাইত মাত্ৰ ১১ টকাতে সন্মত হোৱা দলৰ 'লীডাৰ' কেইজনৰ মুখত বিৰক্তিকৰ গোন্ধ ওলাইছিল। ৰভাতলত নামতী ছোৱালীহঁতে 'ৰভাৰ খুটা হেলেকা, বাইদেউৰ দৰাটোৰ চকুহুটা টেলেকা' বুলি গাইছিল। 'ককাদেউতাৰ লাখুটি, দৰাটি ঠিক যেন পাণপৰা হাকুটি' বুলি গোৱা জোৰা নাম শুনি বৰ অস্বস্তিবোধ হৈছিল।—এই ধৰণৰ দুই চাৰিটা কথাৰ বাহিৰে আন একো মনত নাই।

বিয়াৰ পাচত এঠাইত শুনিছিলোঁ—এনেকুৱা ভেকুলী বিয়া পতাতকৈ কামাখ্যাত গৈ মালা বদলোৱা হলেই ভাল আছিল। সেই মন্তব্য আমাৰ অফিচৰ এজনেই কৰিছিল। তেওঁ অৱশ্যে অবিবাহিত আছিল আৰু ভাল ছোৱালী এজনী কোনেও তেওঁলৈ নযচা বাবে মাজে সময়ে তেওঁ আফচোচ কৰাও শুনা গৈছিল। কিন্তু কইনা ঘৰৰ বিয়াৰ আড়ম্বৰ সম্পৰ্কে কোনেও তেনে মন্তব্য কৰিবলগীয়া নহৈছিল।

বাহি বিয়াৰ পাচ দিনাৰে পৰা ভাৰা ঘৰৰ সন্ধানত বাহিৰ হব লগা হ'ল। যিহওক পাঁচ দিন জোৰা অনুসন্ধানৰ পাচত সুফল পোৱা গ'ল। এটা সদ্যনিৰ্মিত ঘৰ বিচাৰি উলিয়ালোঁ। কিন্তু ঘৰটোৰ ৰান্ধনিঘৰ, বাথৰুম সম্পূৰ্ণ হোৱা নাছিল। পানীৰ বাবে এটা টিউবৱেল আছিল যদিও তাৰপৰা যি পানী পোৱা গৈছিল, তাক যি কোনো মানুহেই হালধি মিহলোৱা পানী বুলি ভুল কৰিব লগা হৈছিল। তিনিটা কোঠাত জ্বলাবৰ বাবে নতুনকৈ হাৰিকেন লেম্প কিনিব লগাত পৰিছিল। পুৰণি মেচটোৰ সঙ্গী কেইজনৰ তে[illegible]ত ভৃত্য স্বৰূপে এটি নাবালক পোৱা গ'ল। কিন্তু সি গাঁওঁ[illegible] একেবাৰে 'নতুন আমদানি' হোৱা বাবে ভালুকৰ সাঁ[illegible]হৈ পৰিছিল। চাহৰ কেটলী, প্লেট, টাৱেল, আদি শব্দ তাৰ বোধগম্য কৰিবলৈ 'চাহকৰা বগা বাচন', 'বিলাতী মাটিৰ সৰু কাঁহী', 'বজাৰৰ

পৰা কিনা মোক্‌চা'ৰ দৰে বাক্যাংশ ব্যৱহাৰ কৰিব লগা হৈছিল। তথাপি এই পৰিস্থিতিয়ে হতাশ কৰিব পৰা নাছিল। দুই এজন বন্ধুৱে দিয়া উৎসাহ বাণীয়ে যথেষ্ট কাম কৰিছিল। অৱশ্যে উল্লেখ-যোগ্য কথা যে বিয়াৰ ঘটকালি কৰা আৰু বিয়াৰ আগতে মোৰ লগত কথা পাতোঁতে সদায় নিজক মোৰ হিতাকাঙ্ক্ষী বুলি অভিহিত কৰা মানুহজনে মোৰ বিবাহোত্তৰ পৰিস্থিতিৰ কোনো খা-খবৰ লোৱাৰ আৱশ্যকতা বোধ কৰা নাছিল।

আঠ দিনৰ দিনা কন্যা ঘৰত এটা সামাজিক অনুষ্ঠান শেষ কৰি, লিডিয়াক লৈ ভাৰাঘৰত উপস্থিত হৈছিলোঁহি। 'লিডিয়া'ক খুব কাষত, আপোনভাৱে পোৱা সেইটোৱেই আছিল প্ৰথম সন্ধিয়া। সেইদিনা মোৰ ভাৰা ঘৰটো 'সুসজ্জিত' কৰিবলৈ লিডিয়াৰ সংসাৰ বিৰাগী ককাইদেৱেকজনো সম্পৰ্কীয় ছোৱালী কেইজনীমানৰ সৈতে আহিছিল। তেওঁলোকে যত্ন কৰি ঘৰটো বহু পৰিমাণে বাসোপযোগী কৰি তুলিছিল। খিৰিকীত পৰ্দা লগাইছিল, মেজৰ ওপৰত ফুল ভৰা ফুলদানি থৈছিল। প্ৰথম কোঠাটো ড্ৰয়িংৰুমৰ আৰ্হিৰে সজোৱাৰ চেষ্টা কৰিছিল। ৰুচিসন্মত আচবাবৰ অভাৱত যে সেই প্ৰচেষ্টাত তেওঁলোক ব্যৰ্থ হৈছিল তাক কোৱা নিষ্প্ৰয়োজন। মোৰ, ৱাৰ্ডৰ'বৰ নিচিনা কিতাপৰ আলমাৰিটো, আঢ়ৈ ফুট ওখ কাঠৰ টেবুলখন, হেণ্ডল লগা কাঠৰ চকী দুখন আৰু কেনভাচৰ আৰামী চকীখন দেখাতে ড্ৰয়িংৰুমৰ ৰুচিবিগৰ্হিত। সেই কাৰণে লিডিয়াৰ যৌতুকৰ সামগ্ৰীখিনিয়েই গৃহসজ্জাৰ একমাত্ৰ সম্বল হৈ পৰিছিল।

সন্ধ্যাপৰত লিডিয়াক এৰি থৈ সকলো গ'লগৈ। ভৃত্য গবিন্দৰ সহায়ত লেম্প কেইটা প্ৰতিটো কোঠাতে জ্বলাই দিছিলোঁ। তেতিয়া দেখিছিলোঁ—বিছনাখনৰ ওপৰত ভৰি হাত তুলি বহি লিডিয়াই অনুচ্চস্বৰে কান্দিছিল। মনটো বেয়া লাগি গৈছিল। লিডিয়াই ৰোগাক্ৰান্ত মাকজনীক অকলে ঘৰত এৰি থৈ আহিব লগা হোৱা বাবে কান্দিছিল বুলি ধৰি লৈ সান্ত্বনা দিব খুজিছিলোঁ।

কৈছিলোঁ—“নাকান্দিবা, কান্দিছা কিয় ? তুমি এইদৰে কান্দিলে মোৰ ভাল লাগে জানো ?”

লিডিয়াই কোনো কথা কোৱা নাছিল। মই সেইদৰে কোৱাৰ পাচতো তেওঁ কান্দিছিল। বৰং কিছু বেছিকৈহে কান্দিবলৈ আৰম্ভ কৰিছিল। লিডিয়াই এখন দৈন্যতাপূৰ্ণ সংসাৰৰ পূৰ্বাভাস পাই কান্দিছে বুলি ভাবিবলৈ তেতিয়া অৱকাশ পোৱা নাছিলোঁ। তেতিয়া তেওঁৰ মুখত কেনেকৈ হাঁহি ফুটাব পৰা যায় তাৰ কথাহে চিন্তা কৰিবলৈ লৈছিলোঁ। অৱশ্যে তেওঁ হাঁহিছিলো।

আপা গবিন্দৰ সৈতে সহযোগিতা কৰি, নতুন চৌকাৰ জুইৰ লগত যুঁজি যেতিয়া আমি নৈশ ভোজনৰ ব্যৱস্থা কৰিছিলোঁ তেতিয়া নিশা চাৰে এঘাৰ বাজি গৈছিল। গবিন্দই এটা পৰ্ব শেষ হোৱা বুলি স্বস্তিৰ উশাহ পেলাইছিল আৰু বোধহয় কৃতকাৰ্য্যতাৰ গৌৰৱ অনুভৱ কৰিছিল। সেই কাৰণে সি নিজ মতলবেৰেই লিডিয়াৰ বিছনাৰ কাষ চাপি মাতিছিল। “অ' ভাত দিবাৰ হৈছি। উঠ। আপীছলি এমান সোলকানতে ঘুমৰ নাহ।” লিডিয়াৰ হয়তো চিলমিল টোপনিয়েই আহিছিল। কিন্তু কাণৰ কাষত তিনি চাৰিবাৰ চিঞৰিলে কাৰ টোপনি নভঙাকৈ থাকিব পাৰে ? তেওঁ সাৰ পাই উঠি বহিছিল। গবিন্দক, মাজনিশা সেইদৰে চিঞৰবাখৰ কৰিবলৈ মানা কৰিবৰ বাবে মই সেই কোঠালিলৈ অহাৰ লগে লগে লিডিয়াই খিল-খিলাই হাঁহিছিল। মোক সুধিছিল—‘এওঁ হবলা আপোনাৰ কুক’ ?

লিডিয়াৰ মুখত হাঁহি দেখি মই আনন্দত আপ্লুত হৈ পৰিছিলোঁ আৰু উৎসাহতে ডাঙৰকৈ হাঁহি উত্তৰ দিছিলোঁ—এৰা, মোৰ কুক ভেলেট, পাৰ্চনেল এচিষ্টেন্ট সব।

মোৰ কিতাপ কাগজ থোৱা টেবুলখনক ডাইনিং টেবিলৰ মৰ্য্যাদা দি লিডিয়া আৰু মই যেতিয়া দুই মূৰে বহিছিলোঁ, তেতিয়া লজ্ঞ বাইৰনৰ লিখালৈ মনত পৰিছিল।

॥ ছয় ॥

বিয়াৰ বিষয়ে বহুতে নানা মন্তব্য দিয়ে। বিয়াৰ সংজ্ঞাও তৈয়াৰ কৰিছে। মোৰ কিন্তু মটৰ মেকানিক্‌চ এজনৰ সংজ্ঞাটো ভাল লাগিছিল—“বিয়া মানে—ছেল্‌ফ নোলোৱা গাড়ীত হেণ্ডলৰ ইস্তেমাল।” ছেল্‌ফে কাম কৰি থকালৈকে মটৰ গাড়ীৰ দিগদাৰি বৰ কম। কিন্তু হেণ্ডল ঘূৰাব লগা হলেই গণ্ডগোল আৰম্ভ হয়। গাড়ী চলিব ঠিক, পিচে ছেল্‌ফ দি ষ্টাৰ্ট কৰা গাড়ী হৈ নাথাকে।

নবদম্পতীক শুভেচ্ছা জনাবলৈ আমাৰ ভাৰা কুটীৰলৈকে ডেৰমাহ দুমাহমানলৈ বহুত লোকৰ সমাগম হৈছিল আৰু সেই-সকলৰ সৰহভাগেই আছিল লিডিয়াৰ পক্ষৰ। তেওঁৰ চুবুৰীয়া, তেওঁৰ বান্ধৱী, তেওঁৰ ওচৰ আৰু দূৰ সম্পৰ্কীয় দাদা, মামা সকলেই সাধাৰণতে আমাক সম্ভাষণ জনাবলৈ আহিছিল। তেওঁলোকে আমাৰ ঘৰটো কেনেকৈ সজাব লাগে, আমাৰ দৈনন্দিন খাদ্য কি হব লাগে, চিত্তবিনোদনৰ বাবে কি কৰিব লাগে, সেই সম্পৰ্কে স্বেচ্ছা-প্ৰণোদিত ‘বহুমূলীয়া’ পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰ পৰামৰ্শৰ শতকৰা ৬০ ভাগ বাদ দিলেও বাকী ৪০ ভাগ পূৰণ কৰিব লগা হৈছিল। বিয়াৰ এক ডেৰ মাহৰ পাচতে লিডিয়াৰ অনুৰোধ উপেক্ষা কৰা স্বাভাৱিকতে কঠিন আৰু অসঙ্গত কথা আছিল।

এই অভ্যাগতসকলৰ পৰামৰ্শবোৰ মোৰ কাৰণে সঁচাকৈয়ে বহুমূলীয়া আছিল। মই অফিচলৈ যোৱাৰ সময়ত দিনটোৰ সাত আঠ ঘণ্টা সময় অকলে থাকিব লগা হোৱা লিডিয়াৰ বাবে এটা ৰেডিঅ' কিনা সম্ভৱ নহলেও, ড্ৰয়িংৰুমৰ পৰ্দ্দাৰ ছেটটো অন্ততঃ বদলাব লগা হ'ল। এটা কাঠৰ ছোফা ছেট কিনিব লগাত পৰিল।

গুৱাহাটীৰ বজাৰত যিবোৰ শাক-পাছলি ওলায়, সেইবোৰ শুকান, তাত ভিটামিন নাথাকেগৈ; নেপালী গুৱালে দিয়া গাখীৰ মানে, গাখীৰ মিহলোৱা পানী; ফলমূল অলপ নহয় অলপ সদায় খাব লাগে। সেই কাৰণে নেপালী গুৱালৰ লগত বিশেষ বন্দৱস্ত কৰিব লগা হ'ল—সি গাখীৰ খীৰায়েই পোনে পোনে দিব কিন্তু দাম প্ৰতি সেৰত বাৰ অনাকৈ দিব লাগিব অৰ্থাৎ আগৰ নিৰিখৰ ডেৰগুণ। 'ফ্ৰেছ' শাক-পাছলি বিচাৰি প্ৰতি দেওবাৰে ধলপুৱাতে বেলতলা বজাৰলৈ যাত্ৰা কৰিব লগা হ'ল আৰু তাৰ বাবে বাইচাইকেল এখন বিচাৰি বন্ধু এজনৰ বদান্যতাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হ'ল। ফলমূল কিনাৰ কামটো অৱশ্যে লিডিয়াই নিজেই কৰিছিল, কাৰণ ফাঁচী বজাৰ তেওঁৰ কাৰণে নতুন নহয়। তেওঁ একে যাত্ৰাতে প্ৰসাধন সামগ্ৰীখিনি কিনাৰ উপৰিও মাতৃগৃহতো এভুমুকি মাৰি আহিব পাৰিছিল।

সপ্তাহত অন্ততঃ এখন চিনেমা চোৱাৰ প্ৰগ্ৰেম বৰ বেছি নাছিল যদিও চিত্তবিনোদনৰ কাৰণে নগৰৰ চাৰিওটা হলতে প্ৰদৰ্শন কৰা নতুন ছবি চোৱাৰ ব্যৱস্থা কৰিব লগা হ'ল। অৰ্থাৎ গড় হিচাপে সপ্তাহত দুবাৰকৈ ছবি চাব লগাত পৰিল।

এইবিলাক পৰামৰ্শ কাৰ্য্যকৰী কৰিবলৈ যাওঁতে পাঁচ হেজাৰ টকাৰ ইন্সিয়ৰেন্স পলিচীখনৰ প্ৰিমিয়াম দিয়া বন্ধ কৰিব লগা হ'ল। 'থ্ৰিপ্ত ছ'চাইটীৰ পৰা ধাৰ লওঁতে দৰ্মহা ২০০ টকাৰ মাত্ৰ ২০ টকাহে দৰ্মহা পোৱাৰ দিনা হাতত ৰয়গৈ। কিছুমান অবাঞ্ছিত মানুহৰ পৰাও ৫ টকা ১০ টকা ধাৰে লব লগা হ'ল। অথচ এইবিলাক

কথা লিডিয়াক জানিবলৈ দিয়া নাছিলোঁ। তেওঁক মোৰ আৰ্থিক দুৰৱস্থাৰ কথা জনোৱাটো কাপুৰুষালি হব বুলিয়েই বিবেচনা কৰিছিলোঁ। আৰু এইদৰেই প্ৰায় এটা বছৰ অতিবাহিত হৈ গৈছিল। লিডিয়াই হয়তো মোৰ অৱস্থাটোৰ কথা লাহে লাহে বুজিব পাৰিছিল। সেই কাৰণে তেওঁৰ আগৰ চালচলনৰ ভালেখিনি পৰিবৰ্ত্তন ঘটিছিল। মোৰ লগত কথা পাতোঁতে সদায় এটা অভিযোগৰ সুৰ লক্ষ্য কৰিছিলোঁ।

সেইবাৰ লিডিয়াৰ অসুখ হৈছিল। মূৰ ঘূৰায়, বমি বমি ভাব হয়, কিছুমান বস্তু সমূলি দেখিব নোৱাৰে। এদিন জ্বৰো উঠিলে। অফিচৰ পৰা আহি লিডিয়াক গাত এসোপা কাপোৰ লৈ পৰি থকা দেখি মনটো বৰ বেয়া লাগি গৈছিল। ওচৰতে এজন হোমিওপেথিক ডাক্তৰ আছিল। লৰালৰিকৈ তেওঁৰ পৰাই কেই-পালিমান ঔষধ আনি লিডিয়াক খাবলৈ দিলোঁ। লিডিয়াৰ জ্বৰ তেতিয়া কিছু কমিছিল। তেওঁ উঠি বহিছিল—বিছনাৰ ওচৰৰ টেবুলখনত থকা ঔষধৰ পেকেটটোলৈ চাই তেওঁ সুধিলে—

"এইবোৰ কিহৰ দৰৱ আনিছে?"

মই ভালেখিনি উৎসাহ পাই ক'লোঁ, "তোমাৰ অসুখৰ কাৰণে। আমাৰ এই হোমিওপেথজন বৰ ভাল। তেওঁৰ ঔষধে লৰা-ছোৱালী আৰু মাইকী মানুহৰ ক্ষেত্ৰত বৰ গুণ কৰে। এই কেই 'ডজ' ঔষধতে তোমাৰ অসুখ ভাল হৈ যাব বুলি কৈছে। মুখখন ধুই খাই লোৱাচোন এটা পেকেট।"

লিডিয়াৰ যে আন এটা স্বৰূপো আছে, সেইদিনা পোন প্ৰথম দেখা পালোঁ। তেওঁ বিছনাৰ পৰা উঠিল। আৰু দৰৱৰ সৰু এনভেলপটো হাতত লৈ খিৰিকীখনেৰে বাহিৰলৈ দলিয়াই দি মোৰ ফালে চাই কবলৈ ধৰিলে—

"এইবোৰ দৰৱ আনিছে? আজি পোন্ধৰ বিশ দিন বেমাৰত ভুগিছোঁ, কোনো লক্ষ্য নাই। এতিয়া হোমিওপেথিক দৰৱ খুৱাই

জ্বৰ ভাল কৰিবলৈ আহিছে। লাজ নালাগে। ভাল ডাক্তৰ এজন মাতি আনি দেখুৱাবলৈ মই কব লাগে? নিজৰ জ্ঞান নাই? মই তেনেকুৱা দৰিদ্ৰ মানুহৰ ঘৰৰ ছোৱালীতো নহয়। মই গাৱঁলীয়া মানুহ নেকি যে গছ-বনৰ দৰৱ খাই বেমাৰ ভাল কৰিব লাগে?

হোমিওপেথিক দৰৱ উলিয়াইছেহি। ৯ বজাত ঘৰৰ পৰা ওলাই গৈ অ'ত ত'ত আড্ডা দি সন্ধ্যা ৬ বজাত ঘৰ সোমাবহি— এতিয়া মোৰ অসুখৰ খবৰ লবলৈ আহিছে। নাখাওঁ, মই একো দৰৱ নাখাওঁ। এনেকৈয়ে মৰিব লগা আছে যদি মৰিম। মোক এইবোৰ ছালছিগা ভিকহুৰ লগত বিয়া দি মাইঁতে মাৰিবলৈ বিচাৰিলে যেতিয়া সেয়ে হক।"

লিডিয়া কঁপিছিল। মই এই অৱস্থাটোৰ কাৰণে অলপো প্ৰস্তুত নাছিলোঁ—সেই কাৰণে আচৰিত আৰু হতাশ হৈ পৰিছিলোঁ। লিডিয়াৰ প্ৰতি লক্ষ্য নৰখাৰ প্ৰশ্নই উঠিব নোৱাৰে। মই সদায় অনুভৱ কৰিছিলোঁ যে লিডিয়া এখন অৱস্থাপন্ন ঘৰৰ নুমলীয়া ছোৱালী। দেউতাক নাথাকিলেও তেওঁ অভাৱ অনাটনৰ সন্মুখীন হব লগা নহৈছিল। সেই কাৰণে তেওঁ যাতে কোনো কষ্ট অনুভৱ কৰিব লগা নহয় তাৰ বাবে মই সদায় সচেতন হৈছিলোঁ। বিয়াৰ পাচৰ প্ৰথম ছমাহতে যাতে তেওঁ মোৰ সৰ্বহাৰা সংসাৰ-যাত্ৰাৰ অভিজ্ঞতা লবলগা নহয় তাৰে চেষ্টা কৰিছিলোঁ। ভাবিছিলোঁ তেওঁ এদিন নিজেই সকলো কথা উপলব্ধি কৰিব। তদুপৰি মই বিয়াৰ আগতে তেওঁৰ লগত হোৱা সাক্ষাতৰ প্ৰথম দিনতে মোৰ অৱস্থাৰ কথা স্পষ্টভাৱে কৈছিলোঁ। মোৰ ভিকহু অৱস্থাৰ বাবে তেতিয়াই তেওঁ বিয়া কৰাবলৈ অসন্মত হব পাৰিলেহেঁতেন। মোৰ বিষয়ে সকলো জনাৰ পাচতো বিয়া কৰাবলৈ সন্মত হোৱা ধুনীয়া ছোৱালী লিডিয়াক মই চিন্তা-ধাৰাৰ ফালৰ পৰাও ধুনীয়া বুলি ধাৰণা কৰিছিলোঁ। কিন্তু সেইদিনাৰ কথাখিনিয়ে মোক একেবাৰে হতাশ কৰি পেলালে।

পিচদিনা 'কেজুৱেল' ছুটী লৈ এজন এল-এম-পি ডাক্তৰক ঘৰত

উপস্থিত কৰালোঁহি। এইজন ডাক্তৰৰ নাম আছে, আৰু সেই কথা লিডিয়ায়ো জানে। এইজন ডাক্তৰ সাধাৰণতে ৰোগীৰ ঘৰলৈ নাযায়। তেওঁৰ নিজৰ চেম্বাৰতে ৰোগীৰ পৰা বিৰ দি বাট পাবলৈ নাই। সেই কাৰণে তেওঁক আধা মাইল বাট আনিবলৈ কিমান সাধ্য-সাধনা কৰিব লগা হৈছিল, এতিয়াও মনত আছে।

ডাক্তৰে লিডিয়াক বিছনাত শুৱাই লৈ ভালদৰে পৰীক্ষা কৰিলে। মোৰ বৰ্ণনাখিনিৰ বাহিৰেও তেওঁ লিডিয়াৰ পৰাও বিৱৰণ ললে। শেষত এখন প্ৰেচক্ৰিপচন লিখি মোক ক'লে—

"অসুখ একো বেছি নহয়। চিন্তা কৰিব লগা নাই। এই সময়ত এনেকুৱা হয়েই। পানী লগা জ্বৰ হৈছে। মই এটা 'মিক্‌চাৰ' লিখি দিছোঁ ভাল হৈ যাব। এটা টনিকো দিছোঁ। সেইটোও আনি খুৱাব। অলপ মুকলি বতাহত ফুৰিব চাকিবলৈ দিব। মানসিক উত্তেজনা যাতে নহয় তাৰ প্ৰতি যত্ন লব।"

ডাক্তৰৰ ভিজিট আঠ টকা দিয়াৰ পাচত হাতত মাত্ৰ চাৰি টকামান বাকী ৰৈছিল। তাৰে ঔষধো কিনিব লাগব আৰু ভাল 'ডায়েট'ৰো ব্যৱস্থা কৰিব লাগিব। দৰ্মহা পাবলৈ তেতিয়াও কেই-দিনমান বাকী আছিল। যিহওক, এজন বন্ধুৰ সৌজন্যত ওচৰৰ ফাৰ্মাচী এখনৰ পৰা ঔষধখিনি বাকী কৰিয়েই আনিবলৈ সমৰ্থ হলোঁ। এটা সমস্যাৰ পৰা সাময়িকভাৱে অব্যাহতি পোৱা গ'ল।

লিডিয়াৰ খিং খিঙীয়া স্বভাৱটো কিছু আঁতৰি গৈছিল। কামকৰা 'আপা'টোৰ লগত ভালদৰেই কথাবাৰ্তা কবলৈ আৰম্ভ কৰিছিল। মোৰ মনটোও ভাল লাগিছিল। সেইদিনাৰ কথা পাহৰি যাবলৈ চেষ্টা কৰিছিলোঁ। তথাপিও অনিচ্ছাকৃতভাৱেই মনটো কিছু গম্ভীৰ হৈ পৰিছিল।

সেইদিনা তেৱেঁই ক'লে, "বলকচোন আজি নৈৰ পাৰতে অকণমান ফুৰি আহোঁগৈ। আজি এমাহমান ঘৰৰ পৰা ওলোৱাই নাই। মোৰ এইদৰে ঘৰত সোমাই থকাৰ অকণো অভ্যাস নাই।" মোৰো ভাল

লাগি গৈছিল। কেইদিনমানৰ পৰা অফিচত কামৰ হেঁচা পৰিছিল। শনিবাৰেও পাঁচ বজালৈকে কাম কৰিব লগা হৈছিল। লিডিয়াৰ প্ৰস্তাৱত উৎসাহেৰে লৰালৰিকৈ ওলালোঁ।

ব্ৰহ্মপুত্ৰৰ পাৰৰ বাটছোৱাত গধূলি পৰত বহুত মানুহ ফুৰিবলৈ আহে। নৈৰ বালিত যতমানে নগৰৰ আৱৰ্জনা দম খাই থাকিলেও আৰু সেই অঞ্চলটো একশ্ৰেণী মানুহে ৰাজহুৱা শৌচাগাৰ স্বৰূপে ব্যৱহাৰ কৰিলেও, নদীৰ পাৰত ফুৰাটো এটা আভিজাত্য নিদৰ্শনকাৰী কাৰ্য্য বুলি বহুতে গণ্য কৰিছিল। সেই কাৰণে মটৰ গাড়ী থকা দুই চাৰিজনেও সপৰিয়ালে তালৈ আহি নদীৰ পাৰৰ অস্বাস্থ্যকৰ গোন্ধ লৈ সান্ধ্যভ্ৰমণ উপভোগ কৰিছিল।

আমি আগবাঢ়ি গৈছিলোঁ। লিডিয়াই অন্যমনস্কভাৱে নদীৰ বুকুৰ ফালে চাই গৈছিল। কেইগৰাকীমান তিৰোতা মানুহৰ কাষেদি পাৰ হৈ যাওঁতে মাত শুনা গ'ল—'এই লিডি, বাঃ আজিকালি ঘুৰিয়েই নোচোৱা হলি দেখোন। চিনিয়েই নোপোৱা হলি নেকি?' লিডিয়াৰ লগতে ময়ো মানুহ কেইগৰাকীৰ ফালে ঘূৰি চালোঁ। সেই তিনি গৰাকী গাভৰুহে। প্ৰসাধন আৰু কাপোৰ-কানিৰে নিজক কুমাৰী কৰি ৰাখিবলৈ অপচেষ্টা কৰা বিগতযৌৱনা নাৰী। লিডিয়াই কিবাকিবি কৈ তেওঁলোকৰ লগত আত্মীয়তা স্থাপন কৰিলে। এগৰাকীয়ে মোৰ ফালে চাই হাতযোৰ কৰি নমস্কাৰ জনোৱাৰ ভঙ্গীলৈ ক'লে, "আপোনাক চিনিয়েই নাপাওঁ। এই প্ৰথম দেখা।" ময়ো প্ৰতি-নমস্কাৰ জনাই তেওঁৰ ফালে চালোঁ। পাঁচ ফুটৰ কোনো ৰকমে কাষ নচপা, খৰ্বাকৃতি এই নাৰীমূৰ্ত্তিটি মোৰ কাৰণে বেছ আমোদজনক হৈ পৰিল। সেই কাৰণেই বোধহয় হাঁহি উঠি গ'ল। কলোঁ—এৰা, আপোনাক লগ পোৱাবো মোৰ এয়ে প্ৰথম সৌভাগ্য। কিন্তু ইয়াৰ বাবে প্ৰথমতে লিডিয়া আৰু দ্বিতীয়তে আপোনালোক নিজে দায়ী। কাৰণ লিডিয়াই মোক আপোনালোকৰ লগত চিনাকি কৰি দিয়া নাই আৰু আপোনালোকো আমাৰ ঘৰলৈ অহা নাই।"

এইবাৰ কৃশকায়া কৃষ্ণাঙ্গী আৰু সৰ্বাপেক্ষা দীৰ্ঘাঙ্গী গৰাকীয়ে মন্তব্য কৰিলে। 'এ ভাই, আপুনি গল্প টল্প লিখে নেকি? খুব ভাল ভাষা কয় দেখোন।'

বহুত দিনৰ মূৰত ছোৱালীৰ লগত কথা কবলৈ লোৱা বাবেই নেকি মোৰ মুখৰ পৰা সলসলকৈ ওলাই গ'ল—"ক্ষমা কৰিব দেই। সাহিত্যৰ লগত মোৰ সম্বন্ধ অহি-নকুল। মই একেবাৰে শুকান বৃত্তিৰ মানুহ। নিজৰ হাতত এপইচাও নাথাকে কিন্তু আনৰ হাজাৰ হাজাৰ টকাৰ হিচাপ ৰখাটোৱেই মোৰ কাম। কড়া গণ্ডা ক্ৰান্তিৰ হিচাপ লগাই মূৰ ঘোলা কৰা মানুহে গল্প লিখি সাহিত্য কৰিব বুলি সপোনতো নাভাবিব দেই। মানুহে ভুল কৰা বুলি কব।"

এটা হাঁহিৰ জোৱাৰ উঠি গ'ল। যদিও এই উত্তৰটোত উচ্চস্বৰে হাঁহি মাৰিব লগা সমল বিশেষ একো নাছিল।

প্ৰায় দহ মিনিটৰ প্ৰশ্নোত্তৰ পৰ্বৰ পাচত আমি এই দলটোক এৰাব সুযোগ পালোঁ। এইখিনি আলোচনাৰ পৰা মই বুজিব পাৰিলোঁ যে এওঁলোক লিডিয়াৰ পুৰণি চিনাকি। খৰ্বাকৃতি গৰাকী আছিল লিডিয়াৰ সহপাঠী। এওঁলোকৰ ককায়েকে বন বিভাগত ভাল কাম কৰে। গুৱাহাটীৰ পৰা বদলি হৈ ধুবুৰীলৈ গৈছিল। কেইদিনমান হৈছে ইয়ালৈ আকৌ ঘুৰি আহিছে। তেওঁ এখন নতুন মটৰ গাড়ী কিনিছে, মাত্ৰ এসপ্তাহ হৈছে। নতুন গাড়ীখন কিছু দূৰত বৈ থকা বাবে তেওঁলোকে তালৈ আঙুলিয়াই দিয়াত একো অসুবিধা হোৱা নাছিল, আৰু আমিও চাই লোৱাৰ সুযোগ পাইছিলোঁ। গাড়ীখনৰ বনেটত ভেজা দি, চিগাৰেট হুপি, ব্ৰহ্মপুত্ৰৰ বুকুলৈ চোৱাৰ ভাও জুৰি আমাৰ ফালেও লক্ষ্য কৰা মানুহ এজনকো দেখা পাইছিলোঁ। প্ৰায় ৬০ গজ দূৰত থকা মানুহজনক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব নোৱাৰিলেও থাৱৰ কৰিব পাৰিছিলোঁ—তেওঁ ওখ, শকত-আৱত আৰু আফ্ৰিকাবাসীৰ দৰে ক'লা।

বিদায় লোৱাৰ পৰত পৰস্পৰে পৰস্পৰক নিজ নিজ ঘৰলৈ

আমন্ত্ৰণ জনোৱাৰ শিষ্টাচাৰ পালন কৰাৰ লগতে লিডিয়াৰ সহপাঠী গৰাকীয়ে কৈছিল, "লিডি, তই কিন্তু জৰুল আমাৰ ঘৰকৈ আহিবি দেই। ককাইদেৱে আজিকালিও তোৰ কথা কৈ থাকে।"

ঘৰৰ পৰা ওলাই অহাৰ আধা ঘণ্টাৰ পাচতে আকৌ উভতি যোৱাৰ ইচ্ছা নাছিল। ভাবিছিলোঁ সন্ধিয়াটো বাহিৰতে কটাই দিম। কিন্তু লিডিয়া ঘৰমুৱা হৈ খোজ লোৱাত আচৰিত হলোঁ। কিছু দূৰ গৈ সুধিলোঁ, 'কিয়, উভতিলা যে! এতিয়াই ঘৰ সোমাবাগৈনে?' উত্তৰত লিডিয়াই ক'লে, 'মই আৰু নুযুবোঁ। মূৰটো বিষাইছে। ভাল লগা নাই।' উভতি আহিব লগা হ'ল বিনা বাক্যব্যয়ে।

॥ সাত ॥

এইবোৰ বহুত দিনৰ আগৰ পুৰণি কথা। কিন্তু এই নিৰ্জন কোঠাটোত বহি থাকোঁতে নিখুঁতভাৱেই কিছুমান দিনৰ দৃশ্যবোৰ মনত পৰিছে।

ডেকা সহকৰ্মী কেজনে কৈছিল,—"দোকানৰ চাহ টোপাৰে কিন্তু নহব দেই। পূৰা আমিষ ভোজন হব লাগিব। প্ৰথম সন্তান তাতে আকৌ পুত্ৰ।" তেওঁলোকৰ শুভেচ্ছাৰ বাবে ধন্যবাদ জনাইছিলোঁ। পিতৃত্বৰ গৰ্ব হৈছিল। কিন্তু সেয়া আছিল ক্ষণস্থায়ী। লিডিয়াক চিভিল হাস্পতাললৈ নিয়া নহ'ল। মেটাৰ্নিটী ৱাৰ্ডৰ এটা 'ছিট' যোগাৰ কৰা সম্ভৱ নাছিল। ডাক্তৰ, মেট্ৰন, নাৰ্ছ প্ৰত্যেককে সন্তুষ্ট কৰিব পাৰিলেহে 'ছিট' যোগাৰ হয়। তেওঁলোক 'সন্তুষ্ট' নহলে সেই ৱাৰ্ড সদায় 'ফুল' হৈ থাকে। এইসকলক সন্তুষ্ট কৰিব পৰা আৰ্থিক সঙ্গতি সেই সময়ত মোৰ নাছিল। এই এটা জৰুৰী অৱস্থাৰ বাবে আগৰে পৰা প্ৰস্তুত হোৱা দৰকাৰ আছিল যদিও প্ৰতি মাহৰ ঘাটি বাজেটৰ বাবে তেনে কৰা সম্ভৱ নহ'ল। কণ্ণা শাহুৱেও মোৰ অৱস্থাটো বুজিয়েই বোধহয় বিহাৰী ধাইৰ সাহায্য লবলৈকে পৰামৰ্শ দিছিল। তাৰ লগতে অৱশ্যে চিনাকি হোমিওপেথজনৰ ছুগাৰ অব মিল্কৰ পেকেট কেইটামানো আছিল। সেইখিনিকে সম্বল কৰি এটা ভয়ানক সংকটৰ পৰা লিডিয়াক ৰক্ষা কৰিবলৈ চেষ্টা

চলোৱা হৈছিল। আৰু সুদীৰ্ঘ ২৪ ঘণ্টাৰ অবৰ্ণনীয় যন্ত্ৰণাৰ পাচত এটি নৰপুঙ্গৱে পৃথিৱী দৰ্শন কৰিবলৈ সক্ষম হৈছিল। হাস্পতালত ছিট এটা পোৱা হলে লিডিয়াই হয়তো এই কষ্ট ভোগ কৰিব লগা নহ'লহেঁতেন। লিডিয়ায়ো নিশ্চয় সেই কথা বুজিছিল। কিন্তু তাকে কৰিব পৰা নগ'ল টকাৰ অভাৱত।

যেতিয়া সহকৰ্মী কেইজনে আমিষ ভোজনৰ কথা কৈছিল, তেতিয়া মোৰ কামিজৰ জেপত আছিল পাঁচ টকাৰ এখন নোট। সেই নোটখনৰ বৰণ, তাত লিখি থোৱা ইংৰাজী শব্দ কেইটা তেতিয়া চকুৰ আগত জিলিকি উঠিছিল। এটা অতি মূল্যৱান সম্পদ স্বৰূপে সেই নোটখন দুহাতেৰে সাৱটি ধৰিবৰ ইচ্ছা হৈছিল, যেন পৃথিৱীৰ কোনো শক্তিয়ে মোৰ হাতৰ পৰা সেইখন কাঢ়ি নিব নোৱাৰে। তাৰ লগে লগে লিডিয়াৰ শেঁতা মুখখন, কেঁচুৱাটিৰ কান্দোন, গাখীৰ নথকা ফিডিং বটলটো, ডাক্তৰে লিখি দিয়া প্ৰেচক্ৰিপচনখন আৰু আপাই বাঁহৰ ডলাখনত শিলগুটি বাছিবলৈ লোৱা মচুৰ ডাইল কেইটাৰ কথা মনত পৰিছিল। ডাক্তৰে কৈছিল মাছৰ জোলকণ অন্ততঃ সদায় খুৱাব লাগে, নহলে কেঁচুৱাই মাকৰ গাখীৰ নাপাব।

দিনবোৰ পুৰণি হৈ গলেও কিছুমান কথা বৰ স্পষ্টভাৱে মনত থাকে। এক্‌শ্ৰেণী মানুহে আমাৰ সমাজ ব্যৱস্থাত সংসাৰ যাত্ৰাত যি অবৰ্ণনীয় শাৰীৰিক কষ্ট আৰু মানসিক বেদনাৰ সন্মুখীন হব লগা হয় তাক পাহৰি যোৱা সহজ নহয়। এটা সময়ত জীৱনৰ এই সময়-ছোৱাৰ কথা পাহৰি যাবলৈকে চেষ্টা কৰিছিলোঁ, কিন্তু সম্ভৱ নহ'ল।

আমাৰ দেশৰ সাধাৰণ মানুহে আশা কৰিছিল মহাত্মা গান্ধীয়ে অহিংস আন্দোলনেৰে যেনেকৈ ভাৰতৰ স্বাধীনতা আনিলে, সেইদৰে খাদ্য, বস্ত্ৰ আৰু আশ্ৰয়-স্থলৰ সমস্যাও সমাধান কৰিব। সমাজৰ আটাইতকৈ দুখীয়া শ্ৰেণীটোৱেও স্বাধীনতাৰ সোৱাদ পাব, তেওঁলোকৰ অভাৱ আঁতৰি যাব। কিন্তু সেই আশা পূৰণ নহ'ল। বৃটিছ শাসক দল ভাৰত এৰি যোৱাৰ পাচত. কিছুমান মানুহ ওলাল যি সাধাৰণ মানুহক শোষণ কৰিবলৈ ল'লে যেন এজাক গৰালৰ পৰা বাজ ওলোৱা কুকুৰনেচীয়া বাঘ। এইদল মানুহে স্বাধীনতা সংগ্ৰামীৰ মুখা পিন্ধিলে। ১৯৪২ চনৰ গণ আন্দোলনত মিলিটেৰীৰ ঠিকা কৰি ধন ঘটা মানুহবোৰো ৰাতিটোৰ ভিতৰতে ৰাজনৈতিক নিৰ্যাতিত হৈ পৰিল। সেইবোৰে চৰকাৰী সুযোগ সুবিধা লাভত অগ্ৰাধিকাৰ পালে। সিহঁতে নতুন ঠিকা আৰম্ভ কৰিলে; চোৰাং ব্যৱসায়, দুৰ্নীতি আৰম্ভ কৰিলে। সাধাৰণ মানুহৰ অৱস্থা আৰু বেয়া হৈ গ'ল। এই সাধাৰণ শ্ৰেণীটোৱে এটা ভুৱা সামাজিক মৰ্য্যাদা ৰক্ষা কৰিবলৈ যাওঁতে লাওলোৱা হব লগাত পৰিল।

ময়ো এই পৰিস্থিতিৰ ব্যতিক্ৰম নাছিলোঁ।

দেশখনত চাৰিওফালে অভাৱ অনাটন বিয়পি পৰিছিল। ইতিমধ্যে টকাৰ মূল্য হ্ৰাস কৰাত অৱস্থা আৰু গুৰুতৰ হৈ পৰিছিল। টকাৰ মূল্য হ্ৰাস কৰাৰ অৱশ্যম্ভাৱী প্ৰতিক্ৰিয়া হৈছিল—মূল্য বৃদ্ধি। ৰেচনিং ব্যৱস্থাই সাধাৰণ মানুহক অকণো সুবিধা দিব নোৱাৰিলে। ক্ষমতাত অধিষ্ঠিত আৰু অৱস্থাপন্ন দলটোৱেই তাৰ সুবিধা গ্ৰহণ কৰিলে। ৰেচনিং ব্যৱস্থাতো দুৰ্নীতি চলিল।

বহুত দিনৰ মূৰত 'মেচ' এটাত ডবা খেলিবলৈ গৈছিলোঁ। ডবা খেলত পাৰদৰ্শিতা থকা বুলি বন্ধু মহলত মোৰ নাম আছিল। ডবা খেলৰ গুটি ভালদৰে চলোৱাৰ কৌশল আয়ত্ত কৰিছিলোঁ, কিন্তু সেইদৰে জীৱন যুদ্ধত গুটি চলাবলৈ নিশিকা বাবে যতমানে পয়মাল ঘটিছিল। একেলগে বি. এ পাছ কৰা আন কেইবাজনৰ লগতে এ.চি. এছ. পৰীক্ষা দিও শেষত গুটি চলাব নজনাৰ দোষত হাকিম হোৱাৰ আশা ব্যৰ্থ হ'ল। মোতকৈ নিম্ন অৰ্হতা থকা দুজনে চৰকাৰী চাকৰি পালে। তেওঁলোকৰ এজনে চাকৰিত বাহাল হোৱাৰ এবছৰৰ পাচতে মন্ত্ৰী এজনৰ কন্যা এগৰাকীক বিয়া কৰালে। আনজনে মুখ্যমন্ত্ৰীৰ অতি বিশ্বস্ত লোকজনৰ সম্পৰ্কীয় স্বৰূপে সুবিধা গ্ৰহণ কৰিলে। তেওঁৰ এটা ওপৰঞ্চি অৰ্হতাও সৃষ্টি হ'ল—তেওঁৰ বৰদেউতাক এজনে

৪২-ৰ আন্দোলনৰ সংশ্ৰৱত চাৰিদিন পুলিচ থানাত আটক হৈ থাকিব লগা হৈছিল। সেই সূত্ৰে তেওঁ ৰাজনৈতিক নিৰ্যাতিত বুলি পৰিগণিত হ'ল। এইবোৰ কৌশল আয়ত্ত কৰিব পৰা গুণ মোৰ নাছিল। সেই কাৰণে ক্লাবত 'ফ্লাছ', প'কাৰ খেলাৰ পৰিবৰ্তে খেৰী-ঘৰৰ মেছত অকচন ব্ৰিজ, ডবা খেলিব লগা হৈছিল। বিয়েৰ, হুইস্কীৰ সলনি বিস্কুট চাহকে লৈ সন্তুষ্ট থাকিব লগা হৈছিল। ইয়াৰ বাবে অভিযোগ তুলি মানসিক অশান্তিও অৱশ্যে ভোগ কৰা নাছিলোঁ। কিন্তু সেই দিনবোৰো সলনি হৈ গৈছিল। খেলৰ দৰ্শক বন্ধু এজনে প্ৰসঙ্গটো উলিয়ালে।

"সিদিনা মেনেজিং ডিৰেক্টৰে মোক কি ক'লে জানা, তোমালোকে বতাহ খাই থাকানে, গছৰ পাত খাই থাকা—মই সেইবোৰ কথা নাজানো। মই দৰ্মহা বঢ়াই দিব নোৱাৰোঁ—এই কথাটোহে মই জানো।"

মোৰ প্ৰতিদ্বন্দ্বীজনে তেওঁৰ 'ৰজা'ক দিয়া চেক বন্ধ কৰিবলৈ নতুন চাল দিবলৈ এৰি ক'লে—

"দৰ্মহা বঢ়াই নিদিয়ে যদি কলমো বন্ধ হব। মেনেজিং ডিৰেক্টৰে নতুন চেভ্ৰলেট কাৰ কিনিবলৈ বেংকৰ টকা ওলায়, আৰু আমাৰ ডেৰ কুৰি মানুহক ১০।১৫ টকা বঢ়াই দিবলৈ টকা নোহোৱা হয়। ইমান অন্যায় সহ্য কৰিব নোৱাৰি।"

বন্ধুজনৰ উত্তেজনাৰ কাৰণ আছিল। বেচেৰাক ১১০ টকা দৰ্মহা দি ডেৰ বছৰ গাধাৰ দৰে খটুৱাইছিল। সকলো কৰ্মীৰে সেই একেই অভিযোগ। মেনেজিং ডিৰেক্টৰ, ছেক্ৰেটৰী আৰু এজেণ্টৰ বাহিৰে আন কাৰো অৱস্থা ভাল নহয়। সকলোৱে চৰা দামৰ সমুখত ত্ৰাহি মধুসূদন চিঞৰিব লগা হৈছে। বেংকৰ কামত খাটনি বেছি কিন্তু সেই কথা কৰ্তৃপক্ষই স্বীকাৰ কৰিব নোখোজে।

মই কলোঁ, "কিন্তু কৰিবা কি? উপায়তো নাই। যিবা ইউনিয়ন এখন কৰা হ'ল, তাকো মেনেজমেণ্টে স্বীকৃতি নিদিলে। আমাৰ ফালৰ পৰাও তাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ কাৰো মনকাণ নাই। কিন্তু আটাইতকৈ ডাঙৰ কথা হ'ল—আমি আন্দোলন কৰাৰ ফলত যদি অৱস্থা আৰু বেয়া হয়!"

"এইবাৰ সেইচব নচলিব। ইউনিয়ন মানক বা নামানক আমাৰ দাবী মানিব লাগিব। ইউনিয়ন নাথাকিলে বুলিয়েই কিছুমান মানুহক ইচ্ছামতে মালিকে শোষণ কৰিবনে কি?" আন এজনে আৰু উত্তেজিত হৈ ক'লে।

"কিন্তু চৰকাৰৰ আইন কিছুমানতো আছে? আইন নমনা বুলি যদি আমাৰ কেইটামানক পুলিচে ধৰি নি সুমুৱাই থয় তেতিয়া কি হ'ব?" মই কলোঁ।

আগৰজনেই তাচ্ছিল্যৰ সুৰত ক'লে—

"হেৰা, বিয়া কৰোৱা দুবছৰ নৌহওঁতেই তোমাৰ ইমান অধঃপতন ঘটিব বুলি ভাবিবই পৰা নাছিলোঁ। তুমি চৰকাৰ আৰু আইনৰ কথা কোৱাঁ কিন্তু তোমাৰ চৰকাৰে সাধাৰণ মানুহৰ কল্যাণৰ কথা চিন্তা কৰিব নালাগে নেকি? চৰকাৰে আইন কাৰ কাৰণে কৰিছে? কেইটামান ধনীৰ কাৰণে আইন কৰিলেই হ'লনে? আমি যদি সেইবোৰ আইনকে সদায় মানি থাকোঁ, তেন্তে আমাৰ কি লাভ হব?"

আন এজনে কৈছিল, "হেৰ, আমাৰ মেনেজিং ডিৰেক্টৰলৈ লক্ষ্য কৰিছনে? সি বেটাই আজিকালি খদ্দৰৰ লং পেণ্টহে পিন্ধে। হাফ ছাৰ্টৰ ওপৰত আক' এটা জহৰ কোট পিন্ধিবলৈ লৈছে। তেহে মানুহে কংগ্ৰেছী বুলিব? কংগ্ৰেছৰ নামলৈ, গান্ধীৰ নামলৈ শোষণ কৰা এই দলটোক মৰিয়াই মাৰিব লাগিব। নহলে দেশখনেই ধ্বংস হব। চাবি, এইদৰে চলি থাকিলে আৰু দহ বছৰৰ মূৰত এইখন দেশ লাওলোৱা হব।"

ইণ্টাৰমিডিয়েট বা মেট্ৰিকুলেচন পাছ কৰি অসমীয়া বেংকিং প্ৰতিষ্ঠানত সোমাই নিবন্নুৱা সমস্যাৰ পৰা অব্যাহতি পোৱা এইদল ডেকা মানুহে ৰাজনৈতিক মতবাদ বা অৰ্থনৈতিক ধাৰাৰ বিষয়ে

অধ্যয়ন কৰাৰ প্ৰয়োজন বোধ কৰা নাছিল যদিও ব্যৱহাৰিক জ্ঞানৰ পৰাই এইবোৰ কথা কৈছিল। তেওঁলোকৰ মনবোৰ তিক্ত অভিজ্ঞতাই বিদ্ৰোহী কৰি তুলিছিল।

মই মনে মনে ভাবিছিলোঁ—এইবোৰ মানুহক জীৱন যাত্ৰাৰ সাধাৰণ সুবিধাখিনি দিব পাৰিলেই সহজে শান্ত কৰি ৰাখিব পাৰি। ভাৰতীয় ঐতিহ্যই এই দেশৰ মানুহক সোনকালে সন্তুষ্ট হবলৈ শিকাইছে। কিন্তু এক শ্ৰেণীৰ মানুহে সেই সুযোগকে গ্ৰহণ কৰিব পৰা নাই। ফলত শান্ত মানুহবোৰ ক্ষুব্ধ হৈ উঠিছে।

ডবা খেলৰ গুটিবোৰ ক'ৰবাত পৰি ৰ'ল। সেই মেচটোতে, মাজত এখন বেতৰ টেবুললৈ, তক্তাপোচ দুখনত বহি থকা মানুহ কেইজনৰ ভিতৰতে সিদ্ধান্ত হৈ গ'ল।

—বেংক মেনেজমেণ্টে ইউনিয়ন মানিব লাগিব।

—দৰ্মহা বঢ়াই দিব লাগিব, নাইবা মৰগীয়া বানচ দিব লাগিব।

—পোন্ধৰ দিনৰ ভিতৰতে এই দুটা চৰ্ত্ত পূৰণ কৰা নহলে হব—অনিৰ্দ্দিষ্ট কালৰ বাবে ধৰ্মঘট।

ধৰ্মঘট সম্পৰ্কে মোৰ নিজা অভিজ্ঞতা নাছিল। কিন্তু এটা কথা মই জানিছিলোঁ যে ধৰ্মঘটৰ ওচৰত এইটো প্ৰতিষ্ঠানৰ মালিকে নতি স্বীকাৰ নকৰে। মেনেজিং ডিৰেক্টৰৰ দুখন চাহ বাগিচা আছে; ডিৰেক্টৰ কেইজনৰ প্ৰত্যেকৰে স্বকীয়া ব্যৱসায় গঢ়ি উঠিছে। তেওঁলোকে এতিয়া এই সৰু বেংকটোৰ ওপৰত নিৰ্ভৰ কৰি চলা নাই। যুদ্ধৰ পাচত বহুতো সৰুসুৰা বেংক অন্তৰ্দ্ধান হোৱাৰ দৰে এইটো বেংকেও 'বেংকৰাপচী ডিক্লেয়াৰ, কৰি বহি থাকিব। চৰকাৰে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা নলয় আৰু লব নোৱাৰেও। শেষত হয়তো ডেৰ দুই ডজন মানুহ নিবনুৱা হৈ পৰিব। কিন্তু এই ব্যৱস্থাৰ বাহিৰে আন পথো নাছিল। এই মানুহখিনিয়ে যদি আঠ ঘণ্টা ধৰি অফিচত লেজাৰ, ফাইল লুটিয়াই ঘৰ পোৱাৰ পাচত শুদা পেটে থাকিব লগা হয়, অকণ অকণ লৰা-ছোৱালী কেইটাৰ

ভোকাতুৰ বিননি শুনিব লগা হয়, গৃহিণী আৰু পোষ্যসকলক এডোখৰ কাপোৰ দিব নোৱাৰি মূৰে কপালে হাত দিব লগা হয়, দোকানী পোহাৰীৰ পাওনা দিব নোৱাৰি আত্ম-গোপন কৰিব লগা হয়, তেন্তে তেওঁলোকে সেই অৱস্থাৰ পৰা অব্যাহতি পাবলৈ চেষ্টা নকৰিব কিয়?

॥ আঠ ॥

প্ৰসৱৰ পাচত উপযুক্ত খাদ্য আৰু পৰিচৰ্য্যা নোপোৱাৰ বাবেই বোধহয় লিডিয়াৰ ভীষণ 'এনিমিয়া' হ'ল। স্বাস্থ্যৰ এনে অৱনতি ঘটিল যে মই নিজেই লিডিয়া বুলি চিনিব নোৱাৰা হলোঁ। স্বাস্থ্য বেয়া হলে সকলো মানুহ খিংখিঙীয়া হয়। লিডিয়াৰো সেয়ে হৈছিল। দিনটোৰ এক তৃতীয়াংশ সময় বাহিৰত কটাব লগা হোৱাত মই তেওঁৰ সেই ৰূপটো সম্পূৰ্ণ উপলব্ধি কৰিব নোৱাৰিলেও লগুৱাটি যে অতীষ্ঠ হৈ পৰিছিল তাক নকলেও হব। সময়ে অসময়ে পিতৃ-পুৰুষক ধৰি পৰা গালিৰ লগতে কাণ চেপা, বিছনীৰ নালৰ মাৰ খাই, মই অফিচৰ পৰা ঘূৰি অহাৰ পাচত, লিডিয়াৰ অনুপস্থিতিৰ সুযোগ বিচাৰি মোৰ ওচৰত সি গোচৰ দিবলৈ বাধ্য হৈছিল। মোৰ পৰা তাৰ অভিযোগৰ সঁহাৰি নেপাই সি সকলো কামতে অমনোযোগী হৈ পৰিছিল। দাইলত দুবাৰ নিমখ দি শেষ সময়ত ভাত খোৱা বন্ধ কৰা, কাপ-প্লেট, আয়নাৰ গ্লাছ ভঙা, দোকানৰ বস্তু কিনিবলৈ গৈ অস্বাভাৱিকভাৱে পলম কৰা, ৰাতিপুৱা পলমকৈ শুই থাকি 'মূৰ বিহোৱা'ৰ ভাও জোৰা আদি তাৰ বাবে সন্তৱপৰ সকলোখিনি অসহযোগ কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ এই উৎপাতবোৰ সহ্য কৰা মোৰ কাৰণেই কঠিন হৈ পৰিছিল।

লিডিয়াই স্পষ্টভাৱে কৈছিল, "এই মৰকুচীয়াটো আপুনি কি

কাৰণে ৰাখিছে? আপোনাৰ টকা থবলৈ ঠাই নোহোৱা হৈছে নেকি যে দগাবাজ এটাক ৰাখি বিনা কামত মাহে দহটাকৈ টকা দি থাকিব? মই ভালে ভালে কৈছোঁ এইটোক খেদাই দি ছোৱালী এজনী আনক। ছোৱালীয়েই ভাল।"

লিডিয়াই ঠিকেই কৈছিল। তাক অতি সোনকালে বিদায় দিয়াই উচিত আছিল। এটা চাৰিমহীয়া কেচুৱা আৰু এজনী ৰুগ্না মাতৃৰ আলপৈচান ধৰিবৰ বাবে এনেকুৱা এটা অসৎ আৰু অমনোযোগী লগুৱা উপযুক্ত নহয়। কিন্তু তাক এৰি দিলে আন কি ব্যৱস্থা কৰা হব তাক স্থিৰ কৰিব নোৱাৰা বাবেই সেই বিষয়ত মই উদাসীনতা প্ৰদৰ্শন কৰিব লগা হৈছিল। তাতোকৈ ডাঙৰ কথা আছিল আপাক দিব লগা দুমাহৰ বাকী বেতন। সেই কুৰিটা টকা তাক দি বিদায় দিব পৰা সামৰ্থ্য মোৰ নাছিল।

সি এদিন নিজেই কৈছিল, "বাবু মোৰ দৰ্মহা টাকা কিটা দিয়োক। পিতাই ঘৰলৈ যাবা কৈছে। একলাক যাই আহেঁা।"

যি হওক, এদিন সি নিজেই গ'লগৈ। বজাৰলৈ পঠাওঁতে ঘৰৰ পৰা যি ওলাই গ'ল আৰু নাহিল। সেই কাৰণে বজাৰৰ পৰা গৰৈ চেঙেলী মাছ কিনিবলৈ দিয়া ২ টকা আৰু আন শাকপাছলি কিনিবলৈ দিয়া ২ টা টকা তাৰ হাতেতে গ'ল। তাক বিচাৰি উলিয়াই তাৰ পাওনা ২০ টকা শোধাবলৈ নাইবা 'উত্তৰদায়ক ভৃত্য' এটা আকৌ চপাই লবলৈ ইচ্ছা নকৰিলোঁ। কিন্তু কেইদিনমানৰ মূৰত আবিষ্কাৰ হ'ল যে লিডিয়াৰ আঙঠি এটা নাই। আঙঠিটো তেওঁ বিছনাৰ তলতে থৈছিল। আপাই সদায় বিছনাখন জাৰি জোকাৰি তাত বেডকভাৰ পাৰিছিল বাবে ঘটনাটো কি হ'ল বুজিবলৈ বাকী নাথাকিল। কোনোবা বন্ধুৱে বিয়াত উপহাৰ দিয়া এই আঙঠিটো হেৰোৱাত লিডিয়া অগ্নিশৰ্ম্মা হৈ পৰিছিল। ভাল চাকৰ এটা ৰাখিব নোৱাৰা বাবে মোৰ অক্ষমতাত ধিক্কাৰ দি তেওঁ

কৈছিল, "নিজেতো ভাল বস্তু এটা দিব নোৱাৰিলেই মোৰ যি দুই এপদ সোণৰ বস্তু আছিল তাকো নোহোৱা কৰিছে।"

কাম কৰা ল'ৰাটো গুচি যোৱাৰ পাচত কি হব সেই অৱস্থাটোৰ কথা মই সামান্যভাৱে কল্পনা কৰিব পাৰিছিলোঁ যদিও জীৱনটো এনে ভয়ানক হব বুলি ভবা নাছিলোঁ। খোৱা-শোৱা সকলো বাদ দিব লগা হ'ল। তাৰ ওপৰত আছিল লিডিয়াৰ চিৰন্তন অসন্তুষ্টি। মই যিয়েই নকৰোঁ তাতেই তেওঁ ভুল দেখা পাইছিল। কেঁচুৱা আপডাল কৰা বিষয়ত অভিজ্ঞতা আমাৰ নাছিল। নিজৰ ভাই-ভনী নোহোৱা কাৰণে লৰা-ছোৱালীৰ যত্ন কেনেকৈ লব লাগে মই একো নাজানিছিলোঁ। লিডিয়াৰো সেই অভিজ্ঞতা নাছিল কাৰণ তেওঁৰ পাচত আৰু মাক-দেউতাকৰ কোনো ল'ৰা-ছোৱালী নাছিল। কিন্তু নাৰীস্বৰূপে তেওঁৰ শিশু প্ৰতিপালনৰ স্বভাৱজাত নিম্নতম জ্ঞানখিনিও নথকাত মই ব্যতিব্যস্ত হব লগা হৈছিল। তেতিয়া বুজিব পাৰিছিলোঁ যে আপাটোৱেই তেওঁতকৈ কেঁচুৱাটোৰ ভাল তত্বাৱধান লব পাৰিছিল। দুধদানিৰ গাখীৰখিনি কিমান গৰম হব লাগে, শৌচ-প্ৰস্ৰাৱ কৰিলে কাপোৰখিনি যে বদলাই দিব লাগে—এনে ধৰণৰ কথাবোৰো লিডিয়াই নজনাটো আচৰিত যেন লাগিছিল। সেইবোৰ দায়িত্ব লিডিয়াই মোৰহে বুলি ধৰি লৈছিল। সেই কাৰণেই বোধহয় কেঁচুৱাটো দিনে দিনে শুকাই খীণাই গৈছিল। মাজনিশা সাৰ পাই নেবানেপেৰাকৈ কান্দিবলৈ লৈছিল।

কেঁচুৱাৰ কান্দোনত বিৰক্ত হৈ লিডিয়াই কৈছিল, "এইবোৰ মৰি যোৱা হলেই ভাল আছিল। কিয় জানো জন্ম লৈছিল!" কোনোবা দিনা ময়ো সেইদৰেই ভাবিবলৈ লৈছিলোঁ—ই মৰি যোৱাই ভাল। কিন্তু পিচ মুহূৰ্ত্ততে তেনে চিন্তা অহাৰ বাবে নিজৰ ওপৰতে বিৰক্ত হৈছিলোঁ। ভাবিছিলোঁ—এই নিষ্পাপ শিশুটিৰ অপৰাধ কি? তাৰ জন্মৰ বাবে সিতো দায়ী নহয়। তাক জন্ম দিয়াৰ পাচৰখিনি দায়িত্বও আমাৰেই। তেতিয়া মনটো আৰু দৃঢ় হৈ

পৰিছিল—তাক জীয়াই ৰাখিব লাগিব—তাক মানুহ কৰিব লাগিব।

মেচত চলা আলোচনাত সময় পোন্ধৰ দিন ধাৰ্য্য কৰা হৈছিল যদিও এটা মাহেই পাৰ হৈ গ'ল। তথাপি মেনেজমেণ্টে আমাৰ কোনো দাবীৰ প্ৰতি কাণসাৰ নিদিলে। ইতিমধ্যে আমাৰ সংগঠন কিছু শক্তিশালী হৈ উঠিছিল। কেছিয়াৰ কাম কৰা চুটি-চাপৰ মানুহটি নিজে আহি ইউনিয়নৰ সভ্য হ'ল। ইউনিয়নৰ নাম লব নোখোজা এই মানুহটি মেনেজিং ডিৰেক্টৰৰ প্ৰিয়পাত্ৰ বুলিয়েই সকলোৱে জানিছিল। কিন্তু শেষত তেওঁ আমাৰ লগ ললেহি। তেওঁ ইন্সিয়ৰেন্স কোম্পানী এটাৰ এজেণ্ট স্বৰূপে কাম চলাইছিল। মেনেজিং ডিৰেক্টৰে বোলে তেওঁক মাতি নি এজেন্সী এৰি দিবলৈ হুকুম দিলে। সেয়ে আছিল তেওঁৰ বিদ্ৰোহৰ কাৰণ। তেওঁ অৱশ্যে নিজে ইউনিয়নত যোগ দিয়াৰ ব্যাখ্যা আন ধৰণেহে দিছিল। তেওঁ কৈছিল, "আমি সকলোৱেই কৰ্ম্মী। আমি ইজনে সিজনৰ লগত মিলিজুলি কাম নকৰিলে কোনো দাবী পূৰণ নহয়। আমি নিজৰ দাবী নিজে সংগ্ৰামৰ দ্বাৰা আদায় নকৰিলে মালিক পক্ষই কেতিয়াও আমাৰ প্ৰাপ্যখিনি নিদিয়ে।" তেওঁ ইনকিলাব জিন্দাবাদ ধ্বনিও আৰম্ভ কৰিছিল।

ধৰ্ম্মঘটৰ বিৰুদ্ধে মালিক পক্ষয়ো যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছিল—সোমবাৰৰ পৰা আৰম্ভ কৰা ধৰ্ম্মঘট ব্যৰ্থ কৰিবলৈ। দেওবাৰেই বেংকৰ ভিতৰত কেইবাজনো মানুহ সুমুৱাই ৰাখিছিল। শগুণৰ নিচিনা ছেক্ৰেটৰী নিজে 'কেছ' লৈ বহিছিল। পাঁচফুটীয়া মেনেজিং ডিৰেক্টৰে লেজাৰৰ পাত লুটিয়াইছিল। বেংকৰ দুৱাৰ মুখত আমাৰ পিকেটিংকাৰী দল আছিল কিন্তু বেংক কৰ্ম্মীৰ বাহিৰে আন মানুহক ভিতৰলৈ সোমাবলৈ বাধা দিয়া নাছিল। ধৰ্ম্মঘট শান্তিপূৰ্ণ আৰু কৃতকাৰ্য্য হোৱাত মেনেজিং ডিৰেক্টৰ ভীষণ উত্তেজিত

হৈ পৰিছিল। তেওঁ বাৰে বাৰে ভিতৰৰ পৰা বাহিৰলৈ অহা-যোৱা কৰিছিল। তথাপি আমাৰ মানুহে তেওঁক একো বাধা দিয়া নাছিল।

দ্বিতীয় দিনা কিন্তু অৱস্থা গুৰুতৰ হ'ল। বেংকত উইড্ৰৱেলৰ এনে ভীৰ আৰম্ভ হ'ল যে ভিতৰত থকা চাৰিজনৰ উশাহ লোৱাব নোৱাৰা অৱস্থা হ'ল। বেংকৰ মেনেজমেণ্টে বোধহয় ইয়াকেই বিচাৰিছিল। তৃতীয় দিনৰ দিনা আৰু আমি বাহিৰত ইন্‌কিলাব জিন্দাবাদ দি পহৰা দিব লগা নহ'ল। বেংকৰ দুৱাৰত তলা ওলমিল। এইবাৰ তলা বন্ধ! তলা খুলিবৰ বাবে চৰকাৰী বিভাগৰ লগত যুঁজিব লগা হ'ল। এনে এটা পৰিণতিৰ কথা মই আগতেই ভাবিছিলোঁ। কিন্তু মোৰ যুক্তিত কৰ্ম্মীসকলৰ এটা দল পতিয়ন যাব পৰা নাছিল। অৱশ্যে সংগ্ৰাম কৰিবলৈ যাওঁতে পৰিণতিৰ কথা ভাবি ইতস্ততঃ কৰা যুক্তিসঙ্গতো নহয়। কেইজনমানৰ ত্যাগ আৰু কষ্ট স্বীকাৰৰ বিনিময়ত যদি বৃহৎ সংখ্যক শ্ৰমিক লাভৱান হয় তেন্তে সেই ত্যাগৰ কাৰণে প্ৰস্তুত হোৱাই শ্ৰেয়। শোষণকাৰীৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ হলে ব্যক্তিগত ক্ষতিৰ কথা চিন্তা কৰিলে নচলে।

লেবাৰ অফিচত আপোচআলোচনা চলাৰ পাচত বেংকৰ তলা মুকলি হৈছিল। বেংক কৰ্তৃপক্ষই ইউনিয়নক স্বীকৃতি দিছিল; দৰ্ম্মহাৰ প্ৰশ্নটো অংশীদাৰৰ সাধাৰণ সভাত বিবেচনা কৰিবলৈ সন্মত হৈছিল। ধৰ্ম্মঘট আৰু তলাবন্ধৰ সময়ছোৱাৰ দৰ্ম্মহা 'অন্ একাউণ্ট' দিবলৈকো ৰাজি হৈছিল।

কিন্তু খোলাৰ ১৪ দিনৰ পাচত স্বৰ্ণপীঠ বেংকটি একেবাৰে বন্ধ হৈ গৈছিল।

বেংকৰ ধৰ্ম্মঘট আৰম্ভ হোৱাৰ লগে লগে লিডিয়াক মাতৃগৃহত জমা ৰাখিব লগা হৈছিল। তাৰ বাহিৰে আন উপায় নাছিল। সমূহীয়া স্বাৰ্থৰ সন্মুখত ব্যক্তিগত স্বাৰ্থৰ কথা চিন্তা কৰা মোৰ পক্ষে সম্ভৱ নাছিল। লিডিয়া আৰু কেঁচুৱাটোৰ কাৰণে কৰিবলগীয়া

বহুত আছিল যদিও সেয়ে ধৰ্ম্মঘটত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ পৰা মই বিৰত থকা উচিত বুলি বিবেচনা কৰিব নোৱাৰিলোঁ।

লিডিয়াৰ মাকে অৱশ্যে মোক আগৰে পৰা ভাৰা ঘৰটো এৰি দিবলৈ পৰামৰ্শ দিছিল। আত্মসন্মানৰ কথা চিন্তা কৰিয়েই মই সেই প্ৰস্তাৱত সন্মত হোৱা নাছিলোঁ। লিডিয়ায়ো হয়তো মোৰ দৰেই ভাবিছিল। তেওঁ বন্ধু-বান্ধৱীসকলৰ ওপৰত নিজক তললৈ নমাব খোজা নাছিল। লিডিয়াই আন দুই এজন মানুহৰ উদাহৰণ দি মোক বুজাব খুজিছিল যে বিয়া হৈ ওলাই যোৱা ছোৱালী স্বামীৰ সৈতে পুনৰ ঘৰ সোমোৱা লাজৰ কথা। কিন্তু শেষত সেই অৱস্থাৰে দাস হব লগা হ'ল। ইয়াৰ বাবেই হয়তো লিডিয়াৰ মনটো অধিক বিদ্ৰোহী হৈ উঠিছিল।

ৰোগগ্ৰস্তা হলেও লিডিয়াৰ মাকে কেঁচুৱাটোৰ তত্বাৱধান লৈছিল আৰু সেই কাৰণে সি বহু পৰিমাণে শান্ত হৈছিল। কিন্তু লিডিয়াৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটিছিল, বোধহয় মানসিক অশান্তিৰ কাৰণে। মোৰ দৈন্যতাৰ কথা আপোন মানুহৰ আগত হলেও প্ৰকাশ পোৱাটো লিডিয়াই সহ্য কৰিব নোৱাৰিছিল। লিডিয়াই বুজিছিল যে তেওঁৰ কাৰণে ঔষধ কিনিবলৈ মোৰ হাতত টকা নাছিল। সেইবাবে মাকে ঔষধ কিনি লোৱাৰ কথা ক'লে আন কথা উলিয়াইছিল। ময়ো সেইবোৰ পৰামৰ্শ শুনিও নুশুনাৰ ভাও জুৰিব লগা হৈছিল।

বেংকৰ তলা বন্ধ চলি থকাৰ সময়তে লিডিয়াৰ বায়েক ভিনিহীয়েক আহিছিল। মানুহজনে ছাপ্লাই ডিপাৰ্টমেণ্টত কাম কৰিছিল। নিজৰ মটৰগাড়ী আছিল। ঘৰ সাজিবৰ কাৰণে গুৱাহাটীত মাটি কিনি থৈছিল। ল'ৰা দুটা। বেছ সুখী পৰিয়াল তেওঁলোক গুৱাহাটীত এসপ্তাহমান আছিল।

তেওঁলোকৰ আগমনৰ সময়ত ময়ো ঘৰত আছিলোঁ, লিডিয়াৰ বায়েকে ঘৰ সোমায়েই পোনেই কৈছিল—

"অ', এওঁলোক সপৰিয়ালে দেখোন? এইবাৰ ভাৰা ঘৰ এৰি

শ্বশুৰ বাড়ীত আস্তানা পাতিলেহি নেকি ?” লিডিয়াৰ পৰা বায়েকৰ স্বভাৱৰ বিষয়ে আগতে শুনিছিলোঁ৷ যদিও তেওঁৰ পৰা এনে মন্তব্য আশা কৰা নাছিলোঁ। শিষ্টাচাৰৰ এনে অভাৱ হব বুলি ভাবিব পৰা নাছিলোঁ। তেওঁলোকক অহা দেখি অতি কষ্টেৰে হাঁহি এটা মুখত ফুটাবৰ চেষ্টা কৰি লিডিয়া দুৱাৰমুখলৈ ওলাই অহিছিল। লিডিয়াক দেখি বায়েকে ক'লে, “হেৰ', তই দেখোন যখিনী হলি। একো খাবলৈ নাপাৱ নেকি ?”

কেঁচুৱাটি সৰু বিছনাখনত শুই আছিল। মানুহজনীয়ে এটা টান মাৰি তাৰ গাৰ কাপোৰখন আঁতৰাই মন্তব্য কৰিলে, “ই আই, এইটো দেখোন নিগনি পোৱালি।” তেওঁক অনুকৰণ কৰি খটাসুৰ লৰা দুটাই কেঁচুৱাটোক যি টনা-আজোৰা লগালে তাৰ ফলত সি ভয় খাই চিঞৰি উঠিল। আমি—লিডিয়া আৰু মই নীৰৱ দৰ্শক হৈ থাকিব লগা হ'ল।

তেওঁলোক থকা দিন কেইটা ঘৰখনত এটা হুলস্থুল লাগি আছিল। গাড়ীত উঠি পলাশবাৰী, বশিষ্ঠাশ্ৰম, এৰোড্ৰোম ঘূৰা, চিনেমা চোৱা আদি অৱসৰ বিনোদনৰ কোনো কামেই তেওঁলোক বাদ দিয়া নাছিল। এইবোৰ ভ্ৰমণত তেওঁলোকৰ পৰিয়ালটোৱেই আছিল। মই জনাত লিডিয়াক কোনোদিনেই লগ ধৰা নাছিল। মাকে এদিন লিডিয়াকো লগত লৈ যাবলৈ কোৱাত বায়েকে কৈছিল—“থ, থ যিহে চেহেৰা হৈছে। তাইক মই নিব নোৱাৰোঁ। মানুহে কোন বুলি সুধিলে মই কি বুলি উত্তৰ দিম ? নালাগে, মটৰ গাড়ীত উঠি ফুৰিব নালাগে। যাব খুজিলে ৰিক্সাতে যাব। ময়ে পইচা দিম বাৰু।” মোৰ উপস্থিতিৰ বিষয়ে সম্পূৰ্ণ সচেতন হৈয়ে বোধহয় লিডিয়াৰ বায়েকে মই শুনাকৈ কথাবোৰ ডাঙৰ ডাঙৰকৈ কৈছিল। লিডিয়ায়ো নিশ্চয় শুনিছিল।

ল'ৰা দুটাই কেঁচুৱাটো লৈ 'এক্সপেৰিমেণ্ট' চলাইছিল। সিহঁতৰ অত্যাচাৰত সি জীয়াই থাকিবনে কি সিয়েই সন্দেহজনক হৈ

পৰিছিল। লিডিয়াই সিহঁতক মৰমৰ মাতেৰে বাধা দিয়াৰ বাহিৰে আন একো কৰিব নোৱাৰিছিল। গাৰ বিষত গোটেই ৰাতি কেঁচুৱাটোৱে কান্দিছিল—লিডিয়ায়ো কান্দিছিল।

গোটেই দিনটো ঘূৰি পকি ফুৰাৰ পাচত সেইদিনা গধূলি পলমকৈ ঘৰ সোমাইছিলোঁ। দিনত ভাত খোৱা নহ'ল। বেংকৰ চাকৰিৰ ভৱিষ্যত কি হব বুজিব পাৰিয়েই অ'ত ত'ত নতুন চাকৰিৰ সন্ধান চলাইছিলোঁ। ইফালে লেবাৰ অফিচত ইউনিয়নৰ কামো আছিল। ৰিক্সাত আহিবলৈ জেপ শুদা হোৱা কাৰণে ৩ মাইলমান বাট খোজ কাঢ়িব লগা হৈছিল—সেই কাৰণে ঘৰ পাওঁতে ১০ মান বাজিছিল। সাধাৰণতে লিডিয়াৰ বায়েকহঁত থকা কাৰণে ১১ বজাৰ আগতে ভাত খোৱা নহৈছিল। সেইদিনা কিন্তু গোটেই ঘৰ নিজম। যেন সকলো শুই নিঃপালি দিছে। আমি থাকিবলৈ লোৱা কোঠাটোৰ দুৱাৰত টুকুৰিয়াই মাতিলোঁ। বহুত পৰ কোনো সঁহাৰি নেপালোঁ। আকৌ এবাৰ ডাঙৰকৈ 'লিডি' বুলি চিঞৰাত লিডিয়াই উত্তৰ দিলে, “নালাগে, ভিতৰলৈ সোমাব। য'ৰ পৰা আহিছে তালৈকে গুচি যাওক। ক'তো থাকিবলৈ নাপায় যদি ফাঁচীবজাৰৰ দোকানৰ বাৰাণ্ডাত পৰি থাকক। লোকৰ ঘৰত থাকিবলৈ লাজ নালাগে ?”

ভোক আৰু ভাগৰত ইতিমধ্যে 'মেজাজ' বেয়া হৈ পৰিছিল। আন সময়ত লিডিয়াৰ গালি-শপনিলৈ বেছি মন নিদিলেও সেইদিনা মনৰ কোনোবাখিনিত গভীৰ আঘাত লাগিল। ভাবিলোঁ—এইখন ঘৰত মোৰ কি অধিকাৰ আছে ? মোৰ নিজৰ ঘৰ নাই, আপোন মানুহো কোনো নাই; মোৰ একো নাই। সেই কাৰণে লোকৰ ঘৰত আশ্ৰয় বিচৰাতকৈ দোকানৰ বাৰাণ্ডাত থকাই বেছি ভাল।

লিডিয়াৰ ককায়েকজন সেইদিনা ঘৰতে আছিল। তেওঁ নিজৰ কোঠাৰ পৰা ওলাই আহিল আৰু লিডিয়াক ধমকি দি দুৱাৰখন

খুলি দিবলৈ বাধ্য কৰিলে। মোক একপ্ৰকাৰ ঠেলি হেঁচিয়েই ঘৰৰ ভিতৰলৈ সুমাই দিলে আৰু ক'লে "যাওক, ভিতৰলৈ যাওক; তিৰোতা জাতিটোৱেই এনেকুৱা। সিহঁতৰ কথাত লাগিলে একো কাম নহয়।" এই মানুহজনৰ প্ৰতি মোৰ শ্ৰদ্ধা আছিল। তেওঁ পাৰ্থিৱ সম্পদৰ প্ৰতি উদাসীন হোৱাটো এইটো যুগৰ কাৰণে অননুকৰণীয় হলেও তেওঁৰ উদাৰতাখিনি কোনো যুগতে অনাদৃত হব নোৱাৰে। কিন্তু তেওঁতো সেইখন ঘৰৰ কৰ্ত্তা নাছিল।

ৰাতিটো উজাগৰেই শেষ হ'ল বুলিব লাগে। ক্ৰোধ অভিমানত বহুতো কথা কৈ লিডিয়া এটা সময়ত শুই পৰিছিল। সেই ৰাতি তেওঁও ভাত খোৱা নাছিল। লিডিয়াৰ বহুতো অসংলগ্ন কথাৰ পৰা মই বুজিব পাৰিলোঁ যে সেইদিনা আমাক কেন্দ্ৰ কৰিয়েই ঘৰখনত অশান্তিৰ সৃষ্টি হ'ল। লিডিয়াৰ বায়েক ভিনিহিয়েকে মাকক মাহে কিছু আৰ্থিক সাহায্য দিছিল। তেওঁলোকৰ সাহায্য নহলে উপাৰ্জন-হীন ককায়েক আৰু মাকৰ সংসাৰ চলা কঠিন হৈছিল। এনে অৱস্থাত আন তিনিটা প্ৰাণীক খুৱাই বুৱাই ৰখা সম্ভৱ নহয়। এই পৰিস্থিতিৰ বাবে লিডিয়াকে দোষী কৰা হ'ল, কিছু পৰিমাণে মাককো।

লিডিয়াক ফৰেষ্ট অফিচাৰজনৰ লগত বিয়া দিয়াটো একপ্ৰকাৰ খাটাং হৈছিল। মানুহজন দেখাত কিছু বেয়া আছিল, কিন্তু মটা মানুহৰ ভাল বেয়া চাবলৈ কি আছে। সেইজন মানুহক বিয়া কৰোৱা হলে লিডিয়াই এতিয়া মটৰ গাড়ীত ঘূৰিব পাৰিলেহেঁতেন। লিডিয়াৰ আপত্তিৰ কাৰণেই বিয়াখন নহ'ল। তেওঁ বোলে সেই কুৎসিত মানুহটোক বিয়া কৰাব নোৱাৰে। বায়েক ভিনিহিয়েকৰ কথা নৰল। মাকেও লিডিয়াক শেষত সমৰ্থন কৰিলে। তাৰ পৰিণতি স্বৰূপে মই বাছনিত উঠিলোঁ। এ, চি এছ পৰীক্ষা দিয়া, আৰু বি, এ পৰীক্ষাত অনাৰ্ছ পোৱাৰ লগতে, চেহেৰাটো কিছু সহনীয় বুলি লিডিয়া আৰু মাক মোৰ সপক্ষে হৈছিল। লিডিয়াৰ ককায়েকজনেও মোৰ অনুকূলেই মত প্ৰকাশ কৰিছিল।

বায়েক ভিনিহিয়েকৰ কথা হ'ল যে মাহে যদি মই দুশ টকা দিব নোৱাৰোঁ তেন্তে আমি তিনিটা প্ৰাণী তাত থাকিব নোৱাৰোঁ। লিডিয়াৰ বায়েকে মাককো অৰ্থ সাহায্য নিদিয়ে। অসহায় মাকে চকুপানী টুকিছিল। তেওঁ ভাত-পানী নোখোৱাকৈ বিছনাত পৰিছিল। বায়েকৰ পৰিয়ালে মাংস ভাত খাই শুই পৰিল।

লিডিয়াই কৈছিল, "কাইলৈ ক'ৰপৰা আনে দুশ টকা আনি দিব। যদি নোৱাৰে ইয়ালৈ আহিব নালাগে—মোৰ যি হয় হব।

"এইবোৰ মানুহে বিয়া কৰাই মৰে কিয় কব নোৱাৰোঁ। নাই জমা টকা-পইচা, নাই ঘৰ-দুৱাৰ, নাই চাকৰি এনেয়ে বিয়া কৰাই স্ফূৰ্ত্তি কৰিবলৈ ওলায়।"

আত্মসন্মানত আঘাত লগা এই কথাবোৰে ভীষণ উত্তেজিত কৰি তুলিছিল। তেতিয়া একোবাৰ ভাবিছিলোঁ—ব্ৰহ্মপুত্ৰৰ পানী-বোৰতো ৰাস্তাৰ কাষলৈকে আছে, নদীত সোঁতো আছে যথেষ্ট।

কিন্তু কম পোহৰৰ লাইটটো জ্বলি থকাত লিডিয়া আৰু কেঁচুৱাটোৰ মুখ দুখনত চকু পৰিছিল। সিহঁত দুটা প্ৰাণীৰ কথা চিন্তা কৰিব লগা হৈছিল। সিহঁতৰ একমাত্ৰ আশ্ৰয় স্বৰূপে আছিলোঁ মই।

লিডিয়াৰ স্বাস্থ্য ভাল কৰিব লাগিব, এই শিশুটিক মানুহ কৰিব লাগিব।

মনটো অস্বাভাৱিকৰূপে দৃঢ় হৈ পৰিছিল।

বায়েক ভিনিহিয়েক যোৱাৰ পাচত ঘৰখনৰ পৰিবেশ আকৌ আগৰ দৰে হৈ পৰিছিল। সময়ে সময়ে উশাহ সলাব নোৱাৰাকৈ কাহ মৰা জীৰ্ণ শীৰ্ণ বুঢ়ী মানুহ এগৰাকী; গতানুগতিকভাৱে কাম কৰি যোৱা এজনী আদ বয়সীয়া চাকৰণী, লিডিয়া, কেঁচুৱাটো আৰু মই। ককায়েকজন ঘৰত থকা বুলি কব নোৱাৰি।

বেংক আকৌ খুলিছিল। দৰ্মহাৰ টকা কেইটা আনি লিডিয়াক দি কিছু সম্প্ৰীতি স্থাপনৰ চেষ্টা কৰিছিলোঁ। কিন্তু সদায় মনলৈ

আহিছিল—বেংকৰ চাকৰিৰে কাম নচলিব। টকা কৰিব লাগিব। আৰু টকা কৰিব লাগিব। ঘৰ সাজিব লাগিব, মটৰ গাড়ী কিনিব লাগিব। এইখিনি কৰিবলৈ বেংকৰ দুশটকীয়া চাকৰিৰে নহয়, গধূলি মাৰোৱাৰী দোকানত হিচাপ লিখিলেও নহয় নাইবা দুটা টিউচন কৰিলেও নহয়। কিন্তু কি কৰিব পাৰি?

বেংক একেবাৰে বন্ধ হোৱাত একপ্ৰকাৰ ভালেই হ'ল। এটা সম্বল থকা বুলি যি ভুৱা নিশ্চয়তা আছিল সিও নোহোৱা হ'ল। হয় ইপাৰ নহয় সিপাৰ—তাৰ সিদ্ধান্ত লোৱাৰ সুযোগ ওলাল। কিন্তু তাৰ আগতে পেট কেইটাতো ভৰাই ৰখাৰ ব্যৱস্থা কৰিব লাগিব।

হাইস্কুল এখনৰ ছেক্ৰেটৰীৰ ওচৰলৈকে পোন প্ৰথমে গৈছিলোঁ। কলেজত পঢ়োঁতে টিউচন কৰি পঢ়াৰ খৰচ উলিয়াব লগা হৈছিল। সেইবাবে শিক্ষকতাৰ প্ৰতি এটা আকৰ্ষণো আছিল। ছেক্ৰেটৰীয়ে দৰ্খাস্তখনো ৰাখিছিল আৰু দুদিনৰ পাচত খবৰ লবলৈ কৈছিল। নিৰ্দ্দিষ্ট দিনত তেওঁৰ ঘৰত উপস্থিত হোৱাত মানুহজনে দুখেৰে ক'লে "আপোনাক লোৱাৰে মোৰ ইচ্ছা আছিল, কিন্তু প্ৰেছিডেণ্টৰ দূৰ সম্পৰ্কীয় আত্মীয় এজন প্ৰাৰ্থী ওলাল। তেওঁ আণ্ডাৰগ্ৰেজুয়েট যদিও তেওঁকে মেনেজিং কমিটীয়ে কামটো দিলে।" স্কুলৰ প্ৰেছিডেণ্টজন এজন প্ৰভাৱশালী লোক বুলি মই জানিছিলোঁ। ছেক্ৰেটৰীয়ে জনালে—"প্ৰেছিডেণ্টৰ ইচ্ছামতে কাম নকৰিলে স্কুলখনৰ কাৰণেই বিপদ। তেওঁ চেষ্টা কৰিয়েই স্কুললৈ চৰকাৰী মঞ্জুৰী আনিছে। তেওঁ বিতুষ্ট হলে কি হয় কোনে জানে? আজি-কালি একো ঠিক নাই, বুজিছে। চৰকাৰী মঞ্জুৰী একে নিশাই বন্ধ হৈ যাব পাৰে।" এই মানুহজনে অৱশ্যে মোক এটা খবৰ দিলে।—এজন ভদ্ৰলোকে দুটা ল'ৰা ছোৱালী পঢ়ুৱাবলৈ 'টিউটৰ' বিচাৰিছে।

অকণো সময় খৰচ নকৰাকৈ তেওঁ দিয়া ঠিকনাত উপস্থিত হলোঁগৈ।

ভদ্ৰলোকৰ ঘৰত কলিংবেল টিপি অপেক্ষা কৰিলোঁ। দুই মিনিট-মানৰ পাচত এজন ভৃত্য আহি সুধিলে, "কি লাগে।" চাহাবৰ লগত কথা আছে বুলি কোৱাত তেওঁ বাৰাণ্ডাত থকা বেঞ্চখনলৈ আঙুলিয়াই দেখুৱালে। পোন্ধৰ কি কুৰি মিনিটমানৰ পাচত এজন মানুহ ওলাই আহিল। তেওঁ পিন্ধা শ্লিপিং পায়জামা আৰু গাউনৰ পৰা বুজিব পাৰিলোঁ—ভদ্ৰলোক সেইজনেই। বহাৰ পৰা উঠি নমস্কাৰ জনালোঁ। তেওঁ মোৰ মূৰৰ পৰা ভৰিলৈ এবাৰ লক্ষ্য কৰি সুধিলে—"কি লাগে?"

প্ৰয়োজনৰ কথা কলোঁ।

তেওঁ সুধিলে, "কি কাম কৰাঁ?"

"এতিয়া একো কামেই নাই।"

"আগতে কি কৰিছিলাঁ?"

স্বৰ্ণপীঠ বেংকৰ কথা কোৱাত তেওঁ উত্তেজিত হৈ উঠিল—"অ' বেংক ফেল মৰোৱাৰ পাচত এতিয়া টিউচন বিচাৰি ফুৰিছাঁ। তোমালোকৰ প্ৰতি মোৰ অকণো 'ছিমপেথী' নাই।"

এই মানুহজনৰ গতিগোত্ৰ দেখিয়েই ভাবিছিলোঁ এওঁৰ ঘৰত টিউচন কৰা নচলিব। সেই কাৰণে সুধি পেলালোঁ—

"কিয় নাই?"

"এটা অচমীয়া বেংক হৈছিল তাকো তোমালোকে ষ্ট্ৰাইক ফ্ৰাইক কৰি ধ্বংচ কৰি পেলালাঁ। তোমালোকে আচামৰ কি উন্নতি কৰিবা?"

"কিন্তু ডাঙৰীয়া, অসমৰ উন্নতি কৰিবৰ কাৰণে এজাক মানুহে ককালত গামোচা বান্ধি অনশন কৰিব লাগিবনে কি? কেইটামান মানুহে খাই বৈ পেট বঢ়াব পাৰিলেই অসমৰ উন্নতি হোৱা বুলি ধৰিব লাগিবনে কি?" ভদ্ৰলোকৰ পেটটো যথেষ্ট শকত আছিল।

তেওঁ হতভম্ব হোৱাৰ দৰে ক'লে, "এঁ, তুমিতো ভয়ঙ্কৰ কমিউনিষ্ট।"

মই কলোঁ "ডাঙৰীয়া, কমিউনিষ্ট হোৱাটো একো পাপৰ কথা নহয়। কমিউনিষ্টবোৰো মানুহেই। কিন্তু মনত ৰাখিব আপোনালোকে কমিউনিষ্টৰ 'লেবেল' লগাই যিবোৰ মানুহক "আজি উৎপীড়ন কৰিছে, সিহঁতে নহলেও সিহঁতৰ সন্তান-সন্ততিয়ে আপোনালোকক ক্ষমা নকৰে।"

"তুমি মোৰ ঘৰত আহি 'থ্ৰেটনিং' দিছাঁ। যোৱাঁ এতিয়াই বাহিৰ হৈ যোৱাঁ", তেওঁ কথাখিনি কৈ লোহাৰ গেটখনৰ ফালে আঙুলি টোৱাঁইছিল।

চাকৰিৰ অনুসন্ধান কৰোঁতে চেণ্ডেলৰ ফিতা ছিগি গৈছিল। বাৰে বাৰে মুচিয়াৰৰ ওচৰত মেৰামতি কৰাব লগা হৈছিল। এদিন এটাই কৈছিল—"বাবু, ইচকো ক্যা বনৱায়েগা? ইচকা জিন্দিগীতো খতম হুৱা। আপ এক কাম কীজিয়ে। চপ্পলকো কঁহী ফেঁককৰ খালি পৈৰ সে চলনে শুৰু কীজিয়ে।"

কিন্তু ঘৰত বহি থাকিয়েইবা কি কৰিম? সেয়ে উদ্দেশ্য-বিহীনভাৱে হলেও ঘূৰি ফুৰিছিলোঁ।

কেঁচুৱাটোৰ কাৰণে গৰম কাপোৰৰ দৰকাৰ হৈছিল। ফুটপাথৰ দোকানত ধুনীয়া ধুনীয়া কাপোৰবোৰ ওলোমাই থোৱা দেখি দোকানীক তাৰ দামদৰ সুধিছিলোঁ। ৫টা বা ৬টা টকা হলেই ভাল একছেট কাপোৰ পোৱা গলহেঁতেন, কিন্তু জেপটো আছিল শুদা। ছেলছমেন এজনে কৈছিল, "বাবু, আপনাৰ মণিবেগটা বাসায় ফেইলা আইলেন বুঝি?"

মই হতভম্ব হৈ সুধিছিলোঁ, "কিয় কলা সেইদৰে।"

"না, এমনিতে কইলাম। কাপড়ত অনেক দেখলেন, অনেক দোকান ঘূৰে। কিন্তু কেনাতো হল না।" কথা কেইটা কৈ মানুহজনে মুখ টিপি হাঁহিছিল।

লিকুইডেটৰে দায়িত্ব লোৱাৰ পাচত তিনি মাহৰ দৰ্মহা পোৱাৰ কথা আছিল। কিন্তু তাৰ কাৰণে অপেক্ষা কৰিবলৈ ধৈৰ্য্য নোহোৱা হৈ আহিছিল। কাম বন নোহোৱাকৈ ঘূৰি পকি ফুৰাত স্বাস্থ্যৰ অৱনতি ঘটিছিল যদিও মনৰ বল কমা নাছিল! সেই কাৰণে এইবাৰ বহুল পৃথিবীখনত, ভাগ্যৰ লগত মুখামুখিকৈ যুদ্ধ কৰিবলৈ ওলাই যোৱাৰ সিদ্ধান্ত ললোঁ। লিডিয়াৰ স্বাস্থ্যৰ সামান্য উন্নতি হৈছিল। কেঁচুৱাটোৱে উবুৰি হৈ হাঁহিবলৈ শিকিছিল। সিহঁতৰ পৰা আঁতৰি থাকিব লাগিব বুলি কেতিয়াবা মনলৈ দুৰ্ব্বলতা আহিছিল। কিন্তু শেষত যেতিয়া লিডিয়াৰ মাকে কেঁকাই গোথাই একে কথাকে দোহাৰিলে, তেতিয়া আৰু আন কথা ভাবিবলৈ অৱসৰ নাথাকিল। লিডিয়াৰ মাকে কৈছিল।—

"তুমি ডেকা মানুহ এটা ঘৰত বহি থাকিলে নহব নহয়, কিবা এটা কৰাঁ। মোক বেমাৰী মানুহজনীক দিগদাৰি নিদিবা। মানুহেও বেয়া বুলিছে।"

লিডিয়াক মোৰ সিদ্ধান্তৰ কথা কৈছিলোঁ। দৰ্মহাৰ টকা কেইটা তেওঁ পোৱাৰ ব্যৱস্থা কৰাৰ কথাও কৈছিলোঁ। তেওঁ কৈছিল, "য'তে মৰে মৰকগৈ। মোক আৰু জ্বলাই নামাৰিব, আজি এবছৰ হবৰ হ'লহি, এযোৰ কাপোৰ লব পৰা নাই। ঘৰৰ বাহিৰলৈ ওলাব পৰা নাই। মানুহে দেখিলে চিনিব নোৱাৰা চেহেৰা হৈছে। যেয়ে দেখে সেয়ে দুখ কৰে।

কোনোবা মানুহ আহিলে একাপ চাহ, এখন তামোল দিব নোৱাৰোঁ। ল'ৰাটোক পিন্ধাবলৈ এখন কাপোৰ নাই। সি ভাল গাখীৰ এটোপা খাবলৈ পোৱা নাই। সি যে জীয়াই থাকিব তাৰ আশা নাই। সিও মৰিব, ময়ো এদিন মৰি থাকিম।"

কি কৰিম তাৰ একো আঁচনি নোলোৱাকৈয়ে এদিন পুৱাৰ প্ৰথম পোহৰ পৰাৰ লগে লগে লিডিয়াহঁতক এৰি থৈ বাহিৰ ওলাইছিলোঁ।

সিহঁতে ৰাতিপুৱা সাৰ পাই উঠি মোক নেদেখি কি ভাবিছিল নাজানো। মই মাতিলে হাঁহি এটা মাৰি দুহাতেৰে কাঁওবাওঁ কৰা অকণমানি শিশুটিৰ মুখৰ হাঁহিটো নোহোৱা হৈছিল নেকি, লিডিয়াৰ চকুত পানী বিৰিঙিছিল নেকি—ভাবি চোৱাৰ সময় নাছিল। আগদিনা নিশা ট্ৰাঙ্কৰ তলিত পৰি থকা দুই পইচা এক অনাৰ মামৰে ধৰা মুদ্ৰা কেইটা সংগ্ৰহ কৰি থৈছিলোঁ। তাৰ মুঠ মূল্য কিমান তাক স্থিৰ কৰাৰ প্ৰবৃত্তি নাছিল। জেপত মুদ্ৰা কেইটাই জুনজুনাই উঠিছিল, সেয়ে বহুত। তেতিয়া বাৰ্নাৰ্ড শ্বৰ এষাৰ কথা বাৰে বাৰে মনত পৰিছিল—

Make money and the world will conspire to call you gentleman.

॥ ন ॥

"নাম কি ?"

"ঘৰ ক'ত ?"

"কাম কি ?"

প্ৰশ্ন কেইটা কৰিছিল এজন বুঢ়া মানুহে। বয়স বোধহয় সত্তৰৰ ওচৰা-ওচৰি হব। এটা টাপলি মৰা খাকি কোট, এটা খাকি পেণ্ট আৰু মূৰত এটা ষ্ট্ৰ হেট। এই আটাইবোৰতে বগা, কলা ৰঙা ৰঙৰ সৰু সৰু কাপোৰৰ টুকুৰাৰ সংমিশ্ৰণ ঘটিছিল। কোটটোৰ ভিতৰত থকা কামিজটো কি ৰঙৰ আছিল ধৰা টান। হয়তো বগা ৰঙৰে আছিল কিন্তু তাৰ ওপৰত ইমান মলি জমা হৈছিল যে সি ৰং সলাবলৈ বাধ্য হৈছিল। তাৰ কলাৰটোতো চিলাই পৰিছিল। তথাপি তাৰে ওপৰত সোতমোচ খোৱা এডাল 'টাই' আছিল। মোজা নোহোৱাকৈ তেওঁ বুট জোতা এযোৰ পিন্ধিছিল। বুট জোতাযোৰৰ ওপৰতো কেইবা ঠাইত চিলাই পৰিছিল। কিন্তু জোতাযোৰ তেতিয়াও বেছ মজবুত হৈ আছিল। মানুহজনৰ মুখখন দাড়িৰে ভৰি পৰিছিল, সেইবোৰৰ শুকুলা বৰণটো বেছ চকুত লগা হৈছিল। তেওঁৰ হাতত এডাল ৰাইডাং বেতৰ লাখুটি আছিল। কামিজৰ বুতাম এটাৰ পৰা এডাল সূতাৰ ৰচি নি কোটৰ ভিতৰ পকেটত লগাই থোৱাৰ পৰা অনুমান কৰিছিলোঁ তেওঁৰ এটা পকেট ঘড়ীও আছে।

ৰেইটিং ৰুমৰ বেঞ্চখনৰ এটা মূৰত বহি আছিলোঁ। অলপ অলপ জাৰ পৰিছিল। কিছু সময়ৰ আগতে ৰেলগাড়ীখন ষ্টেচন এৰি গুচি গৈছিল। গাড়ীৰ পৰা নমা মানুহবোৰ গুচি যোৱাৰ পাচতো মই সেইদৰে বহি থকাটো দেখাতে সন্দেহজনক হৈ পৰিছিল। সেইবাবে কোনোবাই মোৰ বিষয়ে জানিব খুজি প্ৰশ্ন কৰাটোও অস্বাভাৱিক নাছিল। কিন্তু এই বুঢ়া মানুহজনৰ প্ৰশ্নৰ ধৰণ দেখি তেওঁকো মোৰ পৰ্য্যায়ৰ এজন বুলি ধাৰণা হ'ল। অলপ হাঁহিবৰ মন গ'ল। কিন্তু ৰেলগাড়ীৰ তৃতীয় শ্ৰেণীৰ কোঠালীত ৬ ঘণ্টা কটোৱাৰ পাচত আৰু বিশেষকৈ ৰাতিৰ আহাৰ আৰু টোপনি দুয়োটাই নোহোৱা বাবে মুখত হাঁহি বিৰিঙাবলৈ শক্তিৰ অভাৱ ঘটিছিল। বেঞ্চখনত বহি বহি একাপ চাহ খোৱাৰ কথাই ভাবিছিলোঁ। কোট চোলাটোৰ ভিতৰ ফালৰ জেপটোত ভঙনীয়া পইচা কেইটামানৰ ওজন অনুভৱ কৰিছিলোঁ। কিন্তু সেই কেইটাৰ লেখ কৰিবলৈ ভয় লাগিছিল। কাৰণ ভবিষ্যতটো আছিল সম্পূৰ্ণ অনিশ্চিত।

মানুহজনৰ ফালে চালোঁ। তেওঁৰ মূৰৰ পৰা ভৰিলৈকে এবাৰ ভালদৰে চোৱাৰ পাচত উত্তৰ দিলোঁ—

"আপোনাৰ প্ৰশ্ন তিনিটাৰ শেষৰ দুটাৰ উত্তৰ দিবলৈ একো নাই। নাম অৱশ্যে এটা আছে। কিন্তু সেই নামটো জানি লোৱাৰ পাচত আপোনাৰ কি উপকাৰ হব তাকেই ভাবিছোঁ।"

বুঢ়া মানুহজনে মোৰ চকুৱে চকুৱে আৰু এবাৰ চালে। তাৰ পাচত কোট চোলাটোৰ ওপৰ পকেটত থকা চছমা এযোৰ উলিয়াই চকুত লগাই ল'লে। নিকেল ফ্ৰেমৰ চছমাযোৰৰ কাণত লগোৱা মাৰি এডাল ভাগি গৈছিল। এইবাৰ বোধহয় তেওঁৰ নিৰীক্ষণ সম্পূৰ্ণ হ'ল। চছমাযোৰ খুলি তেওঁ আকৌ যথাস্থানত ভৰাই থৈ মোক ক'লে—

"গুডবয়, বিড়ি চিগাৰেট পকেটত কিবা আছে ?—নাই ? কোনো কথা নাই। 'কাম এলং আই বয়'।"

কিয় জানো, মানুহজনৰ পিচ ললোঁ নিজেই কব নোৱাৰোঁ। তেওঁ হাতৰ বাইডাং লাখুটিডাল মিলিটেৰীয়ে কান্ধত বন্দুক লোৱাৰ দৰে লৈ ৰেল লাইনৰ কাষৰ আলিবাটটোৰেদি আগবাঢ়িল। মিলিটেৰীয়ে 'ৰুট মাৰ্চ' কৰাৰ দৰেই তেওঁৰ খোজবোৰ আছিল ধাৰাবাহিক। সেই বাটটোৰেদি এক ফাৰ্লংমান গলেই বজাৰ অঞ্চল পোৱা যায়। ফকিৰাগ্ৰাম এটা সৰু ৰেলষ্টেচন। ফকিৰাগ্ৰামৰ পৰা জনজাতি অধ্যুষিত দতমা অঞ্চললৈ এটা ধূলিময় ৰাস্তা আছে। সেই ৰাস্তাটো ৰেলৰ লাইনত লগ-লগা ঠাইৰ পৰা দোকান পোহাৰ আৰম্ভ হৈছে। বাটৰ দুয়ো ফালে বাকচৰ পাণ দোকান কেইবাখনো আছিল। সেইবোৰৰ মালিকসকল আছিল, অন্যান্য ঠাইৰ দৰেই বিহাৰী।

তেনে এখন পাণ দোকানৰ সন্মুখত তেওঁ ৰৈ গ'ল। নিজেই অৰ্ডাৰ দিলে—"হল্ট, লেফ্‌ট্‌ টাৰ্ণ।" বাওঁফালে ঘূৰি দোকানীজনক ক'লে, "ৰেড লেম্প, দো।" দোকানীয়ে বিনা বাক্য ব্যয়ে দুটা ৰেড লেম্প চিগাৰেট উলিয়াই দিলে। তেওঁ নিজে এটা হাততলৈ আন এটা মোৰ ফালে আগবঢ়ালে। মই নম্ৰতা দেখুৱাই কলোঁ, "ধন্যবাদ—মই নাখাওঁ।"

তেওঁ শুধৰাই দিলে—"চিগাৰেট মানুহে নাখায়—হোঁপে। আচ্ছা, কোনো কথা নাই।" চিগাৰেট এটা দোকানীক ঘূৰাই দি, দোকানৰ সমুখৰ বাহঁৰ গোঁজ এটাত ওলোমাই থোৱা নাৰিকলৰ ৰচিডালৰ জুইৰে তেওঁ আনটো চিগাৰেট জ্বলাই ল'লে। তাৰ আগতে অৱশ্যে তেওঁ পেণ্টৰ জেপত খুচৰি এটা পাইপ উলিয়াই লৈছিল। তেওঁৰ পাইপডাল দীঘল আছিল কাৰণে দাড়িত জুইয়ে স্পৰ্শ কৰাৰ কোনো আশঙ্কা নাছিল।

আমি আকৌ আগৰ দৰে যাত্ৰা আৰম্ভ কৰিছিলোঁ। ৫০ গজমান যোৱাৰ পাচত দোকান এখনৰ পৰা কোনোবা এজনে মাতিলে—ৰায় মশায়, নতুন মক্কেল বুঝি। সেইখিনি সময়ৰ পাচত ধৰিব পাৰিলোঁ মানুহজনৰ উপাধি ৰায়।

ৰায় মশায়ে আকৌ 'হ-ল্ট'ৰ হুকুম দিলে। এইবাৰ ৰাইট টাৰ্ণ। কাৰণ দোকানখন সোঁফালে আছিল। আমি দোকানত সোমাই পৰিলোঁ। ৰায় মশায়ে চাউল, মচুৰ দাইল, আলু, পিয়াজ ওজন কৰালে আৰু সেইবোৰ বান্ধি লবলৈ কঁকালত মেৰাই থোৱা এখন কাপোৰ উলিয়ালে। কাপোখন যে তেওঁৰ ককালত মেৰাই থোৱা আছিল, কোটটোৰ বাবে মই দেখা পোৱা নাছিলোঁ। বস্তুখিনিৰ দামৰ কথা দোকানীয়েও উলিওৱা নুশুনিলোঁ আৰু ৰায় মশায়েও একো নকলে। প্ৰায় পাঁচ সেৰ ওজনৰ টোপোলাটো তেওঁ দাঙি লবলৈ ওলোৱাত মই তেওঁক বাধা দি নিজে হাতত ললোঁ।

ধূলিৰে ভৰা আলিবাটটোৰে প্ৰায় আধা মাইল যোৱাৰ পাচত সোঁফালে এটা সৰু বাট পালোঁ। সেই ঠাইডোখৰত মানুহৰ ঘৰ দুৱাৰ নাই। দুই চাৰি জোপা ওখ শালগছ আৰু তাৰ তলত সৰু সৰু গছৰ হাবি। আলিবাটটোৰ পৰা নামি লুংলুঙীয়া বাটটোৰেদি যাবলৈ লৈ তেওঁ মোক ক'লে—"আহা। আমি গন্তব্য স্থান পাইছোঁহি।"

কুৰি গজমান যোৱাৰ পাচত 'টাইল'ৰ এটা জুপুৰী ঘৰ চকুত পৰিল। ঘৰটোৰ তলভাগ কাঠৰে আছিল যদিও এতিয়া সেইবোৰ ক্ৰমান্বয়ে ভাগি যাবলৈ ধৰিছে। বেৰ এখনত বাহৰ ঢোকা দিব লগা হৈছে। পিচফালে থকা কলকেইজোপা জাৰ্ম্মানী বনৰ মাজত লুকাই পৰাৰ দৰে হৈছে। সমুখত থকা বগৰি গছজোপাত এডাল ৰঘুমলা বগাইছে। আন এজোপা চাপৰ গছত এডাল উৰহীও বগাইছিল। কিন্তু মন কৰিবলগীয়া কথা যে ভগা ঘৰটোৰ সমুখৰ পিৰালিলৈকে ফুল ফুলিছিল। সেই ফুলবিলাকৰ কাৰণে কোনাবাই বিশেষ যত্ন লয় যেনো ধাৰণা হ'ল।

জুপুৰীটোৰ ওচৰ চাপি যোৱাৰ লগে লগে কাণত পৰিল—"সব বেইমান, জুৱাচোৰ। মুই কাকো নছাবোং। আয় সামনে আয়—এলা চুপ কৰি থাকিছ কেনে?" মাতটো ভগা ভগা যেন লাগিল। বহুত পৰ চিঞৰ-বাখৰ কৰিলে যেনে হয় ঠিক তেনে ধৰণৰ।

বুঢ়াজনে জুপুৰীৰ সমুখত থিয় দি মাতিলে—

—বাবা, অনিমেষ। লগে লগে তেওঁ দুৱাৰত লগাই থোৱা ডাঙৰ তলাটো পেণ্টৰ জেপৰ পৰা এজোকা চাবি উলিয়াই খুলি পেলালে। সমুখৰ কোঠাটোৰ কাঠৰ চকী এখন দেখুৱাই মোক ক'লে,—"বহা, অলপ আৰাম কৰাঁ।" মই চকীখন অলপ টানি লব খুজিছিলোঁ। তেওঁ হাতেৰে ইঙ্গিত দি মানা কৰিলে। লক্ষ্য কৰিলোঁ চকীখনৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে সেইখন বেৰৰ লগত স্থায়ীভাৱে সংলগ্ন কৰি ৰখা হৈছে। তেওঁ ইতিমধ্যে দ্বিতীয়টো কোঠাৰ তলাটো খুলি টোপোলাটো লৈ ভিতৰ সোমাল।

ভিতৰলৈ গৈ তেওঁ কোৱা শুনিলোঁ—

—বাবা, তোৰ দাদা আইছে। ভাল কৰিয়া ৰান্নাবান্না কৰিয়া খাৱাইস্।

তাৰ পাচত কাৰো মাতবোল নাই। কেৱল মাত্ৰ বাচন বৰ্ত্তনৰ টুং-টাং শব্দ শুনা গ'ল।

বাহিৰৰ কোঠাটো বহা কোঠা যেন নালাগিল। একাষে দুইবেৰত লগাকৈ এটা ডাঙৰ কাঠৰ বাকচ আছে। সেই বাকচটোৰ ওপৰত মেৰাই থোৱা কিছুমান কাপোৰলৈ লক্ষ্য কৰি বুজিলোঁ সেই কোঠাটো শোৱা কোঠা স্বৰূপেও ব্যৱহাৰ কৰা হয়। বাকচটোৰ কাষত এখন কাঠৰ মেজৰ ওপৰত দুই চাৰিখন পুৰণি কিতাপ আৰু বহী দেখিলোঁ। তাত এখন সৰু আৰ্চী আৰু এখন শিঙৰ ফণিও আছিল। ফণিখনত লাগ থকা পকা চুলি বা দাড়িবোৰৰ পৰা সেইখন ৰায় মশায়ৰে বুলি থাৱৰ কৰিলোঁ। মেজখনৰ ওপৰত আয়নাৰ ফ্ৰেমত বন্ধোৱা কালি গোসাঁনীৰ এখন ছবিও আছিল। ছবিখনৰ তলত 'শ্মশান কালী' বুলি লিখি থোৱা আছিল।

সৰু কোঠাটোৰ বয়বস্তুবোৰৰ প্ৰতি লক্ষ্য কৰি থকা অৱস্থাতে ৰায় মশায় হাতত এবাটি চাহ লৈ সোমাই আহিল। বাটিটো আছিল এলুমিনিয়ামৰ। গৰমৰ বাবে বোধহয় বাটিটো এলুমিনিয়ামৰ

ডেক্‌চিৰ ঢকন এখনৰ ওপৰত তুলি আনিব লগা হৈছিল। তাৰ ওপৰত দুখন টছ বিস্কুট আছিল। পানী পৰা বাবেই হওক নাইবা অযত্নত ৰখা বাবেই হওক বিস্কুট দুখন সেমেকি পৰিছিল।

তেওঁ অনাড়ম্বৰভাৱে মোক ক'লে, "বেডুইন কাক কয় জানা নহয়? চব বেডুইনী কাৰবাৰ। অলপ চাহ খোৱা। মই কিছু কামত ধৰিব লাগিব।" কথাখিনি কৈ তেওঁ মোৰ ফালে নোচোৱাকৈ মোৰ সমুখতে পিন্ধা কাপোৰবোৰ খুলিবলৈ আৰম্ভ কৰিলে। কোট চোলাটো, টাইডাল খুলি পেলোৱাত তেওঁৰ কামিজটোৰ স্বৰূপটো দেখা পালোঁ। তাৰ বাহু দুটা নাই। পিঠিফালে দীঘলীয়াকৈ ফাটিছে। কামিজটো খুলি পেলোৱাত এটা মলিয়ন গেঞ্জী ওলাল। গেঞ্জীটোৰ বৰণটো বিকৃত হলেও সি ফটা ফুটা নাছিল। মানুহজনে এই পোচাকটো ডাঙৰ বাকচটো খুলি তাত সুমুৱাই থলে। খাকি লংপেণ্টটোৰ ঠাইত এখন কাপোৰ পিন্ধি ললে। সেইবিধ কাপোৰক বড়ো ভাষাত দখনা বুলি কয়। শেষত বুঢ়াজনে বাকচটোৰ ভিতৰৰ পৰা এখন সৰু কটাৰী উলিয়াই ল'লে।

বুঢ়া মানুহজনক যিমান শকত আৱত বুলি অনুমান কৰিছিলোঁ আচলতে তেনে নহয়। ডাঢ়ি গোফৰ সৈতে মুখখনহে শকত যেন দেখি। মূৰটো অৱশ্যে কিছু অস্বাভাৱিকভাৱে ডাঙৰ আছিল আৰু সেইটো চুলি নোহোৱা হৈ পৰাত মানুহজনক ৰোগগ্ৰস্ত যেন লাগিছিল"—

ইতিমধ্যে ভিতৰত আকৌ মাত শুনিবলৈ পোৱা গ'ল। "বেইমান—একটা একটা কৰিয়া গুলী কৰিম। সামনে আয়।" তেওঁ লৰালৰিকৈ ভিতৰ সোমাই গ'ল।

আকৌ সকলো নীৰৱ হৈ পৰিল।

মেজখনৰ ওপৰত থকা চাহৰ বাটিটো চুবৰ চেষ্টা কৰিলোঁ। বাটিটো আৰু তাত থকা পানীখিনি চেঁচা পৰিছিল। টোপনি নোহোৱাকৈ শেষ কৰা নিশাটোৰ বাহিৰেও মানসিক উত্তেজনাই শৰীৰটো অসম্ভৱ-

ৰূপে ক্লান্ত কৰি তুলিছিল। সেই সময়ত চাহ বা তেনে ধৰণৰ এবিধ পানীয়ৰ আৱশ্যকতা বৰকৈ অনুভৱ কৰিছিলোঁ। কিন্তু চাহৰ বাটিটোত হাত দিয়াৰ লগে লগে এক গভীৰ বেদনাত অভিভূত হৈ পৰিলোঁ। দুয়োটা চকুৰেদি জৰ জৰ কৰে পানী ওলাবলৈ ধৰিলে।

সেয়া কিহৰ বেদনা আছিল—আজিও বিচাৰ কৰি চাবলৈ চেষ্টা কৰোঁ। কিন্তু বিফল হওঁ। মোৰ নিজৰ দৈন্য নে এই বুঢ়াজনৰ দৈন্যৰ বাবে চকুলো সৰিছিল ভাবি নাপাওঁ।

তথাপি চাহবাটি খাই শেষ কৰি পেলালোঁ। সেমেক্‌া বিস্কুট দুটুকুৰাও খালোঁ। মহাত্মা গান্ধীয়েই বোধহয় কৈছিল—ক্ষুধাতুৰৰ কাৰণে অন্নই ঈশ্বৰ। কথাষাৰ সম্পূৰ্ণৰূপে উপলব্ধি কৰিলোঁ। এই বুঢ়া মানুহজনৰ পাচে পাচে মন্ত্ৰমুগ্ধৰ দৰে আহোঁতে মোৰ মনত বোধহয় অলপমান খাদ্যৰ চিন্তাই প্ৰাধান্য লাভ কৰিছিল। সেই মানুহজন কোন, তেওঁৰ প্ৰকৃতি কেনেকুৱা, তেওঁৰ উদ্দেশ্য কি তাক ভাবি চোৱাৰ অৱসৰ উলিয়াব পৰা নাছিলোঁ।

তেতিয়া, চিলমিলকৈ টোপনি অহাৰ দৰে হৈছিল। আগদিনাৰ ৰাতি, তাৰো আগৰ দুটা ৰাতি টোপনি অহা নাছিল। লিডিয়া আৰু অকণমানি কেঁচুৱাটোক এৰি আহিব লগা হৈছিল—অনিশ্চয়তাৰ মাজত। দুখীয়া মানুহে বিয়া কৰায় মৰে কিয়—লিডিয়াই কোৱা কথাষাৰে বুকুৰ মাজত হাতুৰীৰ দৰে সদায় আঘাত কৰিছিল। আমি সদায় দৰিদ্ৰ হৈ থাকিমনে? সৰুতে পঢ়িছিলোঁ—মানুহে যি কৰিছে, মানুহে কৰিব পাৰে। চেষ্টা কৰিলে মানুহে ডাঙৰ কাম কৰিব পাৰে। সেই আপ্তবাক্য সাৰোগত কৰি বাহিৰ হৈছিলোঁ। টকা-পইচা কৰিব লাগিব। দৰিদ্ৰ হৈ, অমানুহ হৈ জীৱন ধাৰণ কৰাৰ কোনো অৰ্থ নাই।

কিন্তু উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰিলেই মানুহে টকা ঘটিব পাৰেনে? চাহ-বিস্কুটখিনি খোৱাৰ পাচত সেই চিন্তা মনলৈ আহিছিল আৰু তাৰ মাজতে চকু দুটা মুদ খাই গৈছিল।

ৰায় মশায়ৰ মাতত খকমককৈ সাৰ পালোঁ। সেইদৰে টোপনিওৱাত লাজ লাগিল। চকু দুটা মোহাৰি পোন হৈ বহি কলোঁ— "ৰেলগাড়ীত অসম্ভৱ ভিৰ। বহিবলৈকে ঠাই পোৱা নাছিলোঁ। গোটেই ৰাতি নোশোৱাকৈয়ে গ'ল।"

তেওঁ মোৰ কথালৈ মনোযোগ নিদি ক'লে—

"এতিয়া যা, ওচৰতে নদী আছে। গা পা ধুই আহ। তাৰ পাচত খাই লৈ জিৰণি লবি।

"আৰু দেখ বাবা, তোক নিজৰ লৰাৰ দৰে ভাবিয়ে তই বুলি মাতিছোঁ। বেয়া নাপাবি।"

আকৌ এবাৰ মনটো ভাৱাক্ৰান্ত হৈ উঠিছিল। বহাৰ পৰা থিয় দি কলোঁ—"খুৰা"। তেওঁ তৎক্ষণাৎ শুধৰণি দিলে "খুৰা নহয়, জেঠা। তোৰ বাবাৰ বয়স নিশ্চয় মোতকৈ কম হব।"

মই কলোঁ—"জেঠা, মই, এতিয়া যাওঁ।"

—"ক লৈ ?"

—ঠিক নাজনো, ক'লৈ যাম। কিন্তু মই যাবই লাগিব। আপোনাক কষ্ট দিয়াৰ মোৰ কোনো অধিকাৰ নাই।

—পাগল, আৰু কি! যা, যা, খাবৰ সময় হৈ গৈছে। এতিয়া বাজে কথা কোৱাৰ সময় নাই। তোৰ বেগত কি কাপোৰকানি আছে লৈ যা। এই খানিকটা গ'লেই নদী। সুন্দৰ জাগা। পানীটোও ভাল।

সৰু নৈখনত পানী বেছি নাছিল। জিৰজিৰকৈ এটা ধাৰ বৈ আছিল মাত্ৰ। গাটো ধুই দিয়াৰ পাচত মনটো সচাঁই ফৰকাল লাগিল। যেন এটা নতুন বল পালোঁ। কিবা এটা কৰিবই লাগিব। মনটো যথেষ্ট দৃঢ় হ'ল।

ভাত খাবৰ কাৰণে দ্বিতীয় কোঠাটোৰ মাজেদি যাব লগা হ'ল। ভিতৰ ফালৰ বাৰাণ্ডাৰ এখন মেজৰ ওপৰত কলগছৰ পটুৱাত ভাত বঢ়া আছিল। ভাত মানে দাইল, ভাত, আলু আৰু উৰহী ভজা।

বুঢ়াজনেও মোৰ লগতে খাবলৈ বহিছিল। তেওঁ কিন্তু এলুমিনিয়ামৰ থাল বাটিত ভাত লৈছিল। মেজখনৰ ড্ৰৱাৰ এটা টানি তেওঁ চামুচ আৰু ফৰ্ক উলিয়াই ল'লে। মই সুধিলোঁ—"অনিমেষ ?"

তেওঁ সেই প্ৰথমবাৰ হাঁহিলে। বোধহয় তৃপ্তিৰ হাঁহি।

"তই তাৰ নামটো জানিলি কেনেকৈ ?"

"আপোনাক সেইদৰে মতা শুনিছিলোঁ।"

"অ', ঠিকতো। তই বেছ মনত ৰাখিছ। সি খাই শুইছে।...... কিন্তু দেখ বাবা, এয়া হল বেডুইনী খানা। বেডুইন কাক কয় জানতো ?"

ভাত কেইটাতকৈ মানুহজনৰ কথাখিনিয়ে বেছি সোৱাদ দিছিল। ভাত খাই ওলাই আহোঁতে মাজৰ কোঠাটোলৈ লক্ষ্য কৰিছিলোঁ। তাত এখন কাঠৰ খাট আছিল। তাৰ বাহিৰে আন একো বস্তু চকুত নপৰিল। খাটখনৰ ওপৰত কিছুমান কাপোৰ সিঁচৰতি হৈ পৰি আছিল। কাপোৰ-কানিবোৰ ইমান লেতেৰা হৈছিল যে তাৰ পৰা ওলোৱা গোন্ধটোৱে গোটেই কোঠাটোকে দুৰ্গন্ধময় কৰি তুলিছিল। সেই কাপোৰ-কানি সোপাৰ ওপৰতে এটা ল'ৰা টোপনি গৈছিল। ল'ৰাটোৰ বয়স হয়তো ওঠৰ বছৰমান হব। থুতৰিত অলপ অলপ ডাড়ি গজিছিল। মূৰৰ চুলি তিনি চাৰি মাহ নকটা যেন লাগিল। আটাইতকৈ চকুত লগা হৈছিল তাৰ কঙ্কালসাৰ দেহটো। সি শুদা গাৰে শুই আছিল। তাৰ শেঁতা মুখখন, ক্ষীণ শৰীৰটো দেখি ভাবিছিলোঁ সি হয়তো সৰহদিন জীয়াই নাথাকিব। তালৈ এবাৰ চাই বাহিৰ ওলাই আহিছিলোঁ। 'বেডুইনী খানা' খাই যি তৃপ্তি লাভ কৰিছিলোঁ, ক্ষন্তেক পাচতে সিমানেই অস্বস্তি বোধ কৰিলোঁ।

বাহিৰৰ চকীখনত বহি সেই জুপুৰীটোৰ পৰা ওলাই যোৱাৰ কথা চিন্তা কৰিবলৈ এৰি পেলাইছিলোঁ। এটা কৃতজ্ঞতাৰ ভাবে মনটো আছন্ন কৰি পেলাইছিল। এই বুঢ়া মানুহজন আৰু তেওঁৰ লৰাটিৰ কাৰণে কি কৰিব পাৰোঁ তাৰ বিষয়ে ভাবিবলৈ লৈছিলোঁ।

বুঢ়া মানুহজনক নিজৰ ঘৰত সম্পূৰ্ণ স্বাভাৱিক যেন লাগিল। কিন্তু বাহিৰত তেওঁ কিয় অন্যৰূপ এটা প্ৰদৰ্শন কৰে বুজিব পৰা নাছিলোঁ। তেওঁ পুৱা সোনকালে শুই উঠে। সোনকালে চাহ কৰি নিজে খায় আৰু মানসিক বিকাৰগ্ৰস্ত পুতেকটিকো খুৱায়। তাৰ পাচত দুৱাৰত তলা মাৰি পুতেকটোক এৰি গুচি যায়। বাহিৰলৈ ওলালে সেই একে ৰূপ। অসুস্থ মস্তিষ্কৰ মানুহৰ দৰে কথা-বতৰা। বাটত মোৰ লগতো কোনো কথা-বতৰা নকয়। বাহিৰত তেওঁৰ আচৰণ দেখি চেঁকো পাঞ্জাৰ গল্পটোলৈ মনত পৰি গৈছিল। এই 'নাইট'জনৰ সহকাৰী স্বৰূপেই ময়ো ঘূৰি ফুৰিব লগা হৈছিল— ৰেলষ্টেচনত, বজাৰত, গাৰ্ডত।

সেইদিনা, তেওঁৰ বিষয়ে আৰু কিছু তথ্য সংগ্ৰহ কৰিলোঁ। চাউল, দাইলৰ দোকানখনত মোক বহুৱাই থৈ তেওঁ আলিবাটৰ মাজতে দুজন মানুহৰ সৈতে কথা পাতিছিল। কথা পাতি তেওঁ কিছুদূৰ আগবাঢ়ি গৈছিল। দোকানীয়ে মোৰ পৰিচয় বিচাৰিলে। ৰায় মশায়ৰ লগ লাগিলোঁ কেনেকৈ তাকো জানিব বিচাৰিলে। মই থুলমূলকৈ উত্তৰ দিলোঁ। দোকানীজনেই ক'লে—মহেন্দ্ৰ নাৰায়ণ ৰায় ফকিৰাগ্ৰামৰ এটা নামজ্বলা পৰিয়ালৰ লোক। তেওঁৰ দেউতাক বিজনী জমিদাৰৰ জোৎদাৰ আছিল। ৰায় মশায় প্ৰথম মহাযুদ্ধত মিলিটেৰী হৈ ভাৰতৰ বাহিৰলৈ গৈছিল। পাচত যুদ্ধৰ পৰা ঘূৰি আহি উজনি অসমৰ ফালে 'ফৰেষ্টাৰ' কাম পাইছিল। মাটিবাৰী বহুত আছিল। কিন্তু হলে কি হব! মাহীমাকৰ পুতেকে সকলো দখল কৰিলে। তেওঁৰ ভায়েক জোৎদাৰ হৈ বহিল। ১৯৪০ৰ যুদ্ধৰ সময়ত তেওঁ কাম এৰি দিলে। কোনোৱে কয় তেওঁ ইংৰাজ ওপৰৱালাক মাৰপিট কৰি পলাই আহিছিল। ভায়েকে ঘৰত থাকিবলৈ নিদিলে। উপায়হীন হৈ তেওঁ হাবিৰ মাজত এটা সৰু ঘৰ সাজি ল'লে। তাতে অসুখত পৰি ঘৈণীয়েক ঢুকাল। দুটা ল'ৰা আছিল। ডাঙৰটো হাইস্কুল পাছ কৰি জনাবুজা হৈছিল। সি নিজৰ মাটি আদায় কৰিবলৈ খুড়াকৰ লগত প্ৰায়েই কাজিয়া কৰিছিল। শেষত সিও মৰি থাকিল। নদীৰ পাৰত 'লাছ' পোৱা গ'ল। এতিয়া এটা ল'ৰা আছে—তাৰো মূৰৰ ঠিক নাই।

মই সুধিছিলোঁ—মানুহজনে চলে কেনেকৈ ?

"এই ৰাস্তাৰ দুয়ো কাষৰ মাটি তেওঁৰ ভায়েক জোৎদাৰৰ। আমি ভাৰা দি আছোঁ। জোৎদাৰে হুকুম দিছে তেওঁক খাবৰ কাৰণে যি যি বস্তু লাগে, বিনা পইচাই আমি দিব লাগিব।" দোকানীজনে কৈছিল।

"কিন্তু কাপোৰকানি ?"

"কাপোৰকানিও ইয়াৰ দোকানৰ পৰাই লব পাৰে। ৰায় মশাইৰ এটা গুণ আছে যে তেওঁ অদৰকাৰত কোনো বস্তুকে নলয়।··· আজিকালি মূৰৰ বিকাৰ হলেও মানুহজন 'দিলদাৰ', সাহসী আৰু সৎ।" দোকানীজনে মন্তব্য কৰি এটা হুমুনিয়াহ পেলাইছিল।

মহেন্দ্ৰ ৰায় আদবলিয়ানে, অতি সুস্থ মস্তিষ্কৰ সেই কথা ভাবি ভাবি চাউল দাইলৰ টোপোলা হাতত লৈ তেওঁৰ পাচে পাচে 'কুইক মাৰ্চ' কৰিছিলোঁ।

দুপৰীয়া ভাত খোৱাৰ পাচত তেওঁ মোক কৈছিল—

"তই আজি আবেলিৰ গাড়ীত সাপটগ্ৰামলৈ যাব লাগিব। তোৰ চাকৰিৰ বন্দৱস্ত এক প্ৰকাৰ হৈ গৈছে। ষ্টেচনৰ পৰা উত্তৰ ফালে যোৱা ৰাস্তাইদি নামি যাবি। এটা ভাজ ঘূৰিলি—পালি প'ষ্ট অফিচ। আৰু আগবাঢ়ি গৈ বাওঁফালে ঘূৰিবি। দেখিবি কাঠৰ বেৰা দিয়া চৌহদ। গেটখন কিন্তু লোহাৰ। গেট খুলি ভিতৰ সোমাই যাবি। এলচেচিয়ান কুকুৰৰ মাত শুনিবি। ভয় নকৰিবি। কুকুৰ বন্ধা থাকে। কাঠৰ তক্তাৰে বেৰ দিয়া সৰু ঘৰটোৰ বাৰাণ্ডাত এখন আৰামী বেঞ্চ দেখিবি। তাতে বহিবি। পাঁচ বজাৰ লগে লগে এজন মানুহ ভিতৰ ফালৰ পৰা আহি ঘৰটোত সোমাব। সেই ঘৰত

থকা ঘড়ীৰ পৰাই পাঁচ বজাৰ শব্দ শুনিবি। মানুহজন অহাৰ শব্দও শুনিবি। তেওঁ চেণ্ডেলযোৰ চোচোৰাই আহে। এটা ভৰি 'পেৰেলাইজড' সেই কাৰণে। তেওঁ কোঠাত সোমোৱাৰ পাঁচ মিনিটমান পাচতে তেওঁৰ ওচৰলৈ যাবি। কাৰণ চাৰে পাঁচ বজাৰ পাচত আৰু তিনিজন মানুহ তালৈ আহিব তেতিয়া আৰু তোৰ কথা পতাৰ সময় নাথাকিব।"

"মোৰ কথাবোৰ মনত থাকিলনে?" তেওঁ বাকচটোৰ ওপৰত বহি লৈ মোক কথাখিনি কৈছিল।

মই কলোঁ, "কথাবোৰ মনত থাকিব। কিন্তু জেঠা, মই আপোনাৰ ওচৰৰ পৰা নাযাওঁ। মই ইয়াতে থাকিম। দতমা-ফকিৰা-গ্ৰাম ৰাস্তাত অলপ দিনৰ ভিতৰতে শিল পেলোৱা কাম আৰম্ভ হব। মই তাত শিল ভাঙিম, দিন হাজিৰা কৰিম। বিশ্বাস মহাজনেই তাৰ ঠিকা লৈছে। তেওঁ আজি মোক কৈছে।"

"তোৰ মাথা খাৰাপ হৈছে নেকি ৰে? তই কি শিল ভঙা কাম কৰিব পাৰিবি? পাৰিলিয়েইবা তাৰে তই খাবি নে তোৰ ল'ৰা তিৰোতাক খুৱাবি? পাগল ক'ৰবাৰ!"

"পাগল হোৱা নাই জেঠা, মই আপোনাক এৰি যাব নোৱাৰোঁ।" কথাষাৰত আন্তৰিকতা কিমানখিনি প্ৰকাশ পাইছিল নাজানো। কিন্তু সচাঁকৈয়ে মই সেইদৰেই ভাবিছিলোঁ।

মানুহজনে ডাঙৰকৈ হাঁহিলে। ফটা কামিজটোৰ জেপত খেপিয়াই তেওঁ এটা ৰেড লেম্প চিগাৰেট উলিয়াই ললে। ডাঙৰ বাকচটোৰ পৰা এটা জুইশলা বাহ উলিয়াই লৈ চিগাৰেটটো জ্বলাই বাকচটোৰ ওপৰত ভৰি তুলি বহিল। পাইপডাল নোহোৱাকৈয়ে হোপা মাৰি এসোপা ধোঁৱা মুখৰ পৰা বাহিৰ কৰি দিলে। তাৰ পাচত মোৰ চকুৰ ফালে চাই কবলৈ ধৰিলে:

"উজনি অসমৰ ফালে এষাৰ ভাল কথা কয়—শুকান বালি কোনে তিয়াব!"

"তই হয়তো মোৰ কথা ভাবিছ। ভাবিছ এই পাগলা বুঢ়াটোৰ কি হব? তাৰ পাগল ল'ৰাটো লৈ সি কি কৰিব? কিন্তু সেইবোৰ একো ভাবিব লগা কথা নহয়, জান। তই মোক কি সহায় কৰিবি? মোৰ দৰে মানুহক সহায় কৰাৰ কোনো অৰ্থ নাই। জীৱনৰ আধাখিনি সময় অকলে ভাগ্যৰ লগত যুজিছোঁ, বাকী দিন কেইটাও সেইদৰে চলাই দিম। ভাগ্যৰ লগত যুদ্ধ কৰাত আৰাম আছে, বুজিছ। জয় পৰাজয়ৰ কথা নুঠে। তয়ো সেইদৰেই ভাবিবি।"

"কিন্তু, অনিমেষৰ কি হ'ব?" মই কলোঁ।

"অনিমেষ? মোৰ সৰু ল'ৰা অনিমেষৰ কথা কৈছ। সিতো ছয় বছৰ আগতে মৰি গৈছে। তাৰ ডাঙৰ ভাই মনীষৰ লগতে সিও মৰি গ'ল। এয়া যি দেখিছ, তাৰ প্ৰেতাত্মা। এই প্ৰেতাত্মাটোও সোনকালে আঁতৰি যাব। তেতিয়া, তেতিয়া মহেন্দ্ৰ ৰায় হব মুক্ত বিহঙ্গম। যিফালে মন যায়, সেইফালে উৰা মাৰিব পাৰিব।

"অনিমেষ কিয় মৰিল জান? তাৰ ওঠৰ বছৰীয়া ককায়েকৰ দেহটো যেতিয়া নদীৰ পাৰত তেজৰ মাজত পৰি থকা দেখিলে, যেতিয়া সি বুজিলে যে তাক নিজৰ মানুহে হত্যা কৰিছে, তেতিয়া বাৰ বছৰীয়া নিষ্পাপ শিশু মোৰ অনিমেষো মৰি থাকিল। সি মানুহৰ সেই নিষ্ঠুৰতা সহ্য কৰিব নোৱাৰি মৰি গ'ল। মাটিৰ কাৰণে মানুহৰ নীচ ষড়যন্ত্ৰ দেখি সি জীয়াই থাকিব নুখুজিলে। সি ক'লে, 'দাদা, ৰবি, ময়ো তোৰ লগত গৈছোঁ।' সেয়ে তাৰ শেষ কথা আছিল। তাৰ পাচত তাৰ প্ৰেতাত্মাটোক লৈ মোৰ মনীষক নদীৰ পাৰতে পুৰি পেলাইছিলোঁ। মাক নোহোৱা মোৰ দুয়োটা ল'ৰা সেইদিনাই শেষ হৈছিল।"

"কিন্তু সৰু ল'ৰাটোৰ প্ৰেতাত্মাটোৱে এতিয়াও চিঞৰি উঠে—সব বেইমান, সব জুৱাচোৰ—সিহঁতক হেনো সি শেষ কৰিব। প্ৰেতাত্মাটোৱে জানে মোৰ মনীষক কোনে হত্যা কৰিলে। সেয়া সি চিঞৰি উঠিছে—

ভিতৰ কোঠাটোত সেই দুৰ্বল দেহৰ ল'ৰাটোৱে চিঞৰি উঠিছিল—"আয়, এলা মোৰ সামনত নাহিছ কেনে, একটা একটা কৰিয়া গুলী কৰিম।"

ৰায় মশায়ে চকুপানী লুকুৱাবৰ কাৰণেই বোধহয় ভিতৰলৈ সোমাই গৈছিল।

তাৰ পাচত জুপুৰীটো অস্বাভাৱিকভাৱে নিস্তব্ধ হৈ পৰিছিল।

॥ দহ ॥

আবেলি পৰত ৰায় মশায় আহি মোক ক'লে—"বাবা, তোৰ ওলাবৰ হ'ল। চাৰে তিনি বজাত গাড়ী। আজিয়ে নগলে নহব। নৃপেন বৰ খেয়ালী মানুহ। ঠিক সময়ত তাক লগ নধৰিলে সি মত বদলাই পেলাব পাৰে।"

তেওঁ ডাঙৰ বাকচটো খুলি খাকী কোটটোৰ জেপ কেইটা খুচৰিলে। তাৰ পৰা কেইটামান ভঙনীয়া পইচা উলিয়াই গণিবলৈ ধৰিলে, আৰু লগে লগে কৈ গ'ল—"এই কোটটো ফৰেষ্ট ডিপাৰ্টমেণ্টত কাম কৰা দিনৰে। ইয়াৰ এটা ভাল গুণ আছে। বিপদত পৰিলে ইয়াৰ জেপবিলাকে দুই চাৰি পইচা উলিয়াই দিয়ে। এইটো মোৰ লক্ষ্মী কোট জান।" তেওঁ ঘড়ীটোও এবাৰ চালে। সেই ঘড়ীটোৱে ঠিক সময় দিয়ে নে নিদিয়ে কব পৰা নাছিলোঁ কাৰণ সেইটো চোৱাৰ মোৰ সৌভাগ্য ঘটা নাছিল। তেওঁ ক'লে, "এই যে প্ৰায় তিনি বাজিবৰে হ'ল। তই পলম নকৰিবি আক'। আৰু শুন, যদি কাম নহয় তেন্তে চাৰে সাত বজাৰ গাড়ীত ঘূৰি আহিবি। এই ল, গাড়ীৰ ভাৰা। ইয়াতে বোধহয় ডেৰ টকামান আছে। অহা যোৱাৰ ভাৰা এটকা লাগিব। সৰহকৈ দিব নোৱাৰিলোঁ। জানতো বেডুইন মানুহ। এই বেডুইনবোৰক ক'ত লগ পাইছিলোঁ জান— এৰেবিয়াত, প্ৰথম মহাযুদ্ধত চিপাহী হৈ যাওঁতে।"

বহাৰ পৰা থিয় হৈ মাত্ৰ জেঠা—শব্দটো উচ্চাৰণ কৰিব পাৰিছিলোঁ। তাৰ পাচত আৰু একো কব পৰা নাছিলোঁ, বুকুখনত কিহবাই হেঁচি ধৰিছিল। সেই বুঢ়া মানুহজনে মোৰ চকুত ইমান ওখ, ইমান সুন্দৰ হৈ দেখা দিছিল যে মই তেওঁৰ ভৰি চুই প্ৰণাম কৰিবলৈ লওঁতে নিজক অতি ক্ষুদ্ৰ যেন অনুমান হৈছিল।

অকলেই গৈ ষ্টেচন পালোঁ। ৰায় মশায় মোৰ লগত ওলাই নাহিল। ৰেলগাড়ীত উঠি ভাবিছিলোঁ, ৰায় মশায়ে মোৰ প্ৰতি এই স্নেহ দেখুওৱাৰতো কোনো কাৰণ নাছিল। ৰেলগাড়ীৰ ডবাটোত উঠি যোৱা মানুহবোৰলৈ চাইছিলোঁ—সেই গোটেইবোৰ মানুহ যদি 'জেঠা'ৰ দৰে হ'লহেঁতেন!

নৃপেন্দ্ৰ কুমাৰ সিংহৰ ঘৰটো বিচাৰি উলিয়াওঁতে একো কষ্ট কৰিব লগা ন'হল। লোহাৰ গেটখন খুলি সোমাই যাওঁতে এলচেচিয়ান কুকুৰটোৱে ঠিকেই ভুকিছিল। কাঠৰ বেৰ দিয়া সৰু ঘৰটোৰ বাৰাণ্ডাৰ আৰামী বেঞ্চখনত বহি ভাল লাগিছিল। ঘৰটোৰ সমুখত এখন ফুলনি আছিল, ফুলবোৰ ফুলিছিল। বেঞ্চখন কাঠৰ বেলিঙৰ কাষত লগাই থোৱা আছিল। আৰু তাৰ ওচৰতে এপাহ ধুনীয়া গোলাপ ফুল ফুলিছিল। ৰঙা গোলাপৰ কলিটো দেখি লিডিয়ালৈ মনত পৰিছিল। লিডিয়াই প্ৰায়েই খোপাত ফুল গুজি লৈছিল আৰু ৰঙা গোলাপৰ আধা ফুলা কলি এটা পালে বৰ ভাল পাইছিল। কেঁচুৱাটোৰ মুখখনলৈ মনত পৰি গাটো শিয়ৰি উঠিছিল। ভাবিছিলোঁ ইমান অপদাৰ্থ মই। কেঁচুৱাটো আৰু তাৰ মাকজনীক খুৱাই পিন্ধাই ৰাখিব পৰা সামৰ্থ্যও মোৰ নহ'ল। সিহঁতে হয়তো মোক বিচাৰিছে। আন কাৰণত নহলেও অকণমান আশ্ৰয় হেৰাই গ'ল বুলি হয়তো লিডিয়াই দুখ কৰিছে। কেঁচুৱাটোৱে এখন চিনাকি কোলাত উঠিবলৈ নাপাই হয়তো ফেঁকুৰিছে।

ঘড়ীটো ইচ্ছা কৰিয়েই লিডিয়াৰ ওচৰত এৰি থৈ আহিছিলোঁ।

এটা সময়ত সিয়ে লিডিয়াক সহায় কৰিব বুলি অনুমান কৰিছিলোঁ। ৰাস্তাকত পাঁচ বজাৰ শব্দ হৈছিলনে কি নুশুনিলোঁ। কিন্তু চেণ্ডেলৰ শব্দ শুনি সচেতন হলোঁ। ঘৰৰ ভিতৰত এজন মানুহৰ উপস্থিতি অনুভৱ কৰিলোঁ।

ঘৰটোৰ ভিতৰত প্ৰায় ৩২ বৰ্গফুটৰ এখন ডাঙৰ মেজ আছিল। মেজখনৰ ওপৰত এখন বগা কাপোৰ পৰা আছিল। কেইবাখনো বিছনা চাদৰ জোৰা লগাই সেই মেজ ঢাকনিখন তৈয়াৰ কৰা যেন অনুমান হ'ল। তাৰে একাষত কেইবাখনো চকী পৰা আছিল। মেজখনৰ চুক এটাত দুযোৰ তাচ আৰু এখন শকত বহী আৰু বহীখনৰ ওপৰতে এডাল কাঠ পেন্সিল সজাই থোৱা আছিল।

মই সোমাই যোৱাৰ সময়ত মানুহজনে এখন আৰামী চকীত বহি গুড়গুড়ি টানিছিল। মোৰ নমস্কাৰৰ প্ৰতি মনোযোগ নিদি আনফালে চাই মোক সুধিলে—

"তোমাক বোধহয় পাগলা মহেন্দ্ৰই পঠাইছে?" মানুহজনে মোক বহিবলৈ কোনো নিৰ্দেশ দিয়া নাছিল। মই যথাসম্ভৱ বিনীতভাৱে কলোঁ—'হয়, মহেন্দ্ৰ নাৰায়ণ ৰায়ে আপোনাৰ ওচৰলৈ আহিবলৈ কৈছে।'

তেওঁ গুড়গুড়িত এটা দীঘল টান মাৰি ধোঁৱাবোৰ উলিয়াই দিবলৈ ক্ষন্তেক পৰ ৰ'ল। তাৰ পাচত মোৰ ফালে নোচোৱাকৈয়ে ক'লে—'মানুহটো ভাল আছিল। পাগলামি কৰি নষ্ট হৈ গ'ল।' আৰু ত্ৰিশ চেকেণ্ডমান ৰৈ ক'লে—'মোৰ কাঠৰ কাম চাবৰ কাৰণে এজন মানুহ লাগে। কচুগাৱঁৰ ফৰেষ্ট ৰিজাৰ্ভত কাম চলিছে। কাঠ ফলা মানুহবিলাক বৰ 'ডিজনেষ্ট'। কাঠ ফালি কাক ক'ত বিক্ৰী কৰে ঠিক নাই। এইবোৰ নাচালে নহয়। বৰ 'লছ' দিব লগা হৈছে।'

আকৌ এবাৰ ধোঁৱাখোৱাত টান দি তেওঁ মোৰ ফালে পোনপটীয়াকৈ চালে আৰু ক'লে—

"তুমি হাবি জংঘলত থাকি কষ্ট কৰিব পাৰিবা জানো? উজনি

অসমৰ মানুহে বৰ বেছি কষ্ট কৰিবলৈ টান পায় বুলি মই জানো। উজনি অসম কিয় 'হ'ল আসাম'তে এটা 'টেণ্ডেচী' হৈছে—কষ্ট কৰিবৰ নাই, বহি বহি খাবলৈ পালেই হ'ল।"

মই তেওঁৰ কথাৰ প্ৰতিবাদ কৰি কিবা কব খুজিছিলোঁ। তেওঁ সুযোগ নিদিলে।

"মহেন্দ্ৰ পাগলাই তোমাৰ কথা সকলো লিখিছে। সি ফাল্টু মানুহক 'ৰিকমেণ্ড' নকৰে বুলি জানো।

"তুমি কালি পুৱাই মোৰ কচুগাওঁ কেম্পলৈ যাব লাগিব। ইয়াৰ পৰা ট্ৰাক যাব ফকিৰাগ্ৰামলৈ। ফকিৰাগ্ৰামৰ পৰা ট্ৰলীৰে কচুগাৱঁলৈ যাব লাগিব।"

"তুমি মোৰ 'গেষ্ট ৰুমত' ৰাতিটো থাকিব পাৰিবা।"

মানুহজনৰ কথা-বতৰাৰ ধৰণ দেখি বুজিলোঁ—তেওঁ বৰ বেছি কথা কোৱা ভাল নাপায়।

ইতিমধ্যে এজন ভদ্ৰলোক কোঠাত সোমাই পৰিছিল। আৰ্দিৰ পাঞ্জাবী, আৰু ফিৰফিৰীয়া ধুতি পিন্ধা ক্ষীণ শৰীৰৰ মানুহজনে ডিঙিত এখন ডাঠ মাফলাৰ মাৰি আহিছিল।

তেওঁৰ ফালে গৃহকৰ্তাই চোৱা নেদেখিলোঁ। তেওঁ statesman কাগজৰ পৃষ্ঠাহে লুটিয়াইছিল। মানুহজনে মেজৰ ওচৰৰ চকী এখনত বহি লৈ তাচ এযোৰ টানি লৈ 'ছাফল' কৰাত লাগি গ'ল।

ভালেখিনি পৰ থিয় দি থাকি অস্বস্তি বোধ কৰিছিলোঁ যদিও কৰ্মসংস্থান হোৱা বাবে ভাল লাগিছিল। মোৰ নিয়োগকৰ্তালৈ আকৌ এবাৰ ভালদৰে লক্ষ্য কৰিলোঁ। তেওঁ এখন খদ্দৰৰ ধুতি পিন্ধিছিল। গাত এখন খদ্দৰৰ বগা চাদৰ লৈছিল। তেওঁৰ বাওঁ হাতখনো অক্ষম যেন লাগিল কাৰণ বাওঁ হাতেৰে কৰিব পৰা কামখিনিও সোঁহাতেৰেহে কৰিছিল।

আৰু এজন ভদ্ৰলোক আহি ঘৰৰ ভিতৰ সোমাল, চুটি-চাপৰ, গলাবন্ধ কোট আৰু ধুতি পিন্ধা মানুহজনে আহিয়েই ব্যস্ততা প্ৰকাশ

কৰিলে। "আমি মনে কৰলাম আমাৰই 'লেট' হয়ে গেল। কই ৰসিক বাবুতো এখনও আসেন নি।" চকী এখনত বহি তেওঁ মোৰ ফালে চাই ক'লে,

'ইনি আবাৰ কে ?'

এইবাৰ সিংহ মশায়ে কাগজৰ পৰা চকু তুলি ক'লে, 'ইগিলা ঘৰুৱা কাথা।' মোক ক'লে—"তুমি একটু ঘূৰি টুৰি আহা।"

পিচদিনা পুৱা ৬ মান বজাতে পদূলি মুখত ট্ৰাকৰ হৰ্ণ বাজিল। চাহ লুচি 'গেষ্ট ৰুমতে' বিহাৰী পৰিচাৰক এজনে যোগালেহি। এগৰাকী আদবয়সীয়া মহিলা ওলাই আহি মোৰ হাতত এটা কাগজৰ মোনা দিলে। চাৰিখন দহ টকাৰ নোটো দিলে। তেওঁ কলিকতীয়া ভাষাত মোক যিখিনি কথা ক'লে তাৰ অৰ্থ হ'ল—

'তেওঁৰ' গা ভাল নহয়। নিজে কাম চাব নোৱাৰাত বৰ লোকচান হৈছে। ৰেল লিঙ্কৰ কাৰণে শ্লিপাৰ যোগান দিয়াৰ কণ্ট্ৰেক্ট আছিল। শেষত কি হয়গৈ বুজাই নাযায়। বিশ্বাসী মানুহ নোপোৱাত বৰ দিগদাৰি হৈছে। মই যেন নিজৰ দৰে সকলো তদাৰক কৰোঁ। মহেন্দ্ৰ ৰায়ৰ কথাৰ ওপৰত বিশ্বাস কৰিয়েই মোক এই দায়িত্ব দিছে। টকা পইচাৰ কথা চিন্তা কৰিব নালাগে। লাভ হলে মোৰো কিছু কমিছন থাকিব।

ফকিৰাগ্ৰাম পাওঁতে ট্ৰলী ট্ৰেইন যাবলৈ তেতিয়াও এক ঘণ্টা সময় বাকী আছিল। মহেন্দ্ৰ 'জেঠা'ৰ ঘৰলৈ বুলি পোনে পোনে যাবলৈ ধৰিলোঁ।

কিন্তু—

জুপুৰীৰ দুৱাৰত তলা লগোৱা আছিল। ভিতৰত শুনিছিলোঁ সেই দুৰ্বল কণ্ঠৰ বেদনাৰ্ত চিৎকাৰ—'মোৰ দাদা ক'ত ? দাদা নাই কেনে ? চব বেইমান—চব……।' দুৱাৰৰ ওচৰৰ ফুলবিলাকৰ মৃদু গোন্ধ ওলাইছিল। ফুলবোৰ বোলে অনিমেষে ৰুইছিল। সি হেনো কৈছিল—ফুলবোৰ ফুলিলে তাৰ দাদা গাঁতৰ পৰা ওলাই

আহিব। এতিয়া সি বেছি অসুস্থ হৈ পৰিছে। জুপুৰীটোৰ সমুখত ক্ষন্তেক থিয় দি বৈছিলোঁ।

—জীৱন যদি ইয়াকে কয় তেন্তে এই জীৱনৰ বাবে মানুহৰ আকৰ্ষণ কিয়? এই দুখ বেদনা, নিৰ্যাতনৰ ঘোৰ ঘৰষণ লগা জীৱনে কালবিজয়ী অনলৰ সৃষ্টি কৰিব পাৰিবনে কোনোবা দিন?

বজাৰৰ দোকান, ৰেল ষ্টেচন সকলোতে জেঠাক বিচাৰি ফুৰোঁতে ট্ৰলী এৰিববে হৈছিল। জেঠাক বিচাৰি নাপালোঁ। ট্ৰলী এৰি দিলে। অচিনাকি মানুহ কিছুমানৰ মাজত বেঞ্চ এখনত বহি পৰিলোঁ হতাশভাৱে।

॥ এঘাৰ ॥

লাউৰে দাইকো ৰেলীমাই
পৈৰণে ৰামৰু
ৰাত ৰুমাল ৰেলীমাই
খুকৰি ভিৰেক'।...

দপদপীয়া জুই একুৰাৰ চাৰিওফালে বহি সিহঁতে গাইছিল। কোনোবা এটাই কেৰাচিনৰ খালি টিন এটাত কাঠ এটুকুৰাৰে মৰিয়াই তাল ৰাখিছিল। দিনটো কাঠ ফালি আহি সিহঁতে সন্ধিয়া জিৰণি লৈছিল। গীতটো আগতেও শুনিছোঁ। তাহানি কলেজত পঢ়োঁতে আমাৰ মেচৰ ওচৰতে এহাল নেপালী আছিল। সিহঁত মতা-মাইকী দুইটাই দিনৰ ভাগত পাহাৰলৈ গৈ খৰি আৰু ঘাঁহ কাটে। গধূলি জুপুৰীটোৰ আগত থকা বাঁহৰ চাংখনত দুইটাই বহি লৈ 'ৰেলীমাই' গীত গায়। সেইবোৰ শুনি শুনি কেইবাটাও তেনে ধৰণৰ গীত মুখস্থ হৈ গৈছিল। কেইবা বছৰৰ মূৰত নেপালী গীত শুনিবলৈ পাই ভাল লাগিছিল।

মই যোৱা দেখি সিহঁতৰ গীত বন্ধ হৈ গ'ল। ছৰ্দাৰে ডাঙৰ কাঠ এটুকুৰা মোৰ কাৰণে আগবঢ়াই দিলে। তাতে বহি পৰিলোঁ। ছৰ্দাৰ হৰ্ক বাহাদুৰ লিম্বুৱে কিছু হিন্দী জানে। আন সাতোটাৰ এটায়ো হিন্দুস্থানী কব নোৱাৰে। কিন্তু যি ধাৰণা হ'ল—সিহঁতৰ কেইটামানে আনে ক'লে হিন্দী কথাৰ অৰ্থ বুজি পায়।

নেপালী কৰতিয়াল কেইটাক সেইদৰে লগ ধৰাৰ এটা উদ্দেশ্য আছিল। কিছুমান 'লগ' কাঠ কটা ঠাইৰ পৰাই নোহোৱা হয়। নৃপেন সিং এণ্ড ব্ৰাদাৰ্চ কোম্পানীয়ে সাতোটা দল লগাই কচুগাওঁ ফৰেষ্ট ৰিজাৰ্ভত কাঠ কটাইছিল। সেই কেইটা দলৰ পাঁচোটাই বিহাৰী আৰু পূব বঙ্গৰ। নেপালী দল দুটা। নেপালী দল দুটাৰ ভাগত পৰা ঠাইখিনিৰ পৰা কাঠ বেছি হেৰোৱা নাই। কিন্তু আন কেইটা দলৰ হাতত যিবিলাক গছ কাটিবলৈ দিয়া হৈছিল তাৰ বহুত কাঠেই নোহোৱা হৈছে। গছৰ হিচাপত যিমান কাঠ ওলাব লাগে, সিমান নোলায়। এটা আনুমানিক হিচাপ ধৰি ফৰেষ্ট ডিপাৰ্টমেণ্টৰ পৰা গছৰ পাৰ্মিট লোৱা হৈছে। ফৰেষ্টাৰৰ লগত 'বন্দৱস্ত' কৰি গছ বেছিকৈয়ে কটা হৈছে। তথাপি এটা থূলমূল গণনা কৰি দেখিলোঁ যে যিমান 'লগ'ৰ যোগান ধৰিবলৈ ঠিকা লোৱা হৈছে, সিমান পোৱাৰ সম্ভাৱনা নাই। ফৰেষ্ট ডিপাৰ্টমেণ্টৰ মানুহে সদায় চকু দি থকা অৱস্থাতে কিয় এনেকুৱা হৈছে মই একো বুজিব পৰা নাছিলোঁ। হৰ্ক বাহাদুৰ ছৰ্দাৰৰ পৰা কিবা জানিব পাৰিম বুলিয়েই সিহঁতৰ ওচৰলৈ গৈছিলোঁ।

হৰ্ক বাহাদুৰে মোক যথাযোগ্য অভ্যৰ্থনা জনাব নোৱাৰা বাবে অস্বস্তি প্ৰকাশ কৰিলে। সি মোক দেখি ব্যস্ততা প্ৰকাশ কৰাৰ এটা কাৰণো আছিল। আগদিনা তাক সিহঁতৰ দলৰ মজুৰীৰ আধা টকা আদায় দিছিলোঁ। টকাৰ বাবে বহুত দিন সিহঁত অসুবিধাৰ মাজত চলিব লগা হৈছিল।

সি তাৰ ৰেষ্ট কোটটোৰ জেপৰ পৰা চেপেটা লগা ছিজাৰ্চ চিগাৰেটৰ পেকেট এটা উলিয়ালে আৰু তাৰে চিগাৰেট এটা হাতেৰে যথা সম্ভৱ পোন কৰি লৈ মোৰ ফালে আগবঢ়ালে। সিও খৰি এডালৰ জুইৰে এটা জ্বলাই ললে। অলপ পাচতে কিবা মনত পৰাৰ দৰে জেপৰ পৰা এটা টকা উলিয়ালে আৰু লগৰ এটাৰ হাতত দি ক'লে, "ডুক্ৰে যাঞ হ' মাইলা।"

কামত যোগ দিয়াৰ পোন্ধৰ দিনৰ ভিতৰতে সিংহ কোম্পানীৰ ব্যৱসায়ৰ কিছু কথা বুজিব পাৰিছিলোঁ। এই কোম্পানীয়েও সততা অৱলম্বন কৰা নাছিল। পাৰ্মিট লোৱাতকৈ অধিক সংখ্যক গছ কাটি তাৰে তক্তা ফলাই আন লোকক বিক্ৰী কৰাৰ ব্যৱস্থা ৰাখিছিল। ৰেলৱে বিভাগে নমুনা ধাৰ্য কৰা কাঠৰ মাজতে আন কাঠ সুমুৱাই দিয়াৰো বন্দৱস্ত আছিল। সেই কাৰণেই বোধহয় কোম্পানীয়ে নিজেও একে অৱস্থাৰ সন্মুখীন হ'ব লগাত পৰিছিল।

হৰ্ক বাহাদুৰক পোনপটীয়াকৈয়ে সুধিছিলোঁ—কাঠবোৰ ক'লৈ যায়। সি মোৰ ফালে চাই হাঁহিছিল। তাৰ সৰু চকু কেইটা মুদ খাই গৈছিল। তাৰ বিৱৰণৰ পৰা বুজিলোঁ যে জংঘলৰ পৰা কাঠ চুৰি হোৱা এটা সহজ কথা। কৰতিয়ালৰ দল বিশ্বাসী নহলে তাত বাধা দিয়া কঠিন। ঘাই কথা হ'ল—এইবোৰ কামত বন বিভাগৰ কৰ্মচাৰী কিছুমানেই ভূমিকা লয়। সেই পক্ষৰ সহায় নহলে চুৰি বন্ধ কৰা অসম্ভৱ। কোন সময়ত কাৰ মটৰ গাড়ী নাইবা লৰী আহিব তাক কোনে কব। কিন্তু নম্বৰ নথকা কাঠ ৰিজাৰ্ভৰ পৰা ওলাই যাব নোৱাৰে। বন বিভাগৰ কৰ্মচাৰীয়ে কাঠ 'পাছ' নকৰিলেই চুৰি বন্ধ হৈ যাব।

সেই বাবেই এই মানুহখিনিৰ মন খুছী কৰি ৰাখিব লাগে।

ইতিমধ্যে মাইলা আহিল। তাৰ হাতত আছিল এটা বটল আৰু তাত থকা পনীয়া বস্তুবিধ শুধ বগা আছিল।

হৰ্ক বাহাদুৰে যথেষ্ট সম্ভ্ৰমেৰেই এলুমিনিয়ামৰ গিলাচটো মোৰ ফালে আগবঢ়াই দিছিল। কোনো দিনে অভ্যাস নথকা বাবে গিলাচটোৰ দেশী মদখিনি ব্যৱহাৰ কৰিব নোৱাৰি দুখ প্ৰকাশ কৰিলোঁ। সি বোধহয় কিছু অসন্তুষ্ট হৈছিল। কিন্তু কেইঢোক-মান মৰাৰ পাচত মানুহটোৱে সেই প্ৰত্যাখ্যানৰ কথা পাহৰি যোৱা যেন পালোঁ। সি ঘৰুৱা কথা আৰম্ভ কৰিলে—তাৰ পূব নেপালৰ পাহাৰৰ কথা। খেতি-বাতিৰ কথা, তাৰ দুজনী ঘৈণীয়েক আৰু

'মিলিটেৰীত থকা' ভায়েকটোৰ কথা। ভাষাৰ বাবেই হওক বা 'বক্সী'ৰ গুণতে হওক তাৰ কথাবোৰ কিছু সঙ্গতিবিহীন হৈছিল যদিও জুইৰ কাষত বহি বহি সেইবোৰ শুনি ভাল লাগিছিল। ৰাতি ভালেখিনি হৈছিল। অৱশেষত বটলটো শুদা হ'ল। অন্ততঃ এমাইল বাট অহা যোৱা কৰি বস্তুখিনি অনা 'মাইলা'ই শুদা বটলটোৰ ফালে বিৰক্তিৰে চোৱা লক্ষ্য কৰিছিলোঁ। মাইলাই কিবা কোৱাৰ পাচত হৰ্ক বাহাদুৰ থিয় হ'ল। থুল' কাঞ্চা বুলি আন এজনক মাতি খুকুৰীখন অনাই সেইখন সি কঁকালত বান্ধি ললে। মোক ক'লে, "চলো, জায়েগা।" সি ক'লৈ যায় সোধাত ক'লে যে এই হাবি ঠাইত সি মোক অকলে এৰি দিব নোৱাৰে। মোক কেম্পত থৈ আহিব। সেই সময়ত তাক বুজনি দি ৰখাৰ সম্ভাৱনা নাই বুলি জানি অগত্যা তাৰ পাচ লৈছিলোঁ।

হৰ্ক বাহাদুৰৰ খোজবোৰ থৰকবৰক হৈছিল যদিও তাৰ কথা বতৰাবোৰ দাৰ্শনিক হৈ পৰিছিল। বজাৰৰ হিন্দী ভাষাৰে সি মোক বুজাব খুজিছিল যে মানুহে মৰাৰ কাৰণে ভয় কৰি লাভ নাই। মৰিব লগা হলে চাঙত উঠি থাকিলেও মৰিব লাগিব, জংঘলৰ মাজত থাকিলেও মৰিব লাগিব। জীৱনটোতনো কি থিতাপি আছে, আজি ইয়াত কাইলৈ তাত। এই জীৱনতে যে মানুহবোৰে বেইমানী কৰে সিহে আচৰিত কথা। মই মাজে মাজে সঁহাৰি দি তাৰ কথাবোৰ শুনি গৈছিলোঁ।

কেম্পলৈ সিহঁতৰ 'ডেৰা'ৰ পৰা এক মাইলমানেই হব। ওখ ওখ শালগছৰ তলে তলে বাটটো। হাবি বন বৰ বেছি নাই। তথাপি নিশাৰ সেই নিস্তব্ধতাই গাটো গহীন কৰি পেলাইছিল। অলপ চাপৰ গছ এজোপাত ফেঁচা এটাই মাতিছিল। মই টৰ্চ লাইটটো জ্বলাই চাব খুজিছিলোঁ। হৰ্ক বাহাদুৰে মানা কৰিলে, সেই ঠাইতে এটা ডাঙৰ ভালুক আছে বুলি ক'লে। টৰ্চ লাইটৰ পোহৰ দেখিলে সি খেদি আহিব পাৰে।

কেই খোজমান যোৱাৰ পাচত হৰ্ক বাহাদুৰ থমকি ৰ'ল। সমুখত এটা ক'লা বস্তু দেখিবলৈ পালোঁ। সি আমাৰ ফালেই আহিব ধৰিছিল। অজ্ঞাতসাৰেই টৰ্চ লাইটটো জ্বলাই দিলোঁ। দেখিলোঁ এটা প্ৰকাণ্ড ভালুক। পোহৰ দেখিয়েই বোধহয় সি এটা গোঁজৰণি মাৰি তলৰ ঠেং দুটাত ভৰ দি থিয় হ'ল। তাৰ পাচত কি হৈছিল কব পৰা নাছিলোঁ। হৰ্ক বাহাদুৰৰ কথা এষাৰ মাত্ৰ কাণত বাজিছিল "মুহৰীবাবু, দৌৰি কে ভাগো।"

তিনি মিনিটমান দৌৰি কেম্প পাই উশাহ সলাইছিলোঁ। কেম্পত মোক লগ পাবলৈ ফৰেষ্টাৰ আৰু গাৰ্ড এজন বৈ আছিল। ফৰেষ্টাৰৰ হাতত বন্দুক আছিল কাৰণে তেওঁলোকক লৈ ঘটনাস্থলীলৈ গলোঁ। ভালুকটো তেতিয়া তাত নাছিল। হৰ্ক বাহাদুৰৰ নিস্প্ৰাণ দেহটোহে পৰি আছিল এডোঙা তেজৰ মাজত। খুকুৰীখন তাৰ হাততে লাগি আছিল যদিও হাতৰ মুঠিটো ঢিলা হৈ পৰিছিল।

মনটো বেয়া লাগি থকা কাৰণে দুদিনমান কেম্পৰ পৰা দূৰলৈ যোৱাই নাছিলোঁ। বাৰে বাৰে হৰ্ক বাহাদুৰৰ কথা মনলৈ আহিছিল, সি মোৰ কাৰণেই মৰা নাছিল জানো? তাৰ ঘৈণীয়েক দুজনীৰ কি হ'ব?

লিডিয়া আৰু অকণমানিটোৰ কথা বৰকৈ মনত পৰিছিল। এই অটব্য অৰণ্যৰ মাজত ময়েই যদি মৰিলোঁহেঁতেন, সিহঁতৰ কি হ'লহেঁতেন? এইদৰে টকা ঘটিবলৈ চেষ্টা কৰাৰ কিবা অৰ্থ আছেনে? মনলৈ এক প্ৰকাৰ হতাশ ভাবেই আহিছিল।

মহেন্দ্ৰ জেঠাৰ খবৰ লবলৈকো যাব লাগিছিল। কিন্তু যোৱাৰ সময়েই ওলোৱা নাছিল। সেই কাৰণে বুঢ়াজনলৈ চিঠি লিখিছিলোঁ। কচুগাওঁ আহি পোৱাৰ পিচতে দিয়াখনৰ বাহিৰেও আৰু এখন। কিন্তু কোনো এখন চিঠিৰে উত্তৰ অহা নাছিল।

মোৰ নিয়োগ কৰ্তাই কিন্তু চিঠি লিখিছিল, কাম ভালকৈ চাবলৈ। তেওঁৰ মতে তিনি মাহৰ ভিতৰত কণ্ট্ৰেক্টৰ গোটেইখিনি কাঠ দি শেষ কৰিব লাগিব। দৰ্মহা বা আন পাওনাৰ হিচাব তেতিয়াহে কৰিলে

ভাল হব। বৰ্তমান আন চিন্তা নকৰি কামখিনি শেষ কৰিবলৈহে মই চেষ্টা কৰিব লাগে। মোৰ ওপৰত তেওঁ যিখিনি বিশ্বাস ৰাখিছে সেইদৰে মই কাম কৰিব পাৰিলে ভবিষ্যত ভাল হব।

তেওঁৰ পত্নীয়েও চিঠি লিখিছিল—। তেওঁ হেনো মোক পোন-প্ৰথমে দেখিয়েই চিনিব পাৰিছিল যে মই সৎ স্বভাৱী। আৰু সেই কাৰণেই মোৰ ওপৰত তেওঁৰ মায়া উপজিছিল। মোৰ ভবিষ্যত যাতে ভাল হয় তাৰ বাবে তেওঁ চেষ্টাৰ ত্ৰুটি নকৰে। অকল টকা-পইচাই মানুহক জীয়াই নাৰাখে, মানুহৰ দৰে চলিব পাৰিব লাগে। তেওঁ হেনো মোৰ বিষয়ে তেওঁৰ কলিকতাত পঢ়ি থকা ছোৱালীটি লৈকো লিখিছে। ছোৱালীটি তুমাহমানৰ মূৰত ঘৰলৈ আহিব।

চিঠি অৱশ্যে চৰকাৰী ডাকত অহা নাছিল। সিংহ এণ্ড ব্ৰাদাৰ্ছৰ অন্যতম অংশীদাৰ অৰ্থাৎ নৃপেন্দ্ৰ কুমাৰ সিংহৰ কনিষ্ঠ ভ্ৰাতৃ শচীন্দ্ৰ সিংহই নিজে আনি দিছিল। এই মানুহজনে বয়সত দুকুৰি বছৰ অতিক্ৰম কৰি গলেও বিয়া কৰোৱা নাছিল। শিক্ষা দীক্ষাত তেওঁ পিচ পৰি থাকিল বাবেই ককায়েকৰ মৰ্জিৰ ওপৰত চলিব লগা হৈছিল বুলি পিচত জানিব পাৰিছিলোঁ। এওঁ ঘৰত বজাৰ কৰা, বাগিচা পৰিষ্কাৰ কৰাৰ দৰে ঘৰুৱা কামবোৰো কৰিব লগা হৈছিল বুলি শুনিবলৈ পাইছিলোঁ। যি হওক, মানুহজন যে বৰ নিৰীহ সেই কথা প্ৰথম বাৰৰ সাক্ষাততে বুজি উঠিছিলোঁ, ঠিকা কাঠৰ ব্যৱসায় সম্পৰ্কে তেওঁ নিজে একো নাজানে। কচুগাৱঁত কি কাঠৰ ব্যৱসায় তেওঁৰ দাদাকে কৰিবলৈ লৈছে তাৰ ভূ লোৱাৰ প্ৰয়োজনো তেওঁ বোধ কৰা নাছিল। কিবা দি পঠাইছিল কাৰণে মোক সেইখিনি চমজাই দিছিল, সিমানেই। সংসাৰখনৰ প্ৰতিয়েই যেন তেওঁৰ প্ৰৱল বিৰক্তি তেনে যেনেই মোৰ অনুমান হৈছিল।

গুৱাহাটীত প্ৰায় একে ধৰণৰ মানুহ কিছুমানৰ লগতে আদান প্ৰদান কৰি থকাৰ পাচত হঠাতে বিবিধ প্ৰকৃতিৰ মানুহ কিছুমানৰ লগত সংযোগ স্থাপন কৰিব লগা হোৱা বাবে মই কিছু অস্বাভাৱিক বোধ কৰিব লগা হৈছিল।

॥ বাৰ ॥

কণ্ট্ৰেক্ট ব্ৰিজ খেলিব জনা মানুহ এজন পাই কচুগাওঁ বিটৰ ফৰেষ্ট অফিচাৰজনে বোধহয় ভালেই পাইছিল। তেওঁও আছিল ডেকা মানুহ। সেই কাৰণে কাম নাথাকিলে ফৰেষ্ট বঙলাৰ পিচফালৰ বাৰাণ্ডাত বহি তাচকে খেলিছিলোঁ। সেই বিৰাট চাং বঙলাটো দেখি কেতিয়াবা মনে মনে ভাবিছিলোঁ—ইমান ডাঙৰ ঘৰ এটা যদি মোৰ নিজৰ হয় কি কৰিম—ইমান ডাঙৰ ঘৰত থাকিবলৈ মানুহেই নোলাব।

হাবিৰ মাজত মৰ্য্যাদাৰ প্ৰশ্ন তুলি বিশেষ লাভ নাই। এনেয়ে মানুহ কম, তাতে যদি স্তৰ হিচাবে ভাগ ভাগ হব লগা হয় তেন্তে জীৱনটো অসহ্য হৈ উঠে। সেই কাৰণে ডিভিজনেল ফৰেষ্ট অফিচাৰ এজনে মোৰ দৰে ঠিকাদাৰৰ মহৰীৰ লগত বহি তাচ খেলাটোও একো আচৰিত কথা নাছিল। কিন্তু নিজৰ নিজৰ কামৰ সময়ত সকলো নিজা অৱস্থিতিৰ প্ৰতি সচেতন আছিল। একেখন মেজতে তাচ খেলিলেও চৰকাৰী কামৰ বেলিকা ৰেঞ্জাৰ দুজনে ডি এফ অ'ক প্ৰাপ্য সন্মানকে দিছিল আৰু মই ৰেঞ্জাৰ, আনকি ফৰেষ্টাৰকো আন সময়ত সমীহ কৰি চলিব লগা হৈছিল। সেয়া আছিল জংঘলৰ নিয়ম—চৰকাৰী কামৰ সময়ত সকলো গোট গোট। কিন্তু বিপদ আৰু বিশ্ৰামৰ সময়ত সকলো এক।

ফৰেষ্ট বঙলাৰ পিচফালৰ বাৰাণ্ডাত পিঠিত ব'দ লগাই বহি থাকোঁতে ডি এফ অ'ৰ লগত ঘৰুৱা কথাও আলোচনা হৈছিল। মানুহজন মোতকৈ বয়সত ১২ বছৰৰহে ডাঙৰ হ'ব। কলেজত মোক লগ পাইছিল নেকি নাজানো। তেওঁ মোৰ নিয়োগটো ভাল পোৱা নাছিল। নৃপেন্দ্ৰ কুমাৰ সিংহৰ লগ লগাতো আৰু বেয়া পাইছিল। সেই মানুহজনৰ বিষয়ে তেওঁ বহুত কথা জানে। তেওঁৰ মতে সিংহ মানুহজনৰ কূট বুদ্ধি বৰ বেছি। তেওঁ সেইবোৰ কৌশলৰ যোগেদিয়ে নিজক প্ৰতিষ্ঠা কৰিছে, ব্যৱসায় চলাইছে। ক্ষত্ৰিয়-ৰাজবংশী বুলি অসম চৰকাৰৰ পৰা তেওঁ কিছুমান সুবিধা আদায় কৰিছিল আৰু কেইবাজনো মন্ত্ৰীক নিজৰ হাতত ৰাখিছিল। এওঁৰ 'পাল্লা'ত পৰিলে সহজে উদ্ধাৰ পোৱা টান। টকা-পইচাৰ বিষয়ত হেনো মানুহজনে বৰ দিগদাৰি কৰে। সিংহৰ পত্নী গৰাকীও বৰ ভাল নহয় বুলিহে তেওঁ মন্তব্য দিলে। সিংহ বোলে তেওঁৰ দ্বিতীয় স্বামীহে। আগৰজনক কাৰ্য্যতঃ পৰিত্যাগ কৰিছে।

কথাবোৰ শুনি মনটো সেমেকি পৰিছিল। মহেন্দ্ৰ 'জেঠা'লৈ মনত পৰিছিল। তেওঁ নিশ্চয় নৃপেন্দ্ৰ সিংহৰ বিষয়ে ভালদৰে জানে। এইদৰে জানি শুনিয়েই তেওঁ মোক সেই মানুহজনৰ লগ লগাই দিছিলনে? মহেন্দ্ৰ জেঠাৰ বিষয়ে বেয়াকৈ ভাবিবলৈ মন যোৱা নাছিল।

ডি এফ অ'জনে সিংহৰ বিৰুদ্ধে থকা কিবা ব্যক্তিগত আক্ৰোশৰ কাৰণেই সেইদৰে কৈছেনে মোৰ শুভাকাঙ্ক্ষী স্বৰূপেই কৈছে তাক ভাবিব লগা হৈছিল।

এদিন এই বিষয়াজনেই খবৰ দিলে যে চম্পাৱতী নদীত এটা মথাউৰি বন্ধা হ'ব। ধুবুৰীৰ পি ডব্লিও ডি একজিকিউটিভ ইঞ্জিনিয়াৰ-জনে তেওঁক ক'লে। এইজন মানুহ তেওঁৰ বৰ বন্ধু। মই ইচ্ছা কৰোঁ যদি তেওঁ মোক এটা মাটি তোলা কণ্ট্ৰেক্ট দিয়াব পাৰে। তেওঁৰ মাটিৰ কামত মূলধন বেছি নালাগে আৰু লাভো বেছি।

প্ৰস্তাৱটো ভালেই লাগিল। মোৰ কথা হ'ল—যিমান সোনকালে পাৰি দুটা পইচা কৰা। টকা-পইচা নহলে আমাৰ সমাজ ব্যৱস্থাত মানুহ স্বৰূপে জীয়াই থাকিব নোৱাৰি। সকলোৰে উপেক্ষাৰ পাত্ৰ হৈ কুকুৰ মেকুৰীৰ দৰে বাস কৰিব লগা হয় আৰু সেই অৱস্থা সহ্য কৰিব নোৱাৰি বহুতে আত্মহত্যা কৰে।

কিন্তু মোৰ সকলো আঁচনি নিৰ্ভৰ কৰিছিল—নৃপেন্দ্ৰ সিংহৰ বদান্যতাৰ ওপৰত। তিনি মাহৰ পাচত তেওঁৰ কাম হলে মোৰ লগত হিচাপ কৰিব, তেতিয়াহে নিজাকৈ পইচাৰ মুখ দেখিম্। সিংহই চিঠিত লিখাৰ দৰেই ভৱিষ্যত ভাল হ'ব বুলি কাম কৰি গৈছিলোঁ। তথাপি ডি এফ অ'ক মোৰ পৰিস্থিতিৰ কথা বুজাই অলপ মোৰ কাৰণে চেষ্টা কৰিবলৈ অনুৰোধ জনাইছিলোঁ।

হৰ্ক বাহাদুৰৰ দুৰ্ঘটনাৰ দিনৰ পৰা গধূলি পৰত কেম্পৰ বাহিৰ ওলালে সাৱধান হৈছিলোঁ। টৰ্চ লাইট আৰু খুকুৰীখন সদায় লগত ৰাখিছিলোঁ। সেইদিনা ফৰেষ্ট বঙলাটোৰ পৰা সোনকালেই উভতিছিলোঁ। কেম্পলৈ ডেৰ ফাৰ্লং মানহে দূৰ হ'ব। কেম্পৰ ওচৰ পাওঁ পাওঁ হওঁতেই এটা গেঙনি শুনিবলৈ পালোঁ—মানুহৰ যেন অনুমান হ'ল। তৎক্ষণাত টৰ্চ লাইট মাৰিলোঁ। দেখিলোঁ এটা ডেকা মানুহ বাটৰ কাষত পৰি আছে। তাৰ গাৰ দুই এঠাইত তেজ ওলাইছে আৰু কেইবা ঠাইতো লাঠীৰ কোবৰ চিন আছে। মানুহটোক সেইদৰে এৰি থৈ যাম নেকি কিছুপৰ ভাবিলোঁ। ওচৰত আন কোনো মানুহ থকা যেন নালাগিল। মানৱীয়তাৰ ফালৰ পৰাই এই মানুহটোক সহায় কৰা উচিত বুলি ভাবিলোঁ। কেম্পৰ পৰা, মোৰ পৰিচাৰক গজেনক মাতি আনি তাক তুলি লৈ গলোঁ।

লেম্পৰ পোহৰত দেখা পালোঁ—সেইটো বজাৰৰ একেবাৰে মূৰত থকা পাণ-তামোলৰ দোকানখনৰ মালিক ভোলা। ৰাতিয়েই ডি এফ অ'ক কথাটো জনাই থলোঁ।

ভোলাৰ দোকানত ডকাইতি হৈছিল। তাৰ নগদ চাৰিশ টকা

লৈ গ'ল। দোকানৰ বয়বস্তুবোৰো থানবান কৰি পেলালে। ডকাইতৰ দলটোত চাৰিটামান মানুহ আছিল। তাক মাৰপিট কৰি পেলাই থৈ গৈছিল। কচুগাৱঁত বোলে মাজে সময়ে এনেকুৱা হৈয়ে থাকে।

ভোলাক শুশ্ৰূষা কৰাৰ উপকৰা দায়িত্ব এটা লব লগা হ'ল। কেইদিনমানৰ পাচত সি কোনো মতে উঠিব পৰা হ'ল। সি কৃতজ্ঞতাৰে ক'লে—মই হেনো তাৰ ভগৱান। কাৰণ মই তাক জনম দিছোঁ। সেই কাৰণে সি আজীৱন মোৰ লগত থাকিব। মোৰ কাম কৰিব। তাৰ প্ৰস্তাৱটো তেতিয়া ভাল লগা নাছিল। নিজৰে সংস্থান নাই। আন এটা মানুহক পোহপাল দিয়াটো ভাবিব নোৱাৰা কথা। অথচ এই মানুহটোক খেদি দিবলৈকো সত নগ'ল। কঠিন হলেও এই এটা নতুন বোজা বহন কৰিবলৈকে স্থিৰ কৰিলোঁ। ভোলাই হয়তো মোক তেতিয়াই যথেষ্ট অৱস্থাপন্ন মানুহ বুলি ধৰি লৈছিল।

সময়বোৰ কাৰো কাৰণে ৰৈ নাথাকে—দেখা কথা। তিনিটা মাহ হাবিৰ মাজত নিৰ্বাসিতৰ দৰে কটাই সিংহ কোম্পানীৰ কচু-গাৱঁত থকা কেম্প তুলিলোঁ। তাৰ পাচত কি হ'ব সাপটগ্ৰামতহে ঠিক কৰিব লাগিব। নৃপেন সিংহই ভৱিষ্যতৰ কি সপোন দেখুৱায় জনা নাছিলোঁ যদিও মোৰ দায়িত্বৰ কাম ভালদৰেই হৈ গ'ল। ফকিৰাগ্ৰামৰ পৰা বেলৰেৰ শ্লিপাৰৰ কাৰণে ৱেগনে ৱেগনে কাঠ গ'ল। যোগান নিৰ্দ্ধাৰিত সময়তে শেষ হ'ল। ইফালে সিংহৰ ঘৰতো কাঠৰ দ'ম হ'ল। সেইবোৰ আছিল উপকৰাকৈ ফলা কাঠ। এইখিনি কাঠ কেনেকৈ সিংহৰ ঘৰত জমা হৈছিল সেই কথা ময়ো জনা নাছিলোঁ; কচুগাওঁ বিভাগৰ মুখ্য বন বিষয়াজনেও জনা নাছিল। এটা মাজৰ স্তৰতে কামখিনি সমাধা হৈছিল। মই মাত্ৰ জানিছিলোঁ যে এইখিনি কাঠ কচুগাৱঁতে ফলোৱা হৈছিল।

॥ তেৰ ॥

নৃপেন্দ্ৰ কুমাৰ সিংহই মোক ভালদৰে পুৰস্কৃত কৰাৰ কথাই ভাবিছিল হেনো, কিন্তু ৰেলৱেৰ পৰা বিলখন আদায় কৰিব নোৱাৰা বাবেহে লেঠা হ'ল। মোৰ চাৰি মাহৰ বানচ স্বৰূপে প্ৰাপ্য হ'ল পাঁচ শ টকা। তাৰে এশ টকা খোৱা খৰচ বাবদ কৰ্তন কৰা হ'ল। আধা খৰচ অৱশ্যে তেওঁৱেই বহন কৰিছিল। সেয়ে চাৰি মাহৰ মূৰত চাৰি শ টকা হাতত পৰিল।

আৰু ভৱিষ্যত!

ভৱিষ্যত সম্পৰ্কে সিংহই এটা ভাল উপদেশ দিলে। মোৰ দৰে 'গ্ৰেজুৱেট' একোটাই এইবোৰ ব্যৱসায়ৰ কামত লাগি প্ৰতিভাৰ অপচয় কৰিব নালাগে। চৰকাৰী চাকৰি এটা যোগাৰ কৰি লোৱা ভাল। তেতিয়াহে জীৱনটো নিৰাপদ হয়। তেওঁ কেতিয়াবা শ্বিলঙলৈ গলে নাইবা মুখ্যমন্ত্ৰী সেইফালে আহিলে মোৰ কথা কব। তেওঁৰ পৰামৰ্শ শুনি ভাল লাগিছিল। কিন্তু তেনেবোৰ পৰামৰ্শ শুনাৰ পাচতে অৰ্থহীন হৈ পৰে আৰু সেয়ে কচুগাৱঁৰ ডি এফ অ'ৰ অনুগ্ৰহ বিচাৰিবলৈ বাধ্য হলোঁ।

কচুগাওঁ—ধুবুৰী, ধুবুৰী—কচুগাওঁৰ মাজত কেইবাদিনো অহা-যোৱা কৰিব লগা হওঁতে ভোলাক ভালুকৰ সাঙী যেন লাগিছিল।

তাক সাপটগ্ৰামৰ বিহাৰী হোটেল এখনত ৰাখোঁতে অতি দৰকাৰী মূলধন কেইটকাবো ভালে কেইটকা খৰচ কৰিব লগা হৈছিল। তথাপি তাক এৰি দিয়াৰ কথা ভাবিব পৰা নাছিলোঁ।

অৱশেষত চম্পাৱতীৰ মথাউৰিত পাঁচ হেজাৰ টকাৰ ঠিকা কাম এটা সংগ্ৰহ হ'ল। ডি এফ অ'জনৰ সৌজন্যতে সেইকণ সুবিধা পালোঁ। তেতিয়া অনুভৱ কৰিছিলোঁ—মানুহজন সঁচাকৈয়ে মোৰ শুভাকাঙ্ক্ষী আছিল। সাপটগ্ৰামত থাকোঁতেই এটা তথ্যও সংগ্ৰহ কৰিলোঁ। নৃপেন্দ্ৰ সিংহই এটা সময়ত এই ডেকা ডি এফ অ'জনকো লন্তিছিল। অকল তেৱেঁই নহয় তেওঁৰ পৰিবাৰ আৰু তেওঁৰ পৰিবাৰৰ কন্যা গৰাকীয়েও। কন্যা গৰাকী আছিল তেওঁৰ পৰিবাৰৰ পূৰ্ব পক্ষৰ সন্তান। ডেকা ডি এফ অ'ৰ লগত কন্যাটিৰ কিছু "ভাবো" হৈছিল। সেই সূত্ৰে সিংহই তেওঁৰ কাঠৰ ব্যৱসায় সংক্ৰান্তত কিছুমান সুবিধা আদায় কৰি লৈছিল। কিন্তু কলিকতাৰ ছোৱালী কলিকতালৈ গুচি গ'ল। অসমৰ বন বিষয়াৰ লগত 'প্ৰেম' কৰিবলৈ সাপটগ্ৰামত বৈ নাথাকিল। সেই কথাতে বোধহয় ডি এফ অ'জন বিতুষ্ট হৈছিল।

মাটিৰ কাম কৰিবলৈ বিহাৰী মজদুৰ সংগ্ৰহ কৰা কামত যেতিয়া ভোলাই বিশেষ বৰঙনি যোগালে, তেতিয়া তাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিলোঁ। মনে মনে ভাবিবলৈ লৈছিলোঁ—হয়তো এটা ভাল পথেদিয়েই আগবাঢ়িছোঁ।

কিন্তু, তাতো মূলধনৰ প্ৰশ্ন আছিল। কাম কৰা মজদুৰ কেইটাক মজুৰী পাচত দিয়াৰ বন্দবস্ত হলেও খোৱাৰ যোগাৰ, থকাৰ ব্যৱস্থা কৰি দিব লগা হৈছিল। সেইবোৰ কৰোঁতে জেপটো প্ৰায় শুদা হৈ পৰিছিল। তেতিয়া একজিকিউটিভ ইঞ্জিনিয়াৰৰ অনুকম্পাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল ৰানিং বিলৰ কাৰণে। তথাপি মনৰ বল হেৰুওৱা নাছিলোঁ।

ছটা মাহৰ ভিতৰতে কাম শেষ কৰি দি গড় কাপ্তানি বিভাগৰ

পৰা দক্ষ ঠিকাদাৰ স্বৰূপে স্বীকৃতি লাভ কৰিলোঁ। মোৰ দৰে ঠিকা লোৱা কেইবাজনৰ কাম তেতিয়াও প্ৰায় এক তৃতীয়াংশকৈ বাকী আছিল। একজিকিউটিভ ইঞ্জিনিয়াৰে প্ৰশংসা কৰি ভৱিষ্যতে ভাল কামৰ আশ্বাস দিলে। মজদুৰ দলেও সন্তোষ প্ৰকাশ কৰিলে—সিহঁতৰ প্ৰাপ্য যথাযথভাৱে আদায় দিয়া বাবে। সকলোৰে শুভেচ্ছা লৈ আৰু অভাৰচিয়াৰ, এচিষ্টেণ্ট ইঞ্জিনিয়াৰ আদিক প্ৰয়োজনীয় দান-দক্ষিণা কৰাৰ পাচত চম্পাৱতীৰ পাৰ এৰি আহোঁতে মোৰ হাতত দহখন এশ টকাৰ নোটৰ বাহিৰেও, আৰু কিছু ভঙনীয়া পইচা আৰু এটকাৰ নোট আছিল।

পোনে পোনে ফকিৰা গ্ৰামলৈ আহিছিলোঁ মহেন্দ্ৰ জেঠাক লগ ধৰিবলৈ। লগত ভোলাও আছিল। মাজে মাজে কোটৰ ভিতৰৰ জেপটো চুই অলপ ডাঙৰকৈ হাঁহিবৰ মন গৈছিল। কিন্তু ভোলাৰ লগত হোৱা কথা-বতৰাত হাঁহিব লগা তেনে কোনো উপলক্ষ বিচাৰি পোৱা নাছিলোঁ।

কিন্তু, সন্ধিয়া পৰতো জেঠাৰ ঘৰত চাকি জ্বলা নাই কিয়—বাটৰ কাষৰ ফুলবোৰ গৰুৱে মহতিয়াই পেলালে কিয়? দুৱাৰখনৰ ওচৰ চাপি গলোঁ, কিছুমান কেচুমতা আৰু গৰুৰ গোবৰ গছকি। দুৱাৰখনত তলা নাই, আধা মেলা হৈ আছে। বাহিৰৰ কোঠাটোৰ ডাঙৰ বাকচটোত তলা নাই। ভিতৰৰ কোঠাটোলৈ সোমাই গলোঁ। বিছনাখনত মানুহ নাই।

প্ৰায় দৌৰি দৌৰি বজাৰৰ দোকানখনলৈ আহি দোকানীজনৰ হাতত ধৰি সুধিছিলোঁ—ৰায় মশাই ক'ত? দোকানীজন বিৰক্ত হোৱা নাছিল। তেওঁ মোক শান্ত ভাৱেই কৈছিল, "বসুন। এক মাস হতে চলছে ৰায় মশায়েৰ ছোট ছেলেটা মাৰা গেল। তাৰ পৰ দিন থেকেই ৰায় মশায়কে আৰ দেখা গেল না। আমৰা যথেষ্ট খুঁজলাম। কিন্তু ওঁকে আৰ কেউ পেল না। একজন মানুষ চলে গেল।" দোকানীজনৰ মাতটো গলগলীয়া হৈ পৰিছিল।

॥ চৈধ্য ॥

ছমাহৰো সৰহ দিনৰ পাচত গুৱাহাটীলৈ যি উৎসাহ-উদ্দীপনা লৈ উভতিম বুলি ভাবিছিলোঁ—ফকিৰাগ্ৰামে মাটি কৰি পেলালে। ভাবিছিলোঁ লিডিয়াক অবাক কৰি দিম। বংশধৰটিয়ে মোক চিনিবকে নোৱাৰিব বুলি আশংকা হৈছিল। লিডিয়াই যে কিমান মানসিক অশান্তি আৰু শাৰীৰিক কষ্টৰ মাজেদি মাহ কেইটা অতিবাহিত কৰিছে তাকো উপলব্ধি কৰিবৰ চেষ্টা কৰিছিলোঁ। লিডিয়াই তুলিব পৰা অভিযোগবোৰৰ কি উত্তৰ দিলে তেওঁৰ মনঃপূত হব তাকো চিন্তা কৰি জুকিয়াই লৈছিলোঁ। লিডিয়াৰ সম্ভাব্য অভিযোগবোৰৰ এখন তালিকা নিজে নিজে যুগত কৰি লৈছিলোঁ। মই নিজৰ পত্নী আৰু ৰুগ্ন সন্তানটিক কাৰ আশ্ৰয়ত এৰি থৈ গৈছিলোঁ? দুটা প্ৰাণীৰ ভৰণ পোষণৰ দায়িত্ব লব নোৱাৰা মানুহৰ পুৰুষত্ব থাকেনে? এনে ধৰণৰ অভিযোগকে তোলা হব বুলি ধৰি লৈছিলোঁ। কিন্তু মহেন্দ্ৰ 'জেঠা'ই সকলোবোৰ খেলিমেলি লগাই দিলে।

মহেন্দ্ৰ ৰায় জীয়াই আছেতো ?

ৰেলগাড়ীৰে গুৱাহাটী অভিমুখে আহোঁতে বাৰে বাৰে সেই প্ৰশ্নটোৱেই কাণত প্ৰতিধ্বনিত হৈছিল। লিডিয়াক আৰু ছমাহৰ আগতে এৰি থৈ অহা ক্ষীণ দেহৰ কেঁচুৱাটিক কি ৰূপত দেখা পাম সেই কথা চিন্তা কৰিবলৈ পাহৰি গৈছিলোঁ। ৰেলগাড়ীত ওৰে বাটটো বাহিৰৰ ফালে মুখ কৰি কোনো কথা-বতৰা নোকোৱাকৈ অহা বাবে ভোলাও চুপ হৈ পৰিছিল। তথাপি কেতিয়া গুৱাহাটী

পাওঁ, কেতিয়া গুৱাহাটী পাওঁ লাগিছিল। গুৱাহাটী পালেই যেন সকলো সমস্যা আৰু দুখ-বেদনাৰ বোজা পাতল হৈ পৰিব।

গুৱাহাটীত তেতিয়া এক্কা আৰু টঙ্গা গাড়ীৰ যুগ শেষ হৈছিল, আৰম্ভ হৈছিল চাইকেল ৰিক্সাৰ। কিন্তু চাইকেল ৰিক্সা সংখ্যাত যথেষ্ট কম হোৱা বাবে কোনো কোনোৱে ঘোঁৰা গাড়ীকে ব্যৱহাৰ কৰিছিল। চাইকেল ৰিক্সা নাপাই ময়ো এখন ঘোঁৰা গাড়ীতে ষ্টেচনৰ পৰা লিডিয়াহঁতৰ ঘৰলৈ গৈছিলোঁ। চিনাকি বাটপথবোৰ দেখি ভাল লাগিছিল। গুৱাহাটীত মই থকা সময়ত যিবোৰ নতুন ঘৰ সাজিবলৈ আৰম্ভ কৰিছিল সেইবোৰ সম্পূৰ্ণ হৈ হৈছিল। তাৰে এটা নে দুটাত 'টু লেট' জাননীও লগাই থোৱা আছিল। এটা সৰু অথচ দেখিবলৈ ধুনীয়া ঘৰত তেনে জাননী দেখি বৰ ভাল লাগিছিল। সেইটো ঘৰেই আমাৰ তিনিজনীয়া পৰিয়ালটো আৰু ভোলাৰ কাৰণে যথেষ্ট হব বুলি ধাৰণা কৰিছিলোঁ।

চাইকেল ৰিক্সা ওলোৱাৰ পাচতো ঘোঁৰা গাড়ীত উঠাটো সেই সময়ত দৰিদ্ৰতাৰ চিন স্বৰূপে গণ্য কৰিবলৈ লোৱা হৈছিল। লিডিয়াহঁতে মোক এতিয়াও সৰ্বহাৰাৰ শাৰীতে পেলাই ৰাখিবনে কি তাকো মনে মনে চিন্তা কৰিব লগা হৈছিল।

বাটত কোনো চিনাকি মানুহৰ লগত যাতে দেখা নহয় তাৰ বাবেই ঈশ্বৰক খাটিছিলোঁ। সৌভাগ্যক্ৰমে তেনে কাৰো সমুখত নপৰিলোঁ। এসময়ত মোৰ হিতাকাঙ্ক্ষী স্বৰূপে বিয়াৰ বন্দৱস্ত কৰা সহকৰ্মীজনক দূৰৰ পৰা দেখা পাইছিলোঁ। তেওঁ বোধহয় কোনোবা ঠাইত চাকৰিৰ যোগাৰ কৰি লৈছিল আৰু সেই বাবেই কালৈকো নোচোৱাকৈ গোঁ গোঁকৈ খোজ দিছিল।

পদূলিৰ কাঠৰ গেটখন ভাগি গৈছিল। ঘৰটোলৈ সোমোৱা বাটটোত গজা দুবৰি বনবোৰ ওখ ওখ হৈছিল। বাৰাণ্ডাৰ ৰেলিঙত কিছুমান ফটা কাপোৰ ওলমিছিল। ৰ'দত শুকাবৰ বাবেই বোধহয় ফটা-ছিটা কাপোৰবোৰ সেইদৰে ৰখা হৈছিল। বেতৰ চকী

কেইখনৰ ৰং নোহোৱা হৈ পৰিছিল, তাৰ কুছনৰ কাপোৰবোৰো ফাটি গৈছিল। বাৰাণ্ডাৰ প্ৰথম ষ্টেপটোত ভৰি দি দেখিলোঁ এটা অস্থি চৰ্মসাৰ লৰাক কোলাত লৈ লিডিয়াৰ দাদাজনে এডোখৰ 'কুকিছ' বিস্কুট খুৱাবৰ যত্ন কৰিছিল।

চিনি পাওঁতে পলম নহ'ল। সেইটি ছমাহৰ আগতে মই এৰি যোৱা কেঁচুৱাটি। কিন্তু ইমান দিনৰ পাচতো সি থিয় দিব পৰা নাই কিয়, খোজ কাঢ়িব পৰা নাই কিয় ?

'ককাইদেৱে' উঠিবৰ চেষ্টা কৰিছিল। কিন্তু লৰাটোৱে চিঞৰি দিয়াত তেওঁ বহি ৰ'ল। মোক দেখি যিমান আচৰিত হব বুলি ভাবিছিলোঁ, সিমান আচৰিত হোৱা যেন নেদেখিলোঁ। তেওঁ বহাৰ পৰাই ক'লে, "অঃ তুমি আহিলাঁ—বহাঁ।" তেওঁৰ দৃষ্টি বেতৰ চকী এখনৰ ওপৰত নিবদ্ধ হৈছিল। মই নবহিলোঁ। তেওঁৰ ওচৰ পাই লৰাটোক নিৰীক্ষণ কৰিলোঁ। তাক দেখি বুকুৰ কোনোৱা এঠাইত হঠাৎ এটা গধুৰ হাতুৰীৰ কোৰ পৰা যেন লাগিল। তাৰ ওচৰতে মাটিত বহি পৰিলোঁ। লৰাটোৰ পেটটো ডাঙৰ হৈ গৈছে ; ভৰি-হাত সৰু সৰু হৈ পৰিছে। নাকত শেঙুন আৰু চকুত ফেচকুৰি। এটা লেতেৰা চোলা পিন্ধাই ৰখা হৈছে সিও তাৰ কাৰণে চুটি। সি মোৰ ফালে এবাৰ চাই আনফালে মুখ ঘূৰাইছিল।

লিডিয়াৰ ককায়েকজন মোতকৈ বয়সত ডাঙৰ বাবে তেওঁক ককাইদেউ বুলিয়েই মাতিছিলোঁ। তেওঁক কিবা সুধিব খুজি আৰম্ভ কৰিছিলোঁ, "ককাইদেউ,—"। তেওঁ বোধহয় মোৰ সম্ভাব্য প্ৰশ্নটো কি হব বুজি পাইছিল। সেই কাৰণে লগে লগে উত্তৰ দিলে— "আটাইবোৰ গ'ল। মই আৰু মুনমুন আছোঁ। তুমি কেতিয়া আহাঁ তাকে ভাবি আছিলোঁ।" কথা কেইটা কৈ তেওঁ মনে মনে থাকিল।

"মই যে চিঠি আৰু টকা পঠাইছিলোঁ, পাইছেনে নাই?" সঙ্গতিহীন ভাবেই কথাষাৰ সুধি পেলালোঁ।

তেওঁ উত্তৰ দিলে, "পাইছোঁ। চিঠিৰ উত্তৰ দিব লগা নাছিল। তুমি চিঠিখন মোলৈ লিখা নাছিলাঁ। টকা কেইটা পাইছোঁ। মোৰ আৰু মুনমুনৰ কামত লাগিছে। সেই সময়ত টকা কেইটা নোপোৱা হলে ইও হয়তো বাচি নাথাকিলহেঁতেন।

"তাৰ মানে লিডিয়া নাই ?" মাতটো কিমান ডাঙৰ হৈ মুখৰ পৰা ওলাইছিল এতিয়া ঠিক মনত নাই।

তেওঁ শান্তভাৱেই ক'লে, "নাই বুলিয়েই কব লাগিব। তুমি হঠাৎ ঘৰৰ পৰা গুচি যোৱাত তাইৰ মনটো ভাগি পৰিছিল। মায়ো হয়তো অন্তৰত আঘাত পাইছিল। এদিন তেওঁ চকু মুদিলে। তেতিয়া তোমাৰ খবৰ লবৰ সময় নাছিল। মাৰ শ্ৰাদ্ধৰ কাৰণে বাইদেউহঁত আহিছিল। কেইবা দিনো তেওঁলোক ইয়াত আছিল। বাইদেউৰ প্ৰকৃতিটোৰ বিষয়ে তুমি হয়তো কিছু জানা। তাই ইমানেই অহঙ্কাৰী হৈ পৰিছিল যে নিজৰ ভাই-ভনীকো শত্ৰুৰ দৰে ব্যৱহাৰ কৰিছিল। সেইবাবেই ল'ৰা দুটাও হৈ পৰিছিল অসম্ভৱ দুৰ্দান্ত। সিহঁতৰ উৎপাত আৰু বাইদেউৰ অৱজ্ঞা, লিডিয়াৰহে নালাগে, মোৰেই অসহ্য হৈ উঠিছিল। সেই ছোৱালীজনীৰ ওপৰত নিয়মিতভাৱে উৎপীড়ন চলিছিল।

"এদিন নিশা তায়ো ক'ৰবালৈ গুচি গ'ল। বাইদেউহঁতে তাইৰ বিচাৰ লোৱাৰ আৱশ্যক বোধ নকৰিলে। পিচদিনাই তেওঁলোকো গুচি গ'ল। মোৰ কথাতো বাদেই মুনমুনৰ কি হব সেই বিষয়েও তেওঁলোকে ভাবি নাচালে।

"এতিয়া, এটা নতুন খবৰ আছে। ভিনদেউ বোলে গুৱাহাটীলৈকে বদলি হৈছে, সেই কাৰণে এইটো ঘৰতে থাকিব। ঘৰটো সোনকালে মেৰামতি কৰাব। তেওঁলোক ইয়াত থাকিবলৈ ললে মোৰ দৰেই মুনমুনো থকা অসম্ভৱ হৈ পৰিব।"

তেওঁ মুনমুনক লৈ বহাৰ পৰা থিয় হৈছিল আৰু মোৰ ফালে চাই প্ৰশ্ন কৰিছিল, "তুমি মুনমুনৰ দায়িত্ব লব পৰা হৈছানে ?"

মই উত্তৰ দিয়া নাছিলোঁ। মুনমুনক তেওঁৰ কোলাৰ পৰা টানি আনি সাবটি লৈছিলোঁ।

সেই ঘৰটোত এক মুহূৰ্তও আৰু বৈ থাকিবৰ ইচ্ছা নোহোৱা হৈছিল। ভোলাক কৈছিলোঁ,—"চলো ভোলা, জায়েগা।"

বাৰাণ্ডাৰ পৰা নামিব খুজি চিৰিত ভৰি দিছিলোঁ।

লিডিয়াৰ ককায়েকে মাতিছিল—

"মুনমুনক তেন্তে তুমি এতিয়াই লৈ যাবা? সি কিন্তু তোমাক অচিনাকি দেখি কান্দিব। তাৰ গাটোও ভাল নহয়।"

তেওঁ অলপ পৰ বৈ আকৌ কৈছিল, "তাৰ কাৰণে আজি চাৰি মাহ ঘৰত সোমাই থাকিব লগা হ'ল। কিন্তু সেইবাবে কোনো দুখ নাছিল। তাক বুকুত লৈ শুইছিলোঁ। শেহ নিশা সি কান্দি উঠিলে, জনাই নজনাই নিচুকনি গীত গাই তাক আকৌ শুৱাবৰ যত্ন কৰিছিলোঁ। দিনত ঘৰুৱা কাম কৰিবলৈ অহা মানুহজনীয়ে কৈছিল, তাৰ দেউতাকেও তাক এইদৰে মৰম কৰিব নোৱাৰিলে-হেঁতেন।

"তাক তুমি লৈ গ'লে বুকুৰ উম এটা নোহোৱা হব। নিশা চাৰি বা চাৰে চাৰি বজাত সাৰ পাই বুকুখন ধৰফৰাই উঠিব। আৰু মই আকৌ আগৰ জীৱনটো আৰম্ভ কৰিব লাগিব। আকৌ অঘৰীৰ দৰে ঘূৰি ফুৰিব লাগিব। হয়তো তুমি ভালেই কৰিছাঁ। মুনমুনক মই ডাঙৰ কৰা সম্ভৱ নহয়। মোৰ লগত থাকি সি ডাঙৰ হবলৈ হলে সিও দুখীয়া, নিৰাশ্ৰয়বোৰৰ কথা ভাবি নিজক সিহঁতৰ লগত মিলাই দিব লাগিব। আজিকালি সেই পথ শুদ্ধ বুলি মানুহে গ্ৰাহ্য নকৰে। তুমি তাক তোমাৰ মতেই ডাঙৰ কৰিব লাগিব। মোৰ বুকুত সি সদায় থাকিব নোৱাৰে। তথাপি—তাক আৰু দুদিনমান ইয়াত ৰাখিব নোৱাৰাঁনে?" মানুহজনে কথাখিনি কওঁতে কেইবা বাৰো থমকি ৰব লগা হৈছিল। মাতটো গলগলীয়া হৈ পৰিছিল।

এই মানুহজনৰ প্ৰকৃতি সম্পৰ্কে মোৰ ভাল ধাৰণা আছিল। বহুতো মানুহে তেওঁক অবাঞ্ছিত ব্যক্তি বুলি গণ্য কৰিলেও তেওঁৰ মানৱীয়তাৰ ওপৰত মোৰ আস্থা আছিল। তেওঁ ভণ্ডামি কৰিব নজনাটোৱেই আছিল তেওঁৰ প্ৰধান ক্ৰটি। সাধাৰণ মানুহবোৰৰ অৱস্থা উপলব্ধি কৰি সিহঁতৰ মাজত সোমাই পৰোঁতে কিছুমান ৰুচি বিগৰ্হিত কাম কৰিলেও তেওঁৰ মাজত থকা আচল মানুহটোৰ অৱনতি ঘটা নাছিল। ক্লাৱত মদ খাই বলিয়ালি কৰা মানুহজাকক আমাৰ সমাজে কোনো দিনে বৰ্জন কৰা নাই, বৰং সেইজাক মানুহকে সন্মানহে যাচিছে। সেইদল মানুহে উদ্ভণ্ডালি কৰিলে, ব্যভিচাৰ কৰিলে মানুহে নীৰৱে সহ্য কৰে। কিন্তু জুপুৰী ঘৰত কোনোৱে মদ খাই ডাঙৰকৈ কথা ক'লে, তেওঁক শাসন কৰিবলৈ আটাইবোৰ দৌৰি যায়। মদ খোৱা আৰু বলিয়ালি কৰা বেয়া কথা যদি সি সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হোৱা উচিত। কিন্তু আমাৰ সমাজত সেই সমতা নাই। সেই কাৰণে লিডিয়াৰ দাদাকজনক মানুহে মদাহী বুলি আখ্যা দিবলৈ সাহস কৰিছিল। আমোদৰ কথা যে মানুহজনে আনৰ মন্তব্যলৈ কাণষাৰ নিদি আপোনমনে চলি গৈছিল। ইচ্ছা কৰা হলে তেওঁ এজন অৱসৰপ্ৰাপ্ত চুবেদাৰ মেজৰৰ একমাত্ৰ পুত্ৰ স্বৰূপে ভালদৰে ভণ্ডামি কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁ সেই পথ বাছি নললে।

মানুহজনৰ প্ৰতি আগৰে পৰা মোৰ এটা ভাল ভাব আছিল। হয়তো মুনমুনক জীয়াই ৰখাৰ বাবে সেয়ে প্ৰৱল কৃতজ্ঞতাত পৰিণত হৈছিল।

তেওঁৰ কথাত বাৰাণ্ডাৰ পৰা তললৈ নানামি স্থিৰ হৈ ৰৈছিলোঁ।

বুকুত উম দিবলৈ আকৌ এবাৰ তেওঁৰ কোলাত মুনমুনক তুলি দিছিলোঁ।

কিন্তু, লিডিয়া ক'লৈ গ'ল? তাই জানো জীয়াই আছে? তাইৰ যদি মৃত্যু হৈছে তাৰ বাবে ময়েই দায়ী নহয়নে?—প্ৰশ্নবোৰ

মনলৈ আহিছিল। আকৌ এবাৰ জীৱনৰ প্ৰতি বিতৃষ্ণা জাগিছিল। কিন্তু পিচ মুহূৰ্ততে মুনমুনৰ শেঁতা পৰা মুখখন চকুৰ আগত ভাহি উঠিছিল। এই অজান শিশুটিতো জীয়াই থাকিব লাগিব।

অজ্ঞাতসাৰেই লিডিয়াই শোৱা কোঠালিটোত সোমাই ছুট কেছটো দাঙি চাইছিলোঁ। তাত লিডিয়াৰ কাপোৰ কানি কিছুমান আছিল। সেইবোৰৰ ওপৰতে এখন কাগজত লিডিয়াৰ আখৰ কেইটামান দেখি পঢ়ি গৈছিলোঁ—

যিটো জীৱনত দুখ বেদনা আৰু গ্লানিয়েই সাৰ হ'ল সেইটো জীৱন ৰখাৰ একো দৰকাৰ নাই। মোৰ মৃত্যুৰ বাবে কাকো দায়ী কৰিব খোজা নাই।

মুনমুনক এৰি গলোঁ অদৃষ্টৰ হাতত।

সেইদিনা মোৰ বিবাহিতা পত্নী লিডিয়াৰ মৃত্যুৰ বাবে চকুলো পেলোৱা নাছিলোঁ। এটা সংকল্পত মনটো এনে কঠিন হৈ পৰিছিল যে চকুপানী শুকাই গৈছিল। সেই সংকল্প আছিল জীৱনটোক তিল তিলকৈ নিঃশেষ কৰিব লাগিব।

॥ পোন্ধৰ ॥

ক'লা চুলিখিনি নিখুঁতভাৱে ঢাকি লোৱা বগা কাপোৰখনৰ সৈতে ছোৱালীজনীক বেছ ধুনীয়া লাগিছিল। হাঁহো হাঁহো কৰা চকু দুটা, জোঙা নাকটো, সৰু সৰু বগা দাঁতখিনিৰ প্ৰত্যেকৰে একোটা নিজা আকৰ্ষণ আছিল। তেওঁৰ বয়স হয়তো ভালেখিনি হৈছিল। হয়তো অবিবাহিতা হৈ থকাও নাছিল। তথাপি তেওঁক কুমাৰী বুলিয়েই ধৰি লৈছিলোঁ। বহুতদিনৰ মূৰত এজনী ছোৱালীক পোনপটীয়াকৈ চাইছিলোঁ। নাৰীৰ যে এটা বিশেষ আকৰ্ষণ আছে সেইদিনা উপলব্ধি কৰিছিলোঁ।

তেওঁ মুনমুনক মোৰ কোলাৰ পৰা লৈ গৈছিল। তেওঁৰ হাতখনৰ লাহি আঙুলি কেইটা মোৰ হাতত লাগি যোৱাত এটা শিহৰণ অনুভৱ কৰিছিলোঁ। যাদু মন্ত্ৰৰ বলত এইজনী ছোৱালী লিডিয়া হৈ যোৱা হলে! তেতিয়া ভাবিছিলোঁ।

মুনমুনক লৈ ঠিকাদাৰী চলোৱাৰ প্ৰশ্নই নুঠে। ভোলা থাকিলেও নহয়। আৰু তাকে বুকুত সাৱটি বহি থকাৰ সময়ো নাছিল। পৃথিবীখনৰ লগত যুঁজিবৰ বাবে প্ৰস্তুতি চলাব লগা হৈছিল। সেই কাৰণেই মুনমুনক খৃষ্টান মিছনেৰীৰ হাতত অৰ্পণ কৰিব লগা হ'ল। ইটালীয়ান 'ফাদাৰে' অসমীয়াতে সুধিছিল—"ল'ৰাটি

নিজৰে নহয় জানো ? ঘৰতে ৰাখিব পৰা হলে ভাল হ'লহেঁতেন"। অলপ থমকি বৈ তেওঁ কৈছিল।

"আমি ইয়াত কোনোবা লৰা-ছোৱালী ডাঙৰ কৰিলে সেই-সকলক আমাৰ ধৰ্মৰ দীক্ষা দিওঁ। আপোনাৰ বা কেনে ইচ্ছা ?"

মই তেওঁক জনাইছিলোঁ যে ধৰ্মৰ প্ৰশ্নত মোৰ কোনো গোড়ামি নাই। ধৰ্ম যিয়েই নহওক সকলো মানুহ। ধৰ্মৰ কথা পাহৰি মানুহে মানবীয়তাত গুৰুত্ব দিব লাগে। ফাদাৰ নিক'লাচে চকুৰ পৰা চছমাযোৰ গুচাই মোৰ ফালে চাইছিল। অলপ পাচত মুখলৈ যথাসম্ভৱ কোমলতা আনি কৈছিল—"হব, হব। আমি আপোনাৰ পুত্ৰৰ দায়িত্ব লৈছোঁ। আমিও ভাবোঁ প্ৰভু যীশুৱে সকলো মানুহকে দয়া কৰি আহিছে।"

কিছুমান কাকত-পত্ৰত চহী কৰিব লগা হৈছিল। গোৱাল-পাৰাৰ দামৰাৰ চাৰ্চটোৰ কথা ধুবুৰীত পি ডব্লিও ডি অফিচৰ সহকাৰী এজনে কৈছিল। তেওঁ নিজেও বোলে এসময়ত সেই চাৰ্চটোৰ অনুগ্ৰহ লাভ কৰিছিল। তেওঁৰ দেউতাক আছিল পশ্চিমবঙ্গৰ আৰু মাক এগৰাকী গাৰো মহিলা। এই চাৰ্চটোৰ জৰিয়তে কালিম্পঙৰ গ্ৰাহামছ হ'মলৈকো কোনো কোনো ল'ৰা-ছোৱালী পঠোৱা হয়। মুনমুনক মানুহ কৰিবৰ বাবে আন পন্থা বিচাৰি পোৱা নাছিলোঁ। সেয়ে, তাক তালৈকে লৈ গৈছিলোঁ। ভোলা কিন্তু ইয়াৰ বিৰোধী আছিল। সি কৈছিল "হুজুৰ, ছোটা বাবুক মোৰ জিম্মাত দিয়ক। বিদেশী মানুহৰ কি বিশ্বাস আছে ?" ভোলাৰ আবেগক প্ৰশ্ৰয় দিয়াৰ ইচ্ছা নকৰিলোঁ।

সেইদিনা বৰ মুকলিমূৰীয়া লাগিছিল। মুনমুনে কান্দিছিল। কিন্তু সেই কান্দোনৰ ওপৰত গুৰুত্ব দিয়াৰ আৱশ্যকতা বোধ কৰা নাছিলোঁ। নাৰ্ছ গৰাকীক লৰাটোৰ প্ৰতি যত্ন লবলৈ বিশেষ অনুৰোধ জনোৱাৰ পাচতে গোটেই প্ৰসঙ্গটো এৰি পেলাইছিলোঁ। ভোলাই অৱশ্যে চকু দুটা তাৰ ৰঙা গামোচাখনেৰে বাৰে বাৰে মোহাৰিছিল।

ধুবুৰীৰ পি ডব্লিও ডি অফিচৰ হেড এচিষ্টেণ্টে ব্যক্তিগতভাৱে চিঠি লিখিছিল—চম্পাৱতীৰ মথাউৰিৰ কিছু কাম আগৰ ঠিকাদাৰে সম্পূৰ্ণ কৰিব নোৱাৰিলে। লৰালৰিকৈ অফিচলৈ গ'লে কামখিনি মই লব পাৰোঁ। এইটো জৰুৰী কাম হব আৰু সেই কাৰণে টকা-পইচাও বেছি হব।

কেতিয়া ধুবুৰী পাওঁগৈ তাৰ চিন্তা প্ৰবল হৈ উঠিছিল।

শেষত ঠিকাদাৰ হমগৈ বুলি কল্পনাই কৰা নাছিলোঁ। 'আগলৈ কি হবি' বুলি শিক্ষকে সোধোতে কলেজৰ অধ্যাপক হম বুলিহে কৈছিলোঁ। শিক্ষকে অৱশ্যে মোৰ কথা শুনি কৈছিল, "হেৰ গোটগৰু, মেট্ৰিকৰ দেওনা পাৰ হব পাৰ নে নোৱাৰ তাৰ ঠিকনা নাই। তই আৰু' কলেজৰ প্ৰফেচাৰ হবি।" পঢ়াশুনাত আগডোখৰত ভাল কৰিব পৰা নাছিলোঁ। ইচ্ছা থাকিলেই সকলো নহয়। ভালকৈ পঢ়িবৰ মন আছিল কিন্তু পঢ়ো কেনেকৈ ? বিধবা পেহীজনীৰ আশ্ৰয়ত থাকি পঢ়িব লগা হৈছিল। তেওঁৰ বছৰটাৰ ভাত কেইটা যোগাৰ কৰিবলৈ হাল বাব লগা হৈছিল। দেওবৰীয়া হাটত বাৰীৰ পাণ-তামোল নি বেচিব লগা হৈছিল, তেহে নিমখ তেলৰ খৰচ ওলাইছিল। পঢ়িবলৈ সময়েই নাছিল। তথাপি টিউচন কৰিব পৰা হোৱাৰ পাচত পঢ়াত কিছু উন্নতি কৰিছিলোঁ। মেট্ৰিক, আই-এ আৰু বি-এ পৰীক্ষাটোও ভালদৰে পাছ কৰিছিলোঁ। তাৰ পাচত আৰু নহ'লগৈ।

ঠিকাদাৰী বিদ্যাটো, বিশেষকৈ মাটিৰ কামত, আয়ত্ত কৰিব লাগে। এই বিষয়ত মোৰ গুৰু হ'ল এজন অভাৰচিয়াৰ। তেওঁৰ বুদ্ধিমতে গছৰ মূঢ়াৰ ওপৰত মাটি জাপিবলৈ ললোঁ। পুৰণি মাটি খন্দা খালতে নতুনকৈ খন্দা দেখুৱালোঁ। মথাউৰিত আধাখিনি গছ-বনে ঠাই পালে, আধখিনিহে মাটি হ'ল। মথাউৰিতো নৈয়ে ভাঙিবই।

নদীৰ বান মানুহে কি ভেঁটা দি ৰাখিব পাৰে ? সেই কাৰণে যেয়ে পাৰে দুপইচা কৰক— এইটো আছিল অভাৰচিয়াৰৰ থিয়ৰী।

সেই 'থিয়ৰী'মতে কাম কৰি ডেৰশ টকা দৰমহা পোৱা অভাৰচিয়াৰ-জনে তিনি বছৰৰ ভিতৰতে দুঠাইত দুটা দহ হেজাৰ টকীয়া ঘৰ সাজিলে। তেওঁৰ পৰাই মোৰ জ্ঞান লাভ হ'ল। মোৰ বিলৰ শতকৰা ৫ ভাগ এইসকল গুৰু শুভাকাঙ্ক্ষীক দক্ষিণা দিওঁতে ব্যয় হৈছিল যদিও তাত আপত্তি কৰিব লগা নাছিল। তিনি হেজাৰ টকা খৰচ কৰি দহ হেজাৰ টকা পালে ক্ষতি কি? সেই কাৰণে একজিকিউটিভ ইঞ্জিনিয়াৰলৈ স্কটছ হুইস্কীৰ বটলটো, অভাৰচিয়াৰলৈ ৰৌ মাছ এটা, অফিচৰ বৰবাবুলৈ শুৱালকুছিৰ এড়ি চাদৰ এখন আৰু একাউন্টেন্টলৈ ৰসগোল্লা আৰু লালমোহনৰ টোপোলা এটা লৈ যাবলৈকো ইতস্ততঃ কৰা নাছিলোঁ। স্ত্ৰী আৰু ৰাজকুলৰ ওচৰলৈ শুদা হাতে যাব নাপায় বুলি থকা আপ্ত বাক্য মনত ৰাখি চলিছিলোঁ।

কিন্তু ইয়াৰ পৰিণতি কি হ'ব—এইবোৰ কাৰ্য্যৰ সামাজিক মূল্য কিমান—তাক তেতিয়া ভাবি চাবলৈ অৱসৰ উলিয়াব পৰা নাছিলোঁ। টকাৰ মোহত পৰিলে বোধহয় সকলো মানুহৰে এনে হয়।

কেতিয়াবা জীৱনত প্ৰতিষ্ঠা লাভ কৰা সহজ হৈ পৰে। এটা সময়ত ময়ো ভাবিছিলোঁ এইবোৰ সৌভাগ্য! ৰাকচৰ তলিত পৰি থকা পাতি পইচা আৰু অচল দু-অনীয়া চাৰি অনীয়া মুদ্ৰা কেইটামান লৈ অনিশ্চয়তাৰ মাজলৈ ওলাই যোৱা মানুহটোৰ হাতলৈ কেনেকৈ দহ হেজাৰ টকা এটা বছৰৰ ভিতৰতে আহিল ভাবিলে আচৰিত হব লাগে। কিন্তু আমাৰ সমাজ ব্যৱস্থাই এনেকুৱা। ইয়াত মানুহ লাওলোৱাও হয়, লাখপতিও হয়। সমতাপূৰ্ণ জীৱন যাপন কৰাৰ ব্যৱস্থা নাই।

টকাই টকা অনা কাৰণে মোৰ হাতলৈও বহুতো টকা আহিল। দহ হেজাৰ, কুৰি হেজাৰ, ত্ৰিশ হেজাৰ, চল্লিশ হেজাৰ। তাৰ পাচত আৰু লেখ কৰাৰ প্ৰয়োজন বোধ নকৰা হলোঁ। অজস্ৰ বুলি নহয়—টকাৰ মোহ কমি অহাৰ বাবে। নামনি অসম এৰি মধ্য অসম পালোঁহি। বাগিচাত খাদ্য সামগ্ৰী যোগান ধৰাৰ ব্যৱসায়টো অধিক

লাভজনক হ'ল। সেই সময়ত বাগিচাবিলাকে কিছুমান খাদ্য-সামগ্ৰী নিজে আগতীয়াকৈ কিনি নিজা ভৰালত জমা কৰি ৰাখিছিল আৰু সেইবোৰ শ্ৰমিক আৰু আন কৰ্ম্মচাৰীসকলৰ মাজত সস্তা দৰত বিক্ৰী কৰিছিল।

মেকনীল চাহাবৰ লগত সেই সংশ্ৰৱতে ঘনিষ্ঠতা হৈছিল। তেওঁ কোম্পানীৰ আটাইকেইখন চাহ বাগিচাৰ মূৰব্বী। এই মানুহজনৰ কিছুমান অদ্ভুত স্বভাৱ আছিল। তেওঁ নিশা প্ৰায়েই হেনো নুশুইছিল। ৰেল ষ্টেচনৰ প্লেটফৰ্ম্মত ঘূৰি ফুৰিছিল। প্লেটফৰ্ম্মত শুই থকা বনুৱাবিলাকৰ ওচৰলৈ গৈ সিহঁতৰ শৰীৰৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গ, হাত বুলাইছিল। বাগিচাৰ কলঘৰৰ বাৰাণ্ডাত শুই থকা শ্ৰমিকবিলাকৰ মাজতে হয়তো একোটা নিশা কটাই দিছিল। ৰামনাথ ছৰ্দ্দাৰে কোৱা এই কথাবোৰ শুনি মানুহজনৰ যৌন সংক্ৰান্ত বিকৃতি থকা বুলি ধাৰণা হৈছিল। হেভলক ইলিচৰ কিতাপত যৌন বিকৃতি ঘটা মানুহৰ আচৰণ সম্পৰ্কে পঢ়িছিলোঁ। সেইবোৰ মানুহ সাধাৰণ অৱস্থাত সম্পূৰ্ণ স্বাভাৱিক হলেও এটা সময়ত তেওঁলোকে অসম্ভৱভাৱে বিকৃত আচৰণ কৰে।

চাহাবে হঠাৎ ঘৰটো বেচিবলৈ ওলোৱাত মই ভালেই পাইছিলোঁ। দামো ইমান সস্তা! মানুহ কিছুমানৰ পৰা আঁতৰি থাকিবলৈ মই কিছু নিৰ্জনতা বিচাৰিছিলোঁ। য'ত নিজৰ অভিৰুচি-মতে থকাৰ সুবিধা কৰি লব পাৰি। সেই কাৰণে তৎক্ষণাত ঘৰটো কিনা হৈ গ'ল।

কিন্তু,—

সেই মৃতদেহটো?

সেই মৃতদেহটো আছিল—লিডিয়াৰ!

মেকনীল চাহবৰ লগত অন্ততঃ দুবছৰৰ আগৰ পৰা মোৰ ব্যৱসায়ত সম্পৰ্ক আছিল। কিন্তু লিডিয়াকতো কোনোদিনে তেওঁৰ লগত দেখা নাছিলোঁ। অৱশ্যে তেওঁৰ এই ঘৰটো সম্পূৰ্ণ নিষিদ্ধ

অঞ্চল আছিল। তাতে ইউৰোপীয় লোকৰ প্ৰবেশো সীমাবদ্ধ আছিল।

লিডিয়াই জীৱনৰ ওপৰত প্ৰতিশোধ লবৰ বাবেই হয়তো এই পথ অনুসৰণ কৰিছিল। আৰু অৱশেষত—

লিডিয়াই মোক কেনেবাকৈ দেখিবলৈ পাই অনুশোচনাত আত্মহত্যা কৰিছিলনে?

ৰামনাথ ছৰ্দাৰৰ ব্যাখ্যা কিন্তু আন ধৰণৰ আছিল। সি কৈছিল যে এই চাহাবটোৱে অন্ততঃ আধা ডজন নাৰী হত্যা কৰিছিল। সি কিছুদিন মেম চাহাব কৰি কোনো তিৰোতাক খুব আৰামেৰে ৰাখে, পাচ, নিজেই মাৰি পেলায়। ছৰ্দাৰে নিজেই তাৰ বাগিচাৰ দুজনী ছোৱালীৰ কথা জানে। কিন্তু চাহাবৰ লগত সামান্য মজদুৰে যুঁজিবৰ শক্তি ক'ত? সেই কাৰণে সি নীৰৱে সহ্য কৰি গৈছিল। চাহাবটো আন কথাত মজদুৰ আৰু কৰ্মচাৰীৰ প্ৰতি বৰ মৰমিয়াল আছিল। সেই কাৰণে তাক এনে জঘন্য কামৰ বাবে অভিযুক্ত কৰাও কঠিন।

লিডিয়াৰ মৃতদেহটো চেৰী ফুল জোপাৰ তলত পুতি পেলাইছিলোঁ। সেই দিনাই স্থিৰ কৰিছিলোঁ লিডিয়াৰ কফিনটোতে মোৰো সমাধি হব লাগিব। লিডিয়া মোৰ দুৰ্ভাগ্যৰ কাৰণেই বিপথগামী হব লগা হ'ল, মোৰ পৰা বিচ্ছিন্ন হ'ল। সেয়ে মৃত্যুৰ পাচত অন্ততঃ আমি একেলগে থাকিম। মৃত্যুৱে আমাক লগ লগাব। ধাৰণাটো অবাস্তৱ হলেও তেনে সিদ্ধান্তকে লৈছিলোঁ আৰু ভোলাক সেই নিৰ্দেশকে দিছোঁ। দুদিন পাচত হয়তো ভোলাই মোক সেই ঠাইতে থৈ দিব।

॥ ষোল ॥

মদ খোৱা, যৌনতৃপ্তি লাভৰ ব্যৱস্থা কৰা ধনী শ্ৰেণীৰ এটা গতানুগতিক বিলাস। তাত বৈচিত্ৰ্য একো নাই কাৰণে সেইবোৰ মনত ৰখাৰ প্ৰয়োজন নাছিল। এতিয়া সেই জীৱনটোৰ প্ৰায়বোৰৰ কথাকে পাহৰি গৈছোঁ। কিন্তু তাৰ মাজতো কিছুমান কথা পাহৰি যোৱা সম্ভৱ নহয়।

ব্যৱসায়ী স্বৰূপে জনসমাজত পৰিচিত হোৱাৰ লগে লগে মই ভদ্ৰলোক হৈ পৰিলোঁ। নিৰ্বাচনী পুঁজিৰ বাবে পাঁচ হেজাৰ টকা আগবঢ়োৱা ক্ষমতা থাকিলে যি কোনো মানুহ ভদ্ৰলোক নোহোৱাকৈ থাকিব নোৱাৰে। দুটাকৈ শ মিলৰ মালিক আৰু টিম্বাৰ মাৰ্চেণ্ট হৈ পাঁচ হেজাৰ টকা ক্ষমতাত থকা দলটোক দিব নোৱাৰিলে ব্যৱসায়ত কি সম্ভাব্য প্ৰতিবন্ধক সৃষ্টি হব পাৰে তাৰ প্ৰতিও লক্ষ্য ৰাখিব লগা হৈছিল।

সেই সূত্ৰে এজন বিশিষ্ট নেতাৰ লগতো পৰিচয় ঘটিছিল। সেই পৰিচয়ত মই গৌৰৱ বোধ কৰিব খোজা নাছিলোঁ। কিন্তু কি হব? এই শ্ৰেণীৰ মানুহবোৰে লগ এৰা দিব খোজা নাছিল। ব্যৱসায়ৰ খাতিৰতে মোৰ ঘৰত তেওঁলোকক আপ্যায়িত কৰিব লগা হৈছিল।

সেইদিনা নিশা আঠমান বজাত এখন 'ডজ' গাড়ী ঘৰৰ সন্মুখত

বলহি। তাৰপৰা দুজন ভদ্ৰলোক আৰু এগৰাকী ভদ্ৰ মহিলা নামিল। ড্ৰাইভাৰে গাড়ীৰ 'লাগেজ কেৰিয়াৰ'ৰ পৰা এটা হৰিণা পহুৰ পিৰা বাহিৰ কৰিলে।

গান্ধী টুপী, আৰু খদ্দৰৰ কাপোৰ পিন্ধা ভদ্ৰলোকজনে ক'লে, "আজি আপোনাৰ আলহী হলোঁ।"

আলহী সোধাত আপত্তি একো নাছিল। ভদ্ৰলোক দুজনে নিৰ্বাচন সংক্ৰান্তত মিটিং কৰি ফুৰিছিল। কিন্তু তেওঁলোকৰ লগৰ গৰাকী ভদ্ৰমহিলা হয়নে নহয় সন্দেহ হ'ল। তেওঁক অৱশ্যে অসমৰ এগৰাকী মহিলা কৰ্মী বুলিয়েই মোৰ লগত পৰিচয় কৰি দিয়া হৈছিল।

গোটেই দিনটো বিভিন্ন সভাত বক্তৃতা দি ফুৰোঁতে নেতা দুজনৰ ডিঙি শুকাই গৈছিল। মটৰ গাড়ীত ঘুৰি ফুৰোঁতে গাও বিষাইছিল। সেই কাৰণে 'ব্ৰাণ্ডি' অকণমান পালেও বেয়া নহয় বুলি মোক ক'লে। মহিলা গৰাকীৰ বাবে 'ৱাইন' পালে আৰু ভাল হয়। মানুহ কেইজনৰ এই আত্মসমৰ্পণ দেখি পেটে পেটে হাঁহি উঠিছিল। পানীয় মোৰ হাতত সাধাৰণতে থাকে সেই কাৰণে তেওঁলোকৰ ৰং চাবৰ কাৰণে সহজভাৱেই উলিয়াই দিলোঁ। তেওঁলোকে মোৰ ওচৰত এইখিনি সামগ্ৰী পাব বুলি আশা কৰিয়েই হয়তো এই আওহতীয়া ঠাইলৈ আহিছিল। তেওঁলোকে ৰঙাপাৰাৰ ডাক বঙলালৈকো যাব পাৰিলেহেঁতেন।

তেওঁলোকে 'ব্ৰাণ্ডি আৰু ৱাইন'ৰ যিদৰে ব্যৱহাৰ আৰম্ভ কৰিলে তাৰ পৰা বুজিলোঁ যে এই বিষয়ত তেওঁলোক নতুন নহয়।

তাৰ পাচত তেওঁলোকৰ স্বৰূপ প্ৰকাশ পাবলৈ ধৰিলে। গাৰুত আঁউজি বয়সিয়ালজনে মহিলা গৰাকীৰ হতুৱাই গা পিটিকোৱা আৰম্ভ কৰি দিলে। আলহীৰ কাৰণে মোৰ ঘৰত তিনিটা কোঠালি আছিল যদিও এটা কোঠালিতে তেওঁলোক তিনিও থাকিব পাৰিব বুলি জনালে।

তেতিয়া ভাবিছিলোঁ—এই মানুহবোৰ কিমান দুৰ্বল। এওঁলোকে জনসভাত নৈতিকতাৰ কথা কয়, দেশখনক সমৃদ্ধিশালী কৰিবৰ বাবে কাম কৰিবলৈ কয়, দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ উদ্দাত্ত আহ্বান দিয়ে কিন্তু নিজে কিমান মানসিকভাৱে দুৰ্বল।

এইবোৰ মানুহক ঘিণ কৰিও লাভ নাই বুলিয়েই ভাবিছিলোঁ। তদুপৰি মোৰ স্বাৰ্থও আছিল। ইহঁতক হাতত ৰাখিব পাৰিলে মোৰ ব্যৱসায়ৰ ক্ষেত্ৰত মই নিশ্চিন্ত হব পাৰোঁ। গড় কাপ্তানি বিভাগে মোৰ বাহিৰে আনৰ পৰা কাঠ নিকিনে।

সেইদিনা মোৰ ঘৰত নিশা অতিবাহিত কৰা নেতাজনেই আন এদিন মোক কৈছিল—

"কিহে, কিমান কাঠফলা কাম কৰে? অলপ সহজে পইচা ঘটাৰ দিহা কৰক।"

মই সৰলভাৱেই সুধিছিলোঁ, "কেনেকৈ?"

"খুব সহজ। অসমত আজিকালি ইণ্ডাষ্ট্ৰী হব ধৰিছে। এবিধ ফৰেইন মেটিৰিয়েলৰ ইম্পৰ্ট লাইচেঞ্চ এখন লওক। ময়েই সুবিধা কৰি দিম। তাৰ পিচত সেইখন আন ব্যৱসায়ীক বিক্ৰী কৰি দিয়ক। মাজতে আপুনি লাখ টকা লৈ বহি থাকক।" তেওঁ কৈছিল, চকু দুটা আধা মুদা কৰি। সেইদিনা তেওঁৰ ওপৰত মোৰ সচাঁসচিকৈ ঘৃণা উপজিছিল। মই সেই বিষয়ে দুনাই প্ৰশ্ন কৰি বিতংভাৱে জনাৰ চেষ্টা কৰা নাছিলোঁ। এইজন নেতাৰ এতিয়া 'চিনেমা' হৈছে। তিনিখন মটৰ গাড়ী হৈছে।

বহুতো মানুহ লগ পালোঁ, যিবোৰ মানুহে নিজৰ ধনৰ মোনা শকত কৰাৰ বাহিৰে আন কথা চিন্তা কৰিবৰ অৱসৰ নাপায়। এইবোৰ মানুহে দেশৰ সমস্যাৰ কথা কয়, বাতৰি পঢ়ি সকলোকে সমালোচনা কৰে, অসম যায়, অসম গ'ল বুলি আক্ষেপ কৰে। কিন্তু সিমানতে শেষ। দেশখনক, অসমক ৰক্ষা কৰিবলৈকে যে তেওঁলোক নিজে সৎ হব লাগিব, শ্ৰম কৰিব লাগিব তাক

উপলব্ধি নকৰে। এজাক ভণ্ড মানুহে জাতি এটা ৰক্ষা কৰিব পাৰেনে ?

অসুখটো সঁচাকৈয়ে বেছি হৈ আহিছে। ডাক্তৰে হয়তো জানে মই সৰহ দিন জীয়াই নাথাকোঁ। তেওঁ জানে যে আন ঠাইলৈ গৈ চিকিৎসা কৰোৱাৰো অৰ্থ নাই। তথাপি তেওঁ তাৰো প্ৰস্তাৱ দিছিল। কিন্তু ময়েই সন্মত নহলোঁ। মৃত্যুৰ লগত সংগ্ৰাম কৰাৰ শক্তি হেৰুৱাই পেলাইছোঁ। যুদ্ধ কৰি ভাগৰি পৰিছোঁ।

কথাবোৰ পাহৰি যাবলৈ আৰম্ভ কৰিছোঁ। কোনে জানো লিখিছিল, "প্ৰীতম বুলাৱত অন্হৰকে পাসসে।"

সৰস্বতীৰ কথা মনত পৰে। তাই খুউব ভাল গাইছিল। তাইক ভাল লাগিছিল। এজনী নাৰী বুলি নে এজনী গায়িকা বুলি তাইক ভাল পাইছিলোঁ, কব নোৱাৰোঁ। হয়তো দুইটাৰ বাবে। এই ঘৰ-টোলৈ অহাৰ পাচত নাৰী কেইবা গৰাকীৰো সংশ্ৰৱলৈ আহিছিলোঁ। তেওঁলোকে মোক প্ৰেম নিবেদন কৰিছিল—নাৰীৰ সকলোখিনি সম্পদ মোক অৰ্পণ কৰিছিল। এদিন ৰাজনৈতিক নেতাৰ সৈতে মোৰ ঘৰলৈ আহি মহিলা কৰ্মী বুলি পৰিচয় দিয়া মহিলা গৰাকীও আহিছিল মোৰ কাষলৈ। তেওঁ কিহৰ তাড়নাত সেই পথ লৈছিল তাকো বিৱৰি কৈছিল। নিজে চলিব লগা হোৱাৰ উপৰিও তেওঁৰ ৰুগ্না মাক আৰু পিতৃহীন ভায়েক দুটাক পোহপাল দিব লগা হৈছিল। তেওঁ সমাজসেৱিকা স্বৰূপেই আনৰ ওচৰত জনাজাত আছিল কিন্তু সমাজ সেৱাইতো পেট নভৰায়। তেওঁৰ কৰুণ কাহিনীয়েও মোক টলাব পৰা নাছিল কাৰণ নাৰীৰ লগত মোৰ সম্পৰ্ক আছিল দামৰ। মই আছিলোঁ এজন গ্ৰাহক। নাৰী আছিল মোৰ কাৰণে অৰ্দ্ধবিলাস সামগ্ৰী।

গায়কসকলক মই শ্ৰদ্ধা কৰিছিলোঁ। সঙ্গীতৰ প্ৰতি মোৰ অকৃত্ৰিম অনুৰাগ আছিল। সেই কাৰণে বিভিন্ন সময়ত বহুতো ভাল গায়কক লৈ গানৰ 'মজলিচ' পাতিছিলোঁ। গৌৰ দাসৰ ধ্ৰুপদত পাখোৱাজ বজাইছিলোঁ। তেওঁৰ সুৰত মাদকতা আছিল। আনিস ৰহমানে বড়ে গোলাম আলি খানৰ দৰেই ধুংৰী গাইছিল—"কা কৰুঁ সজনী……।" বাৰাণসীৰ হৃষীকেশ গোস্বামীৰ দৰবাৰী কানাড়া ৰাগৰ খেয়াল শুনি ভোলাই অজ্ঞাতসাৰে মোৰ কাষতে সমানে সমানে বহি পৰিছিল। ইমান ধুনীয়া গোৱা সত্বেও তেওঁলোকক সৰস্বতী বাঈৰ দৰে ভালপোৱাৰ প্ৰশ্ন নুঠে। কাৰণ তেওঁলোক আছিল পুৰুষ।

তাই মোৰ ওচৰতে থাকিব বুলি প্ৰতিশ্ৰুতিও দিছিল। এটা সময়ত মোৰ জীৱনৰ গতি সলনি হৈ যাব যেন পাইছিলোঁ। সেই সময়ত ভাবিছিলোঁ সেয়েই জীৱন—ওমৰ খৈয়ামৰ দৰ্শন যদি বাস্তৱত পৰিণত কৰিব পাৰি তেন্তে আপত্তি কি ?

কিন্তু সেয়া হৈ নুঠিল। সৰস্বতীৰ আপোন মানুহ অৰ্থাৎ মাহীমাকে বাধা দিলে। সিহঁতে হেনো সেইদৰে থাকিবলৈকে 'জনম' লৈছে, গৃহস্থী পাতিবৰ কাৰণে নহয়। সৰস্বতীক বিদায় দিওঁতে তাই কান্দিছিল। কিন্তু মই নিজকে মুক্ত অনুভৱ কৰিছিলোঁ। এখন মুখলৈ মনত পৰিছিল—লিডিয়াৰ নহয়।

—এটা ডেকা ল'ৰাৰ।

সি সুস্থ সৱল হৈ পৰিছিল। তাৰ চকুত দীপ্তি আছিল।

তাৰ দুটা চকুৱে মোক যেন কৈছিল—

—আমি বহুত কাম কৰিব লাগিব। যিবোৰ কাম আপোনালোকে কৰিব নোৱাৰিলে, সেইবোৰ আমি কৰিম।

পুৰণি মূল্যবোধৰ বাবে আপোনালোকে যিবোৰ কাম অসামাজিক বুলি কৰিবলৈ ভয় কৰিছিল, আমি সেইবোৰ কৰিম। তাৰ বাবে পুৰণি মূল্যবোধ সলনি কৰিম।

॥ সোতৰ ॥

মুনমুনক মৃত্যুঞ্জয় বুলি কবলৈ বেয়াই লাগে। নামটো বিশেষ নভবা নিচিন্তাকৈ ময়েই দিছিলোঁ। সি ডাঙৰ হৈ কি হব, সেই কথা তেতিয়া চিন্তা কৰা নাছিলোঁ। ভোলাই হয়তো ভাবিছিল, তাৰ ছোটা বাবুৱে মোৰ পাচত বৰ চাহাব হব। এই ঘৰটোত থিতাপি লাগিব, ছুটা শ্ব মিল চলাব। এজনী টুকটুকীয়া ছোৱালী বিয়া কৰাই ঘৰলৈ আনিব। মাজে সময়ে দাৰ্জিলিং, শ্ৰীনগৰ, বাঙ্গালোৰ, উটকামণ্ড, গোৱা, পণ্ডীচেৰীত ফুৰিবলৈ যাব। আটাইবোৰ কাম নিয়াৰিকৈ চলি যাব।

মুনমুনক 'চাৰ্চ'ৰ পৰা আঁতৰাই আনিলোঁ। তাৰ বাবে যথেষ্ট খৰচ কৰিবলগা হ'ল। সি কলিকতাতে ডাঙৰ হৈছে। তাক এই ঘৰলৈ মই ইচ্ছা কৰিয়েই অনা নাছিলোঁ। স্কুল, কলেজৰ বন্ধৰ দিনবোৰ ভাৰতৰ বিভিন্ন ঠাইত ফুৰি সি কটাই দিছিল। অভাৱ সি কোনোদিনেই অনুভৱ কৰা নাছিল। পঢ়াশুনা কৰাৰ পাচত জীৱিকাৰ বাবে সি নিজেই পথ বাছি লব বুলি ভাবিছিলোঁ। পঢ়া-শুনাত সি ভাল আছিল।

শেষবাৰ কলিকতাত লগ পাওঁতে সি মোক প্ৰথম প্ৰশ্ন কৰিছিল। "দেউতা, আপুনি নিজকে কি বুলি ভাবে? আপুনি পুঁজিপতি নহয়নে?"

মই কৈছিলোঁ, "আমাৰ দৰে মানুহক পুঁজিপতি বুলি কবানে? মইতো কোটিপতি নহয়। মই কাকো শোষণ কৰিবও খোজা নাই।"

"তথাপি আপুনি পুঁজিবাদৰ সেৱক। আপুনি বাহিৰত কিছু উদাৰতা দেখুৱালেও অন্তৰত ব্যক্তিগত সুখ-সম্ভোগ কৰাৰ আশা ৰাখিছে। আপোনালোক বৰ চতুৰ 'বুৰ্জোৱা'। ভয়ঙ্কৰ মানুহ। আপোনালোকৰ দৰে মানুহৰ বাবেই বিশ্বৰ সকলো ঠাইতে বিপ্লৱ নষ্ট হৈছে।"

মই অবাক হৈছিলোঁ। মুনমুনৰ কিয় ইমান পৰিবৰ্তন ঘটিল? সি বেছ আৰামতে চলিছে। সিতো বিপ্লৱৰ চিন্তা কৰিব লগা নহৈছিল।

তাক সুধিছিলোঁ—"তুমি সেইদৰে ভাবিবলৈ লৈছা কিয়?"

সি তীব্ৰভাৱে মোৰ চকুলৈ চাই উত্তৰ দিছিল, "ভাৰতীয় জাতিটোক আমি ধ্বংস হবলৈ এৰি দিব নোৱাৰোঁ। যি জাতিৰ মানুহে খাদ্য-ঔষধত ভেজাল দিয়ে, যি দেশৰ মানুহে এখন কাগজত এটা চহী কৰিবৰ কাৰণে উৎকোচ গ্ৰহণ কৰে, যিবোৰ মানুহে দুখীয়াক শ্ৰমিকক শোষণ কৰাকে জীৱনৰ ব্ৰত বুলি ধৰে, সেইবোৰ মানুহক লৈ সুস্থ ভাৰতীয় জাতি এটা গঢ়ি উঠিব নোৱাৰে। আমি তাৰ প্ৰতিকাৰ কৰিম।"

"কিন্তু, মইতো সেই শ্ৰেণীৰ ভিতৰত নপৰোঁ।"

"তেন্তে আপুনি এটা কাম কৰক। আপোনাৰ কাঠৰ কল শ্ৰমিকৰ হাতত দি দিয়ক। আপোনাৰ ঘৰটো এটা হাস্পতাল কৰিবলৈ এৰি দিয়ক।"

"তুমি কি কৰিবা? এইবিলাকতো মোৰ কাৰণে ৰখা নাই। তোমাৰ সংস্থানৰ বাবে কিবা এটাতো ৰাখিব লাগিব।

"কোনো দৰকাৰ নাই। ভাৰতৰ লাখ লাখ নিবনুৱা যদি জীয়াই থাকিব পাৰে, ময়ো থাকিব পাৰিম। আমি কাম উলিয়াই লম। কাম উলিয়াই লবৰ বাবে সংগ্ৰাম কৰিম।"

মুনমুনে মোক এশ টকাৰ নোট কেইখন ওলোটাই দি কৈছিল,

"অসমত দুখীয়া মানুহ বহুত আছে। সিহঁতক দিব পাৰে। মোৰ টকাৰ প্ৰয়োজন নাই।"

তাৰ কথাত হতাশ হৈ পৰিছিলোঁ।

মুনমুনৰ খবৰ বহুত দিন পোৱা নাই। ভোলাই এদিন 'ছোটা বাবু'ৰ কথা কওঁতে তাক ধমক দিছিলোঁ। কিয় দিছিলোঁ—এতিয়া ভাবি নাপাওঁ। বোধহয় মই মুনমুনৰ পৰা যি বিচাৰিছিলোঁ তাকে নোপোৱাত ক্ষুব্ধ হৈছিলোঁ। এতিয়া কিন্তু তাৰ ওপৰত মোৰ কোনো অভিযোগ নাই। সি নতুন যুগৰ মানুহ। সিহঁতে যোৱা ২২।২৩ বছৰৰ ভিতৰত দেশখনত কি হৈছে চকুৰে দেখিছে, দেশৰ পৰিস্থিতিৰ প্ৰতিক্ৰিয়া উপলব্ধি কৰিছে। গোটেই বিশ্বৰ যুৱকদলেই আজিৰ পৃথিবীখনৰ গতিবিধি লক্ষ্য কৰিছে।

কিন্তু এইবোৰ সমস্যা হিংসাৰে আৰু বিক্ষিপ্ত কাৰ্য্য-কলাপৰে সমাধান কৰিব পৰা যাবনে? আটাইবোৰ পুৰণি মূল্যবোধ উচ্ছেদ কৰি সম্পূৰ্ণ নতুন কিবা এটা গঢ়ি তোলা সম্ভৱ হয়নে নহয়, সেই বিষয়ত মোৰ সন্দেহ আছে। মুনমুনক এতিয়া লগ পোৱা হলে সুধিলোঁহেঁতেন—স্কুল-কলেজৰ বেঞ্চ-ডেস্কবোৰ ভাঙি পেলালে, ছবি কেইখনমান ফালিচিৰি পেলালে, প্ৰস্তৰমূৰ্ত্তি কেইটামান ক'লা ৰং সানি বিকৃত কৰিলেই নতুন সমাজ গঢ়া হবনে? সি হয়তো উত্তৰ দিলেহেঁতেন—এয়া উদাহৰণমূলক কাৰ্য্য মাত্ৰ। কিন্তু প্ৰশ্ন হয়—এইবোৰ কাৰ্য্যই সৰ্বসাধাৰণৰ মাজত কি প্ৰতিক্ৰিয়া কৰিছে? জনসাধাৰণে স্বেচ্ছাৰে প্ৰস্তৰমূৰ্ত্তি তুলি পেলাবলৈ ইয়াৰ পৰা প্ৰেৰণা লাভ কৰিছেনে? যদি প্ৰেৰণা লাভ কৰিব পৰা নাই তেন্তে এইবোৰ কাৰ্য্যয়ো সোনকালে সমাজৰ পৰিবৰ্ত্তন আনিব নোৱাৰে।

তথাপি মুনমুনহঁত দেশদ্ৰোহী নহয়। সিহঁতে যদি আমাৰ নিষ্পেষিত জনতাক উদ্বুদ্ধ কৰিব পাৰে, তেন্তে সিহঁতকে এদিন

জাতিয়ে সন্মান দিব। সিহঁতে সামান্যভাৱে কাৰ্য্যপন্থাৰ সলনি কৰিয়েই বোধহয় এই কাম কৰিব পাৰে।

মুনমুনক যদি কোনোবাই গুলীয়াই মাৰে মই তাক ক্ষমা নকৰোঁ। সি নিজে মানুহ হৈ জীয়াই থাকিব খোজা নাই, সি আনকো মানুহৰ দৰে জীয়াই ৰাখিবলৈ সংকল্প লৈছে, সেইবাবেই সি দোষী নহয়। তাক অৱশ্যে শুধৰাই লোৱাৰ সুযোগ আৰু আৱশ্যকতা আছে।

তাক আৰু দেখা পামনে নাপাম, নাজানো। সি নিশ্চয় অসমলৈ আহিছে। আৰু কোনোবা এদিন মোক বিচাৰি ই'য়াত ওলাবহি, সি ঠিক। জীৱনৰ কাহিনীটো তাক কোৱা নহ'ল। সেই কাৰণে এই কষ্টবহুল কামখিনি কৰিব লগা হ'ল। ভোলাক কৈ দিছোঁ—সি যেন এই লিখাখিনি তাৰ হাতত তুলি দিয়ে। ভোলাই নিশ্চয় মুনমুনক চিনি নাপাব। উনৈশটা বছৰৰ পাচত তাৰ যি চেহেৰা হৈছে, ভোলাই চিনি নোপোৱাই স্বাভাৱিক। সেই কাৰণে তাক কৈছোঁ এটা ডেকা মানুহ কোনোবা দিন ইয়ালৈ আহিব। ভোলাই সেই ডেকা জন কোন বুলি ধৰি লৈছে নাজানো।

লিখা আৰু শেষ হৈছে। মুনমুনৰ কাৰণে যিখিনি লিখিব লগা আছিল, সেইখিনি শেষ হৈছে। আন বহুত কথা লিখিব লগা আছিল কিন্তু স্মৃতিশক্তি দুৰ্বল হৈ পৰিছে।

দুদিনমানৰ আগতে ভাবিছিলোঁ—মৃত্যু মানুহৰ জীৱনৰ শেষ লক্ষ্য নহয়। যি কোনো-প্ৰকাৰে জীয়াই থকা উচিত হব। কিন্তু আমি মানুহবোৰ বৰ দুৰ্বল। এতিয়া আৰু জীয়াই থকাৰ চেষ্টা কৰাৰ প্ৰয়োজন নাই। মুনমুনহঁত জীয়াই থাকিব, সিহঁতে নতুন সমাজ গঢ়িব। সেই সমাজত মোৰ দৰে মানুহৰ হয়তো আৱশ্যকো নাথাকিব। কিন্তু, মই পলায়নবাদী নহয়। মোৰ জীৱনে তাৰ সাক্ষী দিব। জীৱনৰ লগত সংগ্ৰাম কৰাত কোনো দিনেই মোৰ ভীৰুতা নাছিল। মুনমুনে নিজে সেই কথা বুজিব পাৰিব আৰু

সেইবাবে সি মোক দোষাৰোপ কৰিব নোৱাৰে। মোৰ কাহিনীয়ে হয়তো তাকো প্ৰেৰণা দিব।

মই জানো—সি এদিন আহিব।

চৰাইবোৰে মাতিবলৈ আৰম্ভ কৰিছিল। গোটেই নিশাটো জ্বলি থকাৰ পাচত লেম্পটোৰ ফিতাডাল আৰু বেছিকৈ জ্বলি উঠিছিল। ৰাতিপুৱাৰ পোহৰে কোঠাটো উজলাই পেলাইছিল। কাগজখিনি ভালদৰে জাপি থৈ ডেকাজনে, কোঠাটোৰ এটা চুকত কাৰ্পেটৰ ওপৰতে জুপুকা মাৰি বহি থকা ভোলাক মাতিছিল—

"তোমাৰ নাম ভোলা ?"

ভোলাই ব্যস্ততাৰে থিয় দি কৈছিল, "হাঁ ছোটা বাবু, মোৰ নাম ভোলা হয়।"

গদহা বুট জোতাযোৰ খুলি ডেকাজনে কৈছিল—

"আজিৰ পৰা মই এইটো ঘৰতে থাকিম।

মোৰ নাম মৃত্যুঞ্জয়, জানা। মই মৰিবলৈ ভয় নকৰোঁ।

তুমিও নকৰিবা। আমি যুদ্ধ কৰিব লাগিব।

চাহ খুৱাব পাৰিবা ?"

ভোলাই তৎক্ষণাত উত্তৰ দিছিল—"চব কুছ আছে ছোটা বাবু।"

ভোলা বাহিৰ ওলাই গৈছিল ব্যস্তভাৱে। বাহিৰত তাৰ মাত শুনা গৈছিল—"জাগিয়ে ৰঘুনাথ কুমাৰ—

পঞ্চী বন বোলে।

চন্দ্ৰ কিৰণ শীতল ভঙ্গী, চকোৰী পিয়া মিলন গঙ্গী..."

স্বৰৰ শ্ৰুতিমধুৰতা নাথাকিলেও ভৈৰৱ ৰাগতে সুৰটো ৰক্ষা কৰিবলৈ সি যথাসাধ্য চেষ্টা কৰিছিল।

ভোলাৰ মনটো নিশ্চয় পাতল লাগিছিল।

\+ + +